# Assam Legislative Assembly Debates

सत्यमेव जयते

1990

## OFFICIAL REPORT

EIGHTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## ( OCTOBER - NOVEMBER – SESSION )

## VOL. XVIII

### NO. 9

The 14th November, 1977

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1977

( October, November Session )

Volume— XVIII

No— 9

Dated the 14 November, 1977,

## CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions — — | 5— 38 |
| 2. | Voting on Excess Demand for Grants-1966-67— | 39— 130 |
| 3. | Voting on Excess Demand for Grants-1967-68— | 131— 135 |
| 4. | Miscellaneous— — — | 13[illegible]— 138 |
| 5. | The Assam Appropriation ( No III ) Bill-1977— | 139— 140 |
| 6. | The Assam Appropriation ( No IV ) Bill-1977— | 141— 155 |
| 7- | The Assam Appropriation ( No V ) Bill-1977— | 156— 171 |
| 8: | Adjournment— — — | — 172 |

Proceedings of the Eighteenth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India.

—+—

The House met in the Assembly Chamber, Dispur, Gauhati on Monday the 14th November, 1977 with the Hon. Speaker in the Chair, 11 (Eleven) Ministers, 3 (Three) Ministers of State, 1 (One) Deputy Minister and 78 (Seventy eight) Members present.

—+—

STARRED

Questions and Answers

(To which oral answers were given)

Date : 14th November, 1977

—×—

Re : DACOITIES COMMITTED IN GOLOKGANJ POLICE STATION

Shri Kabir Chandra Roy Pradhani asked :—

* 86. Will the Chief Minister be pleaed to state :—

How many dacoities have so far been committed in Golokganj Police Station and how many cases have been registered and how many have been forwarded to the Court in the year, 1977 ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :—

86. 14 dacoities were committed during 1977 in Golokganj P.S. area and all the 14 cases were registered. Out of these 14 cases, charge-sheets were submitted in 3 cases which are pending for trial in the Court final report was submitted in 4 cases and 7 cases are pending for investigation.

Shri Kabir Chandra Roy Pradhani :— Sir. the Chief Minister has replied that only 14 cases occured in that area. I want to know whether any other information is rvaileble with the Government that cases are suppressed and docoits are released taking bribes.

Shri Sarat Chancra Sinha (Chief Minister ) :—No, Sir, we do not have such information.

Shri Kobir Chandra Roy Pradhani :— Sir, in question No. 147 on 3rd october in aparticular case

it was asked whether Govt. was a were that a-gang of dacaites fully eqnpped with arms committed docaited in the house of one Abdul Rahmrn in Caldak and the gang fled away but one cought red-haned and the reply was 'no'. But I know that in that particular case one person was brought to Thane but after taking bribes he was released. Whether it is known to the Government ?

Shri Chandra Sarat Sinha ( Chief Minister ) :— Sir, person who was arrestad was not a docaited but he was taken to Police Station in a different matter and the people mistook him for a docaite. There was no police enquiry against him.

Shri Gunendra Nath Pandit :— Sir, how many cases have been registere ? What is the amount of booty and whether the amounts have been recoved ? In view of the large seale docaites committed in the year what kind of patrolling and precautionery measures are taken by the Government ?

Shri Sarat Chandra Sinha (Chief Minister) :— Sir, the court cases which are under trial-in the first case 3 docaites, in the second case 5 and in the 3rd case 8, altogether 16 docaites are under trial in the 3 cases.

The amount of booty in the first case is 905/- and looted property recovared nil. In the second case-property recovemed nil and the amonnt is not given here and in the 3rd case amount not recovered.

Shri Gunendra Nath Pandit :— Sir, system of patrolling is not replied.

Shri Sarat Chancra Sinha (Chief Minister) :— Sir, anti-measures have been taken, out-posts or the Check-posts on the boarder between Bangladesh and Assam have been strengthened and quite a number of posts have been set up. These are the steps that have been taken for interception of the criminals along the river roads to locate the new criminals hitherto unknown to police kept them under survenuace together with new criminals. Development criminal shurces, prosecution, of thc active criminals under 110 CRPC, build up criminal racords at thc police Station are also among the steps we have taken. Now there are many posts and many officers placed there. This is also a long list.

Shri Gunendra Noth Pandit :— Sir, is it a fact that some of the dacoites tresspassed in to our territory, who are Bangladesh nationals ? To check it what steps have been taken.

Shri Sarat Chander Sinha (Chief Minister) :— Yes, Sir, quite a number of docaites come from Bangladesh and as a matter of fact in some cases Bangladesh criminals were invelved and in a particular case Police opened fire and one of the criminals was sent to Dhubri Civil Hospital for treatment.

Shri Gunendra Nath Pandit :— Among such criminals how mang of them come from Bangladesh ?

Shri Sarat Chandra Sinha ( Chief Minister ) :—That information is not with me here.

Shri Mohitosh Purkayastha :— Is it not a fact that many other dacoities have been committed within the Golokganj Police Station but the Police Officer in charge did not register the cases ?

Shri Sarat Chandra Sinha ( Chief Minister ) :—That is not the fact.

Shri Mohitosh Purkayastha :— Will the Chief Minister make an enquiry about this ?

Shri Sarat Chandra Sinha ( Chief Minister ) :—Yes. Sir, we shall enquire. But such enquiry will not give any result unless specific result is sought as Mr. Pradhani has asked.

Shri Kabir Chandra Roy Pradhani :— May I know who is theman cought red-handed ? What is his name ?

Shri Sarat Chandra Sinha ( Chief Minister ) :—Sir, that was in connection with other question. As I remember he come there becouse he was serving there in that village. So he came there because of his old acquintance.

Shri Kabir Chandra Roy Pradhani :— Whither the O. C. of Golokganj is acting as judicial magistrate also ?

Shri Sarat Chandra Sinha ( Chief Minister ) :— He is not to excercise such power.

Shri Gunendra Nath Pandit :— Whether the Government informed the Bangladesh Government formally that their nationals are encroaching into our territory or what action Govt. of Assam has taken to check their depredation in our State ?

Shri Sarat Chandra Sinha (Chief Minister) :—Sir, at the S. P. and Deputy Commissioner's level there have been some discussions on this issue and they

take steps accordingly.

Shri Dulal Chandra Barua :— In view of the considerable troubles and docaities committed by the Bangladesh nationals in our boarder what specific steps have been taken by the Govt. ?

Shri Sarat Chandra Sinha (Chief Minister) :— Sir, I have already roplied that check-posts and out-posts have been strenghtened.

Shri Dulal Chandra Barua :— In the paper it has been pudlished that various dacoities are being committed not only in that porticular area but in the entire boarder area on which Bangladesh nationel are creating troubles. In view of the seriousness of the situation whether the Govt. of Assam has taken up the matter with the Government of India or it has been taken up with the Bangladesh Government ? If so, at what leval ?

Shri Sarat Chandra Sinha (Chief Minister) :— Sir, I have already said that general discussions are held between Police Officials and Deputy Commissioner's level.

Shri Dulal Chandra Khound :— Sir, may I know

whether both the boarder security force and Assam Police force are there in the boarder ?

Shri Sarat Chandra Sinha (Chief Minister) :— Both are there.

Shri Kabir Chandra Roy Pradhani :— Whether there is difference of opinion between the B. S. F. personnel an the Chec Post police. Whether it is known to the Govt. or not ? There is a anecoutict between the B. S. F. parsonel and Checkpost porsonel and the dacaites take advantage and take some help of either of the two:

Shri Sarat Chandra Sinha (Chief Minister) :— Sir, I do not have any idea of this.

Shri Dulal Chandra Barua :— Sir, in view of these allegations whether Govt. will consider it that the Boarder Security Forco posted in that particular area should be placed at the disposal of the S. P. or Deputy commissioner ?

Shri Sarat Chandra Sinha (Chief Minister) :— So far the activities of the B. S. F. and the Civil Police there has been mutual dicussion, If there is any difference of opinion and if that comes to the notice

of the Government, Government will surely take action.

Stated Question No. 87 was not put, Member being absent.

Re : PAY SCALE OF M. E. & M. V. SCHOOL CHOWKIDARS

Shri Dulal Chandra Khound asked :—

*88. Will the Minister, Education be pleased to State :-

a) Whether of late the Government has received representation from the Chowkidars of M. E. & M. V. School regarding their pay scale, etc. ?

b) If so, the action taken by the Government in this regard ?

Dr. Bhumidhar Barman (Minister of State, Educution) replied :—

88.) a)—Yes.

b)—Under active consideration of the Government.

Shri Dulal Chandra Khaund :— Sir, may I know

from the Hon'ble Minister what is the exiating pay of the Chowkidrs of the M. E. and M. V. Schools ?

Dr. Bhumidhar Barman ( Minister of State, Education ) The Chowkidars in the L. P. schools get Rs. 70/- per manth ( lumpaum ) and the Chowkidars in the M. V. Schools get/- Rs. 80/- per month ( lumpsum ).

Shri Dulal Chandra Khaund :— There is no Chowkidar in many L. P. School ?

Dr. Bhumidhar Barman ( Minister of State, Education ) :— There are some, Sir.

Shri Dulal Chandra Khaund :— May I know whether it is known to the Government that due to the failure of the department to sehetion pests in many M. V. Schools the Chowkidars are working for many years without any remunration ?

Dr. Bhumidhar Barman ( Minister of State, Education ) :- Sir, so far as my information goes, there are 136 Chowkidar in L. P. Schools working at Rs. 70/- per month (lumpsum) and 657 Chowkiders in M. V. schools working at Rs. 80/- P. M. ( lumpsum ).

Shri Dulal Chandra Khaund :— Sir, what is the

number of total M. V. Schools in Assam ?

Dr; Bhumidhar Barman (Minister of State, Education ) :— Sir, that figure is not with me new.

শ্ৰীমতী তৰুলতা বৰা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীথাউণ্ড ডাঙৰীয়া প্ৰশ্নৰ উত্তৰত কিমান এম, ই আৰু এল, পি স্কুল আছে মন্ত্ৰী মহোদয়ে কব নোৱাৰিলে। কিমান খন এম, ই স্কুলত চকীদাৰ আছে আৰু কিমান খন স্কুলত চকীদাৰ নাই, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি শুনাবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই এই মাত্ৰ জানিব পাৰিছো যে আমাৰ মুঠ ৯৬১ খন এম, ভি স্কুল আছে। তাৰ ভিতৰত ৬৫৭ খন এম, ভি স্কুলত চকীদাৰ আছে।

শ্ৰীমতী তৰুলতা বৰা :— অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে কিছুমান স্কুলত এতিয়াও চকীদাৰ দিব পৰা নাই। যিবিলাক স্কুলত চকীদাৰ দিব পৰা নাই। সেই বিলাকত চকীদাৰ দিয়াৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নে ?

শ্ৰীভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, আচলতে আমাৰ যি কেইখন এম, ভি স্কুলৰ কথা কৈছো অৰ্থাৎ ৬৫৭ খন স্কুলত যিবিলাক চকীদাৰে এতিয়া কাম কৰি আছে, তেওঁলোকে ৮০ টকাকৈ দাম-চাম পাই আছে। বৰ্ত্তমান ইয়াতকৈ বেছি দিবৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীমতী তৰুলতা বৰা :— অধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন আছে। সেইটো হৈছে এজন মানুহে মাত্ৰ ৮০ টকা দৰমহাৰে এটা

পৰিয়াল আৰু এখন ঘৰ চলোৱা যে কিমান টান কথা সেই বিষয়ে চৰকাৰে বিবেচনা কৰি চাব নে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, নচলে কাৰণেই ব্যৱস্থা কৰা হৈছে ।

শ্ৰীমতী তৰুলতা বৰা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে কিমান টকা দিয়াৰ কাৰণে বিবেচনা কৰি আছে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, স্কেল মতে দিয়াৰ ব্যৱস্থা কৰা হৈছে ।

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে এই এম, ভি আৰু এল, পি স্কুল বিশেষকৈ এম, ভি স্কুলৰ কথা কৈছো, ইয়াৰ চকীদাৰ বিলাকে ৮০ বা ৭০ টকা যিয়েই নেপাওঁক সেই টকাটো ক'ৰ পৰা দিয়া হয় আৰু সেই সকল চকীদাৰে যে বহুদিন ধৰি দৰমহা পোৱা নাই এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সেইটো আগতেই কোৱা হৈছে যে লামচাম হিচাবে তেওঁলোকৰ দৰমহা দিয়া হয় ।

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, তেওঁলোকে ১০-১২ মাহেও দৰমহা নোপোৱাৰ কাৰণে দিশপুৰলৈ আহি ধৰ্ণা, ধৰ্ম্মঘট কৰিছেহি সেই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, পূজাৰ আগতে তেওঁলোকে দৰমহা পোৱা নাছিল কিন্তু পূজাৰ পিচত সকলো বিলাকক দিয়া হৈছে ।

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, পূজাৰ আগতে বহুতো চক্ৰীদাৰে দৰমহা পোৱা নাছিল; কিন্তু পূজাৰ পিচত সকলোৱে যে দৰমহা পাইছে সেই কথাটো সচাঁনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, প্ৰত্যেক স্কুলকে চেংচন অনুসৰি যি কেইমাহৰ দৰমহা দিয়া হোৱা নাছিল তেওঁলোকে দৰমহা দিবৰ কাৰণে প্ৰত্যেক ডি, আই, কে নিৰ্দ্দেশ দিয়া হৈছিল আৰু সেইমতে টকা দিয়া বুলি মোৰ বিবেচনা আছে। কোনোবাই যদি পোৱা নাই আমি এই বিষয়ে চাম।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় সহজভাৱে কথাটো কৈ বিষয়াৰ পৰা আতৰি যাব বিচাৰিছে। কথাটো হল এই যে লাম-চাম ৮০ টকাৰে এটা পৰিয়াল কেনেকৈ পোহপাল যাব পাৰে সেই কথাটো মন্ত্ৰী মহোদয়ে বিবেচনা নকৰিলে আৰু আমাৰ সকলো চাকৰিয়ালৰে নিম্নতম দৰমহাটো কিমান আৰু ৮০ টকা দৰমহা কে যে ৭-৮ মাহ ধৰি চাকৰিয়াল সকলে নোপোৱাকৈ আছে সেই কাৰণে অফিচাৰ সকলোক দোষী সাব্যস্ত কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, চৰকাৰী নিৰ্দ্দেশ থকা স্বত্বেও যদি কোনোবা অফিচাৰে তেনেকুৱা কৰিছে তেনেহলে এই বিষয়ে নিশ্চয় চাব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ খাউন্দ :— অধ্যক্ষ মহোদয়, চৰকাৰী নিৰ্দ্দেশ পোৱা স্বত্বেও ৭-৮ মাহে পূজাৰ আগতে আনকি পিচতো কিয় দৰমহা পোৱা নাই।

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, পূজাৰ আগতে

কেইমাহন নোপোৱাটো সচাঁ। কাৰণ সেই সময়ত বাজেট প্ৰভিজন কম আছিল।

শ্ৰীদুলাল খাউণ্ড :— পূজাৰ আগত ছয়মাহ ধৰি এই চকীদাৰ সকলে কিয় দৰমহা নাপালে? এতিয়াও কিয় কিছুয়ে দৰমহা পোৱা নাই?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :—চাৰ, পূজাৰ আগতে কেইমাহ মান নোপোৱা কথাটো সচাঁ। সেইটো হোৱাৰ কাৰণ হল বাজেট প্ৰভিজন কম আছিল।

শ্ৰীকেহোৰামা হাজৰিকা :— চৰকাৰৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ এটা গত হল 'এক্টিভ কন্সিডাৰেচন'। ইয়াৰ আগতে এই চকীদাৰ সকলৰ সমস্যাৰ কথা আলোচনা কৰা হৈছিল তেতিয়াও কৈছিল এক্টিভ কন্সিডাৰেচন। এক্টিভ কন্সিডাৰেকচন কেতিয়াৰ পৰা কৰা হৈছে আৰু কেতিয়া শেষ হব? ইয়াৰ ফাইনেল দিচিচন কেতিয়া হব?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— চাৰ, এক্টিভ কন্সিডাৰেচন যাত্ৰাটো আৰম্ভ হৈছিল, গন্তব্য স্থান সোনকালে পাব বুলি আশা কৰিছো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— ১৯৭৫ চনৰ নবেম্বৰ মাহত আগমনী উচ্চ বুনিয়াদি, পোকালাগী উচ্চ বুনিয়াদী, আৰু বালাজান মঙ্গলীয়া স্কুলত চকীদাৰ নিযুক্ত হৈছিল আৰু আজিলৈ কাম কৰি আছে। এই চকীদাৰ সকলে দৰমহা পোৱা নাই কিয়?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— চৰকাৰে ১৯৭৫ চনৰ ৫ চেপ্তেম্বৰৰ পৰা চৰকাৰীকৰণ কৰিছে। তাৰ পিছত চকীদাৰ দিয়াৰ চেংচনৰ ব্যৱস্থা নাই। কোনোবা, ডি, আইয়ে যি প্ৰকাৰে দিছে মাননীয় সদস্য মহোদয়ে মোক জনালে সেই কেচটো চাম।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ— যি সকলে চকীদাৰক এন, ই আৰু প্ৰাইমাৰী স্কুলত আগৰ পৰা নিযুক্তি দিয়া হৈছিল ৮০ টকাকৈ, সেই সকলে এতিয়ালৈকে নিয়মিত ভাৱে দৰমহা পোৱা নাই। ইয়াৰ কাৰণ কি স্পষ্ট ভাৱে জানিব বিচাৰিছো ? সকলো বিলাকৰ কথা বিবেচিত হয়, মন্ত্ৰীৰ সংখ্যা বাঢ়ে, মন্ত্ৰী সকলৰ টেলিফোনত লাখ লাখ কোটি কোটি টকা খৰচ কৰা হৈছে। চকীদাৰ সকলে কি জগৰ লগালে যে ৮০ টকাকৈ ইমান দিনে থাকিল ? কন্সিডাৰেচন হৈছত আছে বুলি কৈছে এইটো কোন তাৰিখে শেষ হব ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ— আগতে যি বিলাকক চেংচন দিয়া হৈছিল সেই সকলোক নিয়মিত ভাৱে দি থকা হব তেওঁলোকৰ দৰমহা, স্কেল পোৱাৰ কথা আছে। এক্তিভ কন্সিডাৰেচনৰ প্ৰচেষ্টা ইতিমধ্যে আৰম্ভ হৈছে আৰু কম দিনৰ ভিতৰত সম্পন্ন হব বুলি আশা কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ— যি তাৰিখৰ পৰা প্ৰাইমাৰী শিক্ষা চৰকাৰী কৰণ কৰা হৈছে, সেই সময়ৰ শিক্ষামন্ত্ৰীয়ে এই চকীদাৰ সকলোৰ বিষয়টো বিবেচনা কৰা হব বুলি কৈছিল। তেতিয়াৰ পৰা দৰমহা বৃদ্ধি কৰা হব বুলি কৈছিল। প্ৰচেচ কৰা হৈছে বুলি কৈছে। এই প্ৰচেচ ১৯৭৫ চনৰ ৫ নবেম্বৰ তাৰিখৰৰ পৰা কাৰ্য্যকৰী কৰা হবনে ? কি ৰেটত দিয়া হব ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ— তেনেকুৱা দিটেইলচ্ কি হব। ঠিক কৰা হোৱা নাই। গোটেই কথাটো বিবেচিত হৈ আছে। সম্পূৰ্ণ হোৱাৰ পিছত কব পৰা হব।

শ্ৰীগিয়াচুদ্দিন আহম্মেদ ঃ— ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ লগত এই

চকীদাৰ সকলৰ দৰমহাৰ মিল নাই। এই সকলৰ কোনো শ্ৰেণীৰ অন্তভু্ক্ত বুলি ধৰা হৈছে? ৫ম শ্ৰেণীৰ নেকি?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— যদি চেংচন দিয়া হয় তেন্তে ৪ৰ্থ শ্ৰেণীৰ দৰমহা পাব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— আমি মন্ত্ৰীৰ পৰা উত্তৰ বিচাৰিছো। বিষয়াই ভাবে লী কোৱা কথাৰ ওপৰত ভিত্তি কৰি উত্তৰ দিব পাৰে নেকি?

মাননীয় অধ্যক্ষ :— পাৰে।

শ্ৰীঅতুল শইকীয়া :— পৰিপূৰক প্ৰশ্নোত্তৰত মন্ত্ৰী মহোদয়ে কলে যে ৫ম শ্ৰেণীত ধৰা নহব। ভবিষ্যত এই শ্ৰেণীৰ সকলক চতুৰ্থ শ্ৰেণী কৰা হবনে?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— যি কেইটাক ৪ৰ্থ শ্ৰেণীত গণ্য কৰাৰ ব্যৱস্থা লোৱা হৈছে সেই কেইটা কৰা হব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— নশ কেইখন এম, ভি স্কুলৰ ভিতৰত ৬৫৭ খনত চকীদাৰ আছে। বাকী কেইখন স্কুলত চকীদাৰ দিয়াৰ ব্যৱস্থা কৰিবনে?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— এতিয়ালৈকে এই খিনি শেষ কৰাৰ চিন্তা কৰিছো।

শ্ৰীনগেন বৰুৱা :— প্ৰাইমাৰী স্কুল, জুনিয়ৰ বেচিক স্কুল চৰকাৰীকৰণ কৰা হৈছে। শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰা হৈছে।

অন্য সকলে ২১০ টকা দৰ্মহা পাইছে, স্কুলৰ চকীদাৰ সকলে কম দৰমহ পোৱাৰ কি যুক্তি আছে ? ১৯৭৫ চনৰ নবেম্বৰৰ পৰা এই সকলক ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়াল হিচাবে দৰ্মহা দিয়াৰ ব্যৱস্থা হবনে ? চৰকাৰে চুড়ান্ত সিদ্ধান্তত উপনীত হব পাৰিব নে নোৱাৰে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— চাৰ, এই শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰা হৈছে। চকীদাৰ সকলৰ কথাটো আছে।

শ্ৰীসোনেশ্বৰ বৰা :— প্ৰাইমাৰী শিক্ষক সকলৰ লগতে অন্যান্য ষ্টাফৰ চাকৰি চৰকাৰী কৰণ কৰা হৈছে আৰু দা-দৰ্মহা দিয়ে। চকী-দাৰ সকলক কোন এজেন্সীয়ে দা-দৰ্মহা দিছে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— চকীদাৰ সকলক চৰকাৰিকৰণ কৰা হোৱা নাছিল। নাম-চাম দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— কোন এজেন্সীয়ে দা-দৰ্মহা দিছে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— কন্টিনজেন্সীৰ পৰা দিছে।

শ্ৰীহ্লাদ বৰুৱা :— চৰকাৰীকৰণ বিলখন কৰিছে। চকীদাৰৰ কথাটো উল্লেখ কৰা নাছিল। বিধান সভাত এই সম্পৰ্কত আলোচনা হৈছিল। সেই সময়ত শিক্ষামন্ত্ৰীয়ে আশ্বাস দিছিল এই কেচ বিলাক অতি সোনকালে বিবেচনা কৰা হব। এখন স্কুলৰ এজন শিক্ষকে চৰকাৰী নিৰিখত দা-দৰ্মহা পাব আৰু এজন চকীদাৰে ৮০ টকাকৈ পাই গোটেই জীৱন কটাব লাগিব। ইয়াত কোন ধৰণৰ যুক্তি আছে বিবেচনা কৰি চাওক। এই সম্পৰ্কত বিধান সভাত আশ্বাস দিয়া অনু-সৰি চকীদাৰ সকলক ৪ৰ্থ শ্ৰেণী বুলি বিবেচনা কৰি চাকৰি চৰকাৰী-

কৰণ কৰাৰ ক্ষেত্ৰত তৎক্ষণাত সিদ্ধান্ত লবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :— এই বিষয়ে সোনকালে সিদ্ধান্ত লোৱা হব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— ৬৫৭ খনৰ বাহিৰে কিছুমান স্কুলত কিছুমান মানুহক চকীদাৰ হিচাবে কাম কৰাই ৰখা হৈছে। যদি চৰকাৰে সেই মানুহ বিলাকক চকীদাৰ হিচাবে লোৱাৰ কথা নাজানে তেন্তে কোন অধিকাৰৰ বলত এই মানুহ বিলাকক টকা পইচা দি চকীদাৰ হিচাবে কাম কৰিবলৈ দিছে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) — চৰকাৰে নিযুক্তি দিয়াৰ ব্যৱস্থা নাই। কোনোবা কমিটিয়ে যদি নিযুক্তি দিছে আমাৰ দৃষ্টিগোচৰলৈ অহা নাই।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— চৰকাৰক নজমোৱাকৈ কেনেকৈ দিছে ?

ডাঃ ভূমিধৰ বৰ্মণ :— চৰকাৰে কতো দিবলৈ দিয়া নাই।

বিষয় ঃ হাতীমুৰা-বৰঘোপ ব্ৰহ্মপুত্ৰ মথাউৰি

শ্ৰীগোলাপ চন্দ্ৰ বৰুৱাই সুধিছে ঃ

*৮৯। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

(ক) হাতীমুৰা বৰঘোপ ব্ৰহ্মপুত্ৰ মথাউৰিটো খহনীয়া হৈ ভাঙিবলৈ ধৰা কথাটো সচাঁনে ?

(খ) যদি সচা, তেন্তে ইয়াৰ ৰক্ষণাবেক্ষণৰ কি স্থায়ী ব্যৱস্থা লব খুজিছে জনাবনে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮৯। (ক)— এই ঠাইত ব্ৰহ্মপুত্ৰৰ খহনীয়া হৈ আছে যদিও মথাউৰিটো ভাঙিবলৈ ধৰা কথাটো সচঁা।

(খ)— প্ৰশ্ন নুঠে।

শ্ৰীগোলাপ বৰুৱা :— অধ্যক্ষ মহোদয়, হাতীমুৰা আৰু বৰ-ঘোপাৰ মাজত গড়াখহনীয়া হৈ আছে সেই খহনীয়া প্ৰতিৰোধৰ কাৰণে কি ব্যৱস্থা কৰা হৈছে।

শ্ৰীগিৰিন্দ্ৰ নাথ চৌধুৰী (মন্ত্ৰী) :— এইটো চাব লাগিব তথাপিতো মোৰ হাতত থকা খবৰ মতে এইখিয়েই কব পাৰিম ।

The river has eroded 225 mater from 1976-77. If the erosion of the river continues at this rate the present retirement bund may either require protection or further retirement bund. Any of the two I fell is necessary However, this proposal will come up in the next meeting of the Board in Novemer, 1977.

শ্ৰীগোলাপ বৰুৱা :— ১৯৬৪ চনৰ পৰা ১৯৭৫ চনলৈকে যিটো গড়াখহনীয়া দিয়া হৈছে সেইটো এতিয়া খহনীয়া হৈ ৩ নং ৰ মথা-উৰীৰ ওচৰ ছাপি আহিছে কিন্তু তাৰ প্ৰোটেকশ্যনৰ কাৰণে এতিয়ালৈকে

কোনো ব্যৱস্থা কৰা হোৱা নাই কিন্তু যেতিয়া ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই যদি সেই মথাউৰীটোয়ো খহাই তেতিয়া তাৰ কি ব্যৱস্থা কৰা হব?

শ্ৰীগিৰিন্দ্ৰ নাথ চৌধুৰী (মন্ত্ৰী):— এই ৩নং মথাউৰিটো ওচৰত ব্ৰহ্মপুত্ৰৰ খহনীয়া জোৰেৰে হোৱা কথাটো সচা, প্ৰায় ২২৩ মিটাৰ দিঘল, দূৰত্বত আছে এতিয়া ইয়াত ৰিটায়াৰ মার্ণ্ট বান্ধা দিয়া হবনে প্ৰোটেকশ্যন বান্ধ দিবপাৰি সেইটো পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীলীলা বৰা:— ইঞ্জীনিয়াৰিং চাইন্সে কয় নেকি যে দুটা পাহাৰৰ ওচৰা ওচৰি কৈ থকা নদীয়ে পাহাৰৰ ফালে ভাঙি বৈ যাব পাৰে, এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা জানেনে? যদি জানে তাৰ কিবা ব্যৱস্থা কৰিব নে?

শ্ৰীগিৰিন্দ্ৰ নাথ চৌধুৰী (মন্ত্ৰী):— কাগজে পত্ৰে আমাৰ ইঞ্জিনিয়াৰ সকলৰ পৰা যি বুজা গৈছে তাত হাতীমুৰাৰ ওচৰত পানীৰ জোৰ বেচিকৈ চলিছে আৰু খহনীয়াও বেচ হৈছে কিন্তু পাহাৰৰ আচল মুখত এটা পাহাৰ আছে কিন্তু তাত ৪০০ মিটাৰলৈ কোনো গড়াখহনীয়া হোৱা নাই, হাতীমুৰাৰ ওচৰত সেইটো ৰক্ষা কৰিবলৈ চেষ্টা কৰা হৈছে আৰু পাহাৰটোৰ নামানিত নদীৰ শেষৰ ফালে ভেলোচিটি নিৰ্ণয় কৰা হয়, তাৰ পৰা দেখা যায় তাত কোনো ধৰণৰ ইৰোচোন হোৱা নাই, এতিয়ালৈকে ৪০০ মিটাৰৰ কাম কৰা হৈছে।

শ্ৰীলীলা বৰা:— ইঞ্জিনিয়াৰিং চাইন্সত তেনে ধৰণৰ কথা আছে নেকি?

শ্ৰীগিৰিন্দ্ৰ নাথ চৌধুৰী (মন্ত্ৰী):— নিশ্চয় আছে।

শ্ৰীলীলা বৰা :— মই এই কাৰণেই এই কথাষাৰ কব বিচাৰিছোঁ আগতে যেতিয়া ইৰোচোন হয় এই বিভাগে শৃংখলাবন্ধাৰ আগত বান্ধিছে কিন্তু এতিয়া য'ত বান্ধিছে তাৰ আগত বান্ধিবলৈ ওলাইছিল তেতিয়া প্ৰশ্ন কৰোতে তেতিয়াৰ চেয়াৰমেন দত্ত চৌধুৰী য়ে কৈছিল যে সন্মুখলৈ যাব পাৰে আৰু তাৰ পিছলৈ যাব নোৱাৰে কিন্তু এই ক্ষেত্ৰত এতিয়া উলটাই কৰা হৈছে কাৰণেহে চৰকাৰৰ ফালৰ পৰা তেনে ধৰণৰ কথা ভাবি ৰিটায়াৰিং বান্ধৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীগিৰিন্দ্ৰ নাথ চৌধুৰী (মন্ত্ৰী) :— দত্ত চৌধুৰীয়ে কি কৈছে কব নোৱাৰো, ৰিটায়াৰিং বান্ধ তাত দিলে ভাল হব নে পোটেকশ্যন দিলে ভাল হব সেই বিষয়ে পৰীক্ষা কৰি থকা হৈছে, অহা নভেম্বৰ মাহত এইটো কিবা এটা কৰা হব।

শ্ৰীলীলা বৰা :— নভেম্বৰ মাহত ইয়াৰ এটা স্থায়ী ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰা হব নেকি ?

শ্ৰীগিৰিন্দ্ৰ নাথ চৌধুৰী (মন্ত্ৰী) :— ইঞ্জিনিয়াৰ সকলৰ মনোভাব পৰা চাই সেইটো আশা কৰিব পাৰি।

বিষয় : বৰপেটা সংমণ্ডলৰ বেইলি ব্ৰীজ

ডাঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামীয়ে সুধিছে:

* ৯০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গড়কাপ্তানী বিভাগৰ পথ আৰু গৃহ নিৰ্মাণ শাখাৰ বৰপেটা

সংমণ্ডলত "বেলি ব্ৰীজ" নামৰ এক বিশেষ ধৰণৰ মূল্যবান লোৰ দলং আছে নেকি বা আছিল নেকি?

(খ) এই দলংখন কেতিয়া আৰু কিমান মূল্যত কিনা হৈছিল?

(গ) কি উদ্দেশ্যৰে এই দলংখন কিনা হৈছিল?

(ঘ) বৰ্ত্তমান এই দলংখন কি কামত ব্যৱহাৰ কৰা হৈছে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

৯০। (ক)— হয়, আছিল।

(খ)— কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা কৰি দিয়া "বেইলি ব্ৰীজৰ" দুটা Unit ইংৰাজী ১৪।১০।৭৩ তাৰিখৰ পৰা ৩।৩ ৭৬ তাৰিখৰ ভিতৰত পোৱা হৈছে। প্ৰতিটো Unit ৰ মূল্য ৪,২৮,১০৩ টকা (চাৰি লাখ আঠাইশ হাজাৰ এশ তিনি টকা) মাত্ৰ।

(গ)— সমীপস্থ ৰাষ্ট্ৰীয় পথৰ কোনো অংশত সংযোগ বিছিন্ন হলে সাময়িক সংযোগ স্থাপনৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে এই Bridge Unit দুটাৰ ব্যৱস্থা কৰি ৰাখিছে।

(ঘ)— বৰ্ত্তমানে এটা Unit বঙিয়া সংমণ্ডলৰ অধীনত মজুত ৰখা হৈছে। আনটো বৰপেটা ৰোড-মানস অভয়াৰণ্য পথৰ কাপা পানী নৈৰ যোৱা বানপানীত বিধ্বস্ত হোৱা দলংখনৰ ঠাইত সাময়িক সংযোগ স্থাপনৰ কামত ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে।

ডাঃ ৰবীন গোস্বামী ঃ— থিতাতে লোগাই প্ৰাকৃতিক দুৰ্য্যোগত পথ সংযোগ বিচ্ছিন্ন হলে গড়কাপ্তানী বিভাগৰ পৰা সাময়িক সংযোগ স্থাপনৰ

উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে এই দলং খন ব্যৱহাৰ কৰে। এতিয়ালৈকে এই দলংখন কেইবাৰ ব্যৱহাৰ কৰা হৈছে।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :— ইয়াৰ আগতে হোৱা নাই, এই বাৰেই হৈছে।

ডাঃ ৰবীন গোস্বামী :— এতিয়া সেই দলংখন ব্যৱহাৰ হৈছে নে ইয়াৰ অংশ কৰবাত কৰবাত পৰি আছে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :— এখন কালপানীত নিয়া হৈছে আৰু আনখন বিভাগৰ হাতত আছে।

শ্ৰীঅতুল শইকীয়া :— খোৱাংত যেতিয়া ৰাষ্ট্ৰীয় পথ নিশ্চন্য হৈ গৈছে তেতিয়া তাত মিলিটাৰীৰ সহায় লোৱা হৈছে কিন্তু কিয় তাত এই দলং বিলাক ব্যৱহাৰ কৰিব পৰা নাই, কালপানীত সেই দলংখন নি তাত ব্যৱহাৰ কৰোতে ৪৭ ঘণ্টা লাগিব, গতিকেই মই কব খোজো কিয় ইমান দেৰী হ'ল।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :— খোৱাংত যি খন দলং দিয়া হ'ল সেইখন বৰ তত্তাতয়াকৈ দিব লগীয় হোৱাৰ কাৰণে ই মিলি-টাৰীৰ সহায় লবলগীয়া হ'ল। আৰু কালপানীত বাষ্ট্ৰিয় পথ বিচ্ছিন্ন হোৱাৰ কাৰণে অভয়াৰণ্যলৈ যোৱাৰ কাৰণে এই দলংখন তালৈ নিয়া হ'ল

শ্ৰীঅতুল শইকীয়া :— কাৰীকৰী দিশত নৈপুনৰ্ত্তা থকা লোকৰ কাৰণে এই দলংখন ব্যৱহাৰ কৰিবলৈ কিমান সময় লাগিব পাৰে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :— আমাৰ মানুহৰ মতে ২৪ ঘণ্টা সময় লাগে।

ডাঃ ৰবীন গোস্বামী ঃ— এই দলংখনৰ গাথনি আৰু নিৰ্ম্মাণ সম্পৰ্ক বা ইয়াক কেনেকৈ ব্যৱহাৰ কৰিবপাৰি সেইবিষয়ে কাৰোবাক প্ৰশিক্ষণ দিয়া হৈছিল নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ— হৈছিল।

ডাঃ ৰবীন গোস্বামী ঃ— যদি দিয়া হৈছিল তেতিয়াহলে ইমান দেৰী কিয় হ'ল আৰু কামটো কৰিবলৈ কিয় সক্ষম নহ'ল ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ— এতিয়ালৈকে হোৱা নাই।

শ্ৰীনগেন বৰুৱা ঃ— কালপানীত কি কৰিবলৈ নিয়া হৈছে ? প্ৰয়োজনৰ কাৰণে নে কোনো প্ৰয়োজন নাছিল ? কেতিয়া নিয়া হৈছিল আৰু নিয়াৰ পিছত সেইটো ব্যৱহাৰ কৰিব পাৰিছে নে নাই ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ— কালপানীত এখন দলং আছিল সেইখন বানপানীত বিধ্বস্ত হোৱাত মানস অভয়াৰণ্যলৈ যোৱা ৰাষ্ট্ৰিয় পথ বিচ্ছিন্ন হৈ গল, গতিকেই তত্তাতয়কৈ অহাযোৱাৰ কাৰণে সুবিধা কৰিবলৈ সেইটো চিন্তা কৰা হ'ল।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ— মন্ত্ৰী মহোদয়ে প্ৰয়োজন নাই বুলি কৈছে। কিন্তু এনে ধৰণৰ মিলিটাৰী দলং কিছুমান ঠাইত যেনে দলৰহাট, তাত দিয়া হৈছে আৰু কালাপানীত এনে ধৰণৰ দলং দিয়া বুলি কৈছে। মন্ত্ৰী মহোদয়ে কৈছে যে ২৪ ঘণ্টাৰ ভিতৰতে এনে ধৰণৰ দলং দিব পৰা যায়। যদি ২৪ ঘণ্টাৰ ভিতৰতে দিব পৰা যায়, তেতিয়াহলে কালাপানীত বানপানী হৈ যোৱা কিমান দিন হৈ গল এতিয়ালৈকে কিয় এই ধৰণৰ দলং দিব পৰা হোৱা নাই।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) ঃ— এই দলংখন কৰিবলৈ হলে এটা

চাবওৰে কৰিবলগীয়া হয়। চাবওৰেও কৰা হৈছে কিন্তু মাটি বহি যোৱাৰ কাৰণে তাত কংক্ৰিট শ্লেপ কৰিবলগীয়া হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— কিয় তাত এই দলংখন লোৱা হল আৰু এই দলংখন কৰিবলৈ কিমান দিন লাগিব ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) :— যাতায়তৰ সুবিধাৰ কাৰণেই লোৱা হৈছে আৰু এই খন কৰিবলৈ সময় লাগিব।

শ্ৰীমতী তৰুলতা বৰা :— তেখেতে কৈছে যে এই দলং কৰিবলৈ ২৪ ঘণ্টা সময় লাগে। তেনেস্থলত ইমান দিন লগাৰ কাৰণ কি ? মোৰ আৰু এটা প্ৰশ্ন হৈছে যে এনেধৰণৰ দলং বানপানীয়ে ভঙাৰ পিচত কিমান খন কৰিব বুলি ভাবিছে ?

শ্ৰীইন্দ্ৰেশ্বৰ থাউণ্ড (মন্ত্ৰী) :- বেলি ব্ৰীজ ৰাষ্ট্ৰীয় ব্যৱহাৰৰ কাৰণে দিছে। ৰাষ্ট্ৰীয় পথত ব্ৰিচ হলে বেলি ব্ৰীজ দিয়া হয়। এতিয়া মানস অভয়াৰণ্যৰ কালা পানীত এই দলং দিয়া হৈছে। ইয়াৰ কাৰণে মানুহে প্ৰশিক্ষণ লৈ আহিছে।

শ্ৰীমতী তৰুলতা বৰা :— বানপানীয়ে দলং ভাঙি নিয়াৰ পিচত এই ধৰণৰ কিমান খন দলং নিৰ্ম্মাণ কৰা হৈছে ? কি কাৰণত এনে ধৰণৰ দলং বিলাক দিব নোৱাৰি পেলাই ৰখা হৈছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :— কালাপানীত প্ৰথম কৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :— এই দলং বিলাকৰ ৰক্ষণা বেক্ষণৰ কাৰণে কিমান টকা খৰছ কৰা হৈছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) :— ৰক্ষণা বেক্ষণৰ খৰচ নাই। ইয়াৰ কাৰণে এটা ষ্টৰ নিৰ্ম্মাণ কৰিবলৈ বন্দবস্ত কৰা হৈছে।

Starred question No. 91 was not put member being absent—

বিষয় ঃ ফেৰীত যাত্ৰী, বয়–বস্তু আদি পাৰ কৰাৰ ভাড়া

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে সুধিছে ঃ

*৯২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰ কৰি জনাবনে—

(ক) অসম পৰিবহন বিভাগৰ দ্বাৰা পৰিচালিত সকলো অসমৰ ফেৰী ঘাটৰ মানুহ বয়-বস্তু বেহানিৰ ঘাটত পাৰ কৰা খাজনা একে সমানে আদায় কৰা হয় নে ?

(খ) উক্ত খাজনা হাৰৰ এখন তালিকা ধুবুৰী মহকুমাৰ ঘাটৰ খাজানাৰ হাৰৰ সৈতে দিবনে ?

শ্ৰীউপেন্দ্ৰ দাস (পৰিবহন বিভাগৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯২। (ক) — একে সমান হাৰত আদায় কৰা হয়। আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ অধীনত চলি থকা সমূহ ফেৰী ঘাটৰ দূৰত্ব অনুযায়ী প্ৰতি কিলোমিটাৰৰ ওপৰত ভিত্তি কৰি যাত্ৰী মাল-বস্তুৰ ভাড়া নিৰ্দ্ধাৰিত কৰা হয়। গতিকে ইটো ঘাটৰ লগত সিটো ঘটাৰ লগত ভাড়া অমিল হয়।

(খ)— ভাড়া তালিকাৰ প্ৰতিলিপি সদনৰ মেজত ৰখা হল।

শ্ৰীআব্দুল চৌধুৰী :— মন্ত্ৰীমহোদয়ে কৈছে যে একে সমান হাৰত কৰ আদায় কৰা হয়। কিন্তু মই জানিব বিচাৰিছো যে ২৬ মে ৭৬

গেজেটত, প্ৰকাশ হোৱা ৫০০ হাৰাত কি ধুবুৰী ফকিৰাগ্ৰাম ফেৰিঘাটৰ হাৰ কমাই দিলে পিচত দিয়া অন্য ঘাটৰ কিয় কমাই নিদিলে ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী ) :— ধুবুৰী ফকিৰগ্ৰাম ঘাটৰ গ্ৰেজেট নোটিফিকেচন মতে ১'৫০ পইচা কৰা হল আৰু ফেব্ৰুৱাৰীত এইটো ৰিভাইচ কৰিব' ০'৯০ টকা কৰা হল। পিচত পুনৰ চাৰভে কৰি নিৰ্ণয় কৰা হৈছে ।

শ্ৰীগিয়াচদ্দিন আহমেদ :— ১'৫০ টকা কি ভিত্তিত কৰা হৈছিল ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী ) :— আগেয়ে চাৰভে কৰিয়েই কৰা হৈছিল । পিচত পুনৰ চাৰভে কৰা হয় ।

শ্ৰীমতী ভকলতা বৰা :— এই চৰকাৰী জাননী মতে দুটা ৰেট দিয়া হৈছিল । এটা বৰ্ষা কালৰ কাৰণে আৰু এটা খৰালি কালৰ কাৰণে । এই দুয়োটা ৰেট ভিত্তিত কৰা হৈছে ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী ):— প্ৰত্যেক কিঃ মিঃ '১০ পইচাকৈ ভাড়া নিৰ্ণয় কৰা হৈছে । ইটো ঘাটৰ পৰা যিটো ঘাটৰ দূৰত্ব নিৰ্ণয় কৰি সেই অনুপাতে ভাড়া নিৰ্ণয় কৰা হয় ।

শ্ৰমতী ভকলতা বৰা :— দূৰত্ব নিৰ্ণয় কৰি ভাড়া নিৰ্ণয় কৰা হয় । মই এটা কথা জানিব বিচাৰিছো যে বৰ্ষা কালৰ কাৰণে আৰু খৰালি কালৰ কাৰণে যি দুটা ৰেট কৰা হৈছে সেই দুটা ৰেট কি ভিত্তিত কৰা হৈছে ? গোটেই বছৰত একেটা ৰেটতে ভাড়া লোৱাৰ ব্যৱস্থা কৰিব নোৱাৰিলে ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী :— 'দুয়াটা ৰেটৰ এভাৰেজ ওললিয়াই

দূৰত্ব হিচাবে এটাহে ভাড়া লোৱা হয় ।

শ্ৰীমতী ভক্তলতা বৰা :— মোৰ কথাটো হৈছে দুটা ৰেট হোৱাৰ কাৰণে জনসাধাৰণে বেচি ৰেটত ভাড়া দিবলৈ ইচ্ছা নকৰে । গতিকে দুটা ৰেট নকৰি এটা ৰেট কৰিব নোৱাৰিনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— মই কৈছোৱেই যে দুটা ৰেটত ভাড়া লোৱা নহয় ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মানুহৰ ভাড়াৰ কথা মন্ত্ৰী মহোদয়ে কৈছে । কিন্তু বস্তু বাহানিৰ ভাড়া কিমান জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— এই সম্পৰ্কত সকলো তথ্যপাতি সদনৰ মেজত ৰখা হৈছে ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— বয় বস্তুৰ ৰেট কিমান দিব নোৱাৰেনে ?

শ্ৰীনগেন বৰুৱা :— গৰু মহৰ কিমানকৈ লয় ।

মাননীয় অধ্যক্ষ :— টেবুলত দিয়া আছে ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— টেবুলত খাজনাৰ তালিকা এখনহে দিয়া হৈছে । ইয়াত বয় বস্তুৰ ৰেটৰ কথা দিয়া নাই ।

শ্ৰীজগদীশ দাস :— জন্তুৰ ভাড়া কিমানকৈ লয় জনাবনে ?

মিঃ স্পীকাৰ :— টেবুলত দিয়া আছে ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— বয়বস্তুৰ ভাড়া ওজন হিচাবে লোৱা হয়নে টোপোলা হিচাবে লোৱা হয় ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— ডজন হিচাবে লোৱা হয়, টোপোলা। হিচাবে লোৱা নহয়। গৰু, মহ ছাগলীৰ ভাড়া বেলেগ বেলেগ ৰেটত লোৱা হয়।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— এক কুন্টলত কিমানকৈ লয়?

শ্ৰীউপেন দাস (মন্ত্ৰী) :— ('90 per person. amended as per ficationnoti No. TWT. 120/75/237 dated 18.2.77, ) এই ৰেটত দিয়া হয়। এই ভাৱা প্ৰত্যেক ঘাটত বেলেগ বেলেগকৈ লোৱা হয়।

শ্ৰীনগেন বৰুৱা :— গৰু মহৰ কিমানকৈ লয়?

মিঃ স্পীকাৰ :— এক্সট্ৰা অৰ্দিনাৰী গেজেট সকলোৱেই পাইছে। গতিকে কৰ নালাগে।

Starred Questions No. 93,94,95 and 96 Were not pnt Members being absent.

বিষয় :— গোৱালপাৰা জিলাৰ স্থকীয়া কলা-কৃষ্টি

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানীয়ে সুধিছে :—

*৯৭। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) গোৱালপাৰা জিলাৰ স্থকীয়া কলা-কৃষ্টীৰ প্ৰতি চৰকাৰে বিশেষ

ভাবে চকু দিয়া নাই সচাঁনে ?

(খ) গোৱালপাৰা জিলাৰ লোকগীত আৰু নাচ গানৰ বাবে আৰু ইয়াৰ উল্লেখযোগ্য ভাৱে উন্নয়ন কৰাৰ কোনো চৰকাৰে হাতত লৈছেনে ?

(গ) অসমৰ পশ্চিম প্ৰান্তত থকা অঞ্চল হিচাবে ঘুল্যা পৰগনাৰ কলা-কৃষ্টি পশ্চিমবংগ আৰু বাংলা দেশৰ কলা-কৃষ্টিৰ লগত সংঘসৰ সন্মুখীন হোৱা কথটো চৰকাৰে জানেনে ?

(ঘ) যদি জানে, তেন্তে, কলা-কৃষ্টি ৰক্ষাৰ আৰু শ্ৰীবৃদ্ধিৰ বাবে উক্ত অঞ্চলত এটা কৃষ্টি প্ৰেক্ষাগৃহ নিৰ্ম্মাণৰ মঞ্জুৰী দিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( সাংস্কৃতিক বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

৯৭। (ক) —নহয় ।

(খ)— স্থানীয় অনুষ্ঠানৰ যোগেদি লোৱা হৈছে ।

(গ)— সাংস্কৃতিৰ বিষয়ত সংঘাতৰ কোনো খবৰ পোৱা নাই ।

(ঘ)— প্ৰশ্ন নুঠে ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— মাননীয় অধ্যক্ষ মহোদয়, অন্যান ঠাইত নাচগান বিলাক বাহিৰত যেনেকৈ 'ৰিপেজেন্ট' কৰা হয় তেনেকৈ গোৱালপাৰা জিলাৰ নৃত্যগীত বিলাক বাহিৰত পৰিবেশন কৰা নহয়, এই কথাটো সচাঁনে ? যদি সচাঁ নহয় তেন্তিয়াহলে, কি কি নৃত্যগীত বা সংস্কৃতি বাহিৰত পৰিবেশিত হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) :— গোৱালপাৰা জিলাৰ কলা-

সংস্কৃতিহে বাহিৰত বেছিকৈ প্ৰদৰ্শিত হয়। যেনে,-- মইনামতী শিল্পী সমাজে (বিনাদীপাৰাৰ)— ১৯৭২ চনত নতুন দিল্লীত, ১৯৭৩ চনত গুৱাহাটীত, ১৯৭৫ চনত নতুন দিল্লীৰ অসম এচোছিয়েশ্বনৰ ৰূপালী জয়ন্তীত; অৰুণাচলৰ জৰগুড হোৱা মপিন উৎসৱত, কলিকতাত হোৱা লোকনৃত্য সমাৰোহত আৰু গুৱাহাটীত হোৱা উত্তৰ পূৰ্ব ভাৰতৰ সংস্কৃতিক সমাৰোহত অংশ গ্ৰহণ কৰিছিল। এই দলটোৱে উত্তৰ পূৰ্ব ভাৰতৰ সাংস্কৃতিৰ সমাৰোহত অংশ গ্ৰহণ কৰে।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী :— একমাত্ৰ মইনামতীৰ বাহিৰে বাকী যি বিলাক শিল্প সমাজ আছে সেইবিলাক শিল্পী সমজৰ বিশেষক পশ্চিম গোৱালপাৰাত থকা - প্ৰচলিত পশ্চিম কলা-সংস্কৃতবিলাক দেখুৱা হোৱা নাই।

শ্ৰীগিয়চুদ্দিন আহমেদ :— লগতে মইও এটা কথা যোগ দিব খুজিছোঁ বিলাসীপাৰাৰ ক্ষেত্ৰত কি ক্ৰুটীবিচ্যুতি মাননীয় সদস্য জনে পাইছে ?

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— মই: কব খুজিছো, মইনামতীৰ বাহিৰে বাকী যিবিলাক কোনো চিম্পেথি দেখুৱা হোৱা নাই।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— মই গোৱালপাৰা জিলা কথাহে কৈছো।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী :— (ঘ) প্ৰশ্নোত্তৰৰ সন্দৰ্ভত মই মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব খুজিছিল যে, চৰকাৰৰ ওচৰত এই বিষয়ে আবেদন নিবেদন কৰা হৈছিলনে নাই ? যদি কৰা হৈছিল তেতিয়াহলে, চৰকাৰে এইটো বিবেচনা কৰি প্ৰেক্ষাগৃহ নিৰ্মাণৰ কামটোৰ ব্যৱস্থা কৰিছানে নাই ?

( কোনো উত্তৰ নাই )

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— গোৱালপাৰা জিলাৰ লোকসংস্কৃতি অত্যন্ত চহকী। ভাত কিবা ত্ৰুটি বিচ্যুতি থাকিলে বৰ বেয়া কথা হব। মাননীয় সদস্য কেইজন মানক পৰামৰ্শ দাতা হিচাবে লবনে ?

( কোনো উত্তৰ নাই ।

শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত :— গোৱালপাৰা জিলাৰ কৃষ্টি সংস্কৃতিৰ লগত অন্য আইন কৃষ্টি সংস্কৃতিৰ কোনো পৰামৰ্শ নাই। বিভিন্ন ঠাই আৰু বিভিন্ন সমাজৰ যিবিলাক প্ৰান্তীয় সংস্কৃতি আদি সেই সমাজ বিলাকে ৰক্ষণাবেষণ দি আহিছে । যদি বিভিন্ন কলা সংস্কৃতিৰ জৰিয়তে বিভিন্ন সমাজ বা শ্ৰেণীবোৰ চিনাক্তকৰণ হৈছেনে নাই ? যদি হৈছে তেতিয়াহলে সেই যিবিলাক সংস্কৃতিৰ উন্নয়ণ আৰু ৰক্ষণাবেষণৰ কাৰণে কি কি ব্যৱস্থা হাতত চৰকাৰে লৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী )--- লোৱা হৈছে ।

শ্ৰীগুনেন্দ্ৰ নথ পণ্ডিত :— সমানে সকলোৱে ট্ৰিটমেণ্ট পাইছেনে নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :- সংবাত পশ্চিম বঙ্গৰ লগতেহে হৈছিল।

Starred Question No. 98 was not put Member being absent

বিষয় :— যোৰহাটত বানপানী

ডঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামীয়ে সুধিছে :—

*৯৯। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৭ চনৰ ২৯ মেৰ ৰাতিপুৱাৰ পৰা ভোগদৈ আৰু টোকলাই নদীৰ বানপানীৰ ফলত যোৰহাটত বিপৰ্য্যয় হৈছিল নেকি ?

(খ) বানপানীৰ কাৰণ সম্পৰ্কে চৰকাৰে অনুসন্ধান কৰি কি পালে ?

(গ) ইয়াৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

৯৯। (ক) — টোকলাই নদীৰ বানপানীয়েহে বিপৰ্য্যয় ঘটাইছিল, ভোগদৈয়ৰ পানী নগৰত সোমোৱা নাছিল।

(খ) — টোকলাইৰ উজনি অঞ্চলত হঠাতে ৮ (আঠ) ঘণ্টাৰ ভিতৰত ৩৪ চেণ্টিমিটাৰ (১৩.৪ ইঞ্চি) বৰষুণ হয়। টোকলাই নদীয়ে এই অতিৰিক্ত বৰষুণৰ পানী বহন কৰিব নোৱাৰাত পাৰ বাগৰি যোৰহাট নগৰ বুৰাই পেলায়।

(গ) — প্ৰতিকাৰৰ বাবে উপযুক্ত ব্যৱস্থা হাতত লবলৈ বিশদ জৰীপ চলি আছে।

ডঃ ৰবীন গোস্বামী :— মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, টোকোলাই নদীয়ে এই অতিৰিক্ত বৰষুণৰ পানী বহন কৰিব নোৱাৰাত পাৰ বাগৰি যোৰহাট নগৰ বুৰাই পেলায়। কি কাৰণে বহন কৰিব নোৱাৰিলে আৰু যাৰ ফলত এই অৱস্থাটো হল ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আগতে এই

নদীখন ৩০ মিটাৰ আছিল কিন্তু এর্নক্রচমেণ্টৰ ফলত ৬ মিটাৰ হলগৈ। কন্‌চাল্‌টেন্সয়ে এইটো এড্‌মিট্‌ কৰিছে এতিয়া বহলৰ কথাটো চাৰ্জে কৰি আছে।

ডঃ ৰবীন গোস্বামী :— বেদখল কৰি দুয়োফালৰ পৰাই মৰদুৱাৰ আদিসাজি এই নদীখন থেককৰি পেলালে। এই ক্ষেত্ৰত সময় মতে কিয় ব্যৱস্থা লব নোৱাৰিলে ?

শ্ৰীগিৰিন্দ্ৰ নাথ চৌধুৰী ( মন্ত্ৰী ) :— আগতে এইটো কিয় কৰিব নোৱাৰিলে সেইটো নেজানিলো কিন্তু এতিয়া এইটো কৰিবৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— বেদখলি লোকক খেদিব নোৱাৰি সেই ঠাইখিনিৰ ব্যৱসায়ী লোকক সোধাইদি এতিয়া অন্য ফালেদি বিয় স্তুতি কাটিবলগীয়া হৈছে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী ( মন্ত্ৰী ) :— মই কব নোৱাৰিম। ইঞ্জিনিয়াৰ সকলে কোৱা নাই।

শ্ৰীসোনেশ্বৰ বৰা :— ইঞ্জিনিয়াৰে কব নোৱাৰে, চৰকাৰে কব লাগিব।

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী ( মন্ত্ৰী ) :— সেইটো কব পৰা নাই। বৰ্তমান ভোগদৈত পেলাবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। বাকীখিনি চৰকাৰৰ বিভাগৰ কথা, কি কৰিছে নেজানো।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— জৰুৰী অৱস্থাৰ সোযোগ লৈ ৰাস্তাৰ দুয়োকাষৰ ঘৰ-দুৱাৰ বিলাক ভাঙি মুকলি কৰিলে। কিন্তু এই

এনক্ৰেচমেণ্ট বন্ধ কৰিব নোৱাৰিলে। বানবিভাগে এতিয়া এই নদীখন এনক্ৰেচমেণ্ট পৰা মুকলি কৰিবৰ কাৰণে কি ব্যৱস্থা কৰিছে।

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী :— যোৰহাটৰ এই কথাটো ১০০ বছৰৰ মূৰত হোৱা ঘটনা। আকৌ ১০০ বছৰৰ মূৰতহে হোৱাৰ সম্ভাৱনা। এইটো বেয়েৰ ঘটনা। এইবিলাক সম্বন্ধে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লোৱা হৈছে।

Mr. Speaker :— Question hour is over. is Let come to item two.

Shri Md. Idris (Minister, Finance) :— Sir, on the recommendation of Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 63,842/- be granted to the Minister in-charge for meeting certain excess expenditure during the year 31st March, 1967 for the administration of the Head "10 State Excise"

Mr. Speaker :— The Grant moved.

* Shri Badan Chandra Talukdar :— Mr. Speaker, Sir, the Demand is for 1966-67, that is after a lapse of about 10 years. Sir, this Excess Demand for which so many years have elapsed and that too has come

*Speech not corrected

after the recommendations of the Public Accounts Committee. The recommendations and the report of the Public Accounts Committee was submitted in the year, 1976 in the month of April, and after the submission of the report of the PAC, two sessions have also been elapsed, but the government could not bring this Excess Demand for ratification or approval of the House. It is a greant negligence on the part of the Government to come with this Excess Grant which is clearly violating the provisions of the Constitution and the Ruls of Procedure and Conduct of Business of the House. In the Explanatory Notes, it is stated "The Excess expenditure was due to payment of D A, increase in the number of excise raids as a result of intensive drives undertaken and for incurring expenditure by the Police department for maintenance of armed forces meant for Excise Deptt. Additional provision of Rs. 37,000, was obtained for payment of DA but that proved inadequate. The excess expenditure on account of excise raids undertaken during the later part of the year could not be anticipated and so no provision could be made. As regards expenditure incurred by Police department provision could not be made for want of information in time. Hence the demand for excess grant."

From the Explanatory Notes, it appears, though the plea was taken for this on a/c of payment of D A, excise raids, maintenance of armed forces, for intensive drive, it cannot be said that this demand could not be anticipated, because the expenditure on a/c fo deployment of armed forces and excise raids were known to the Government. Anywhy, this expenditure could have been maet by the Supplementary Demand of from the next year,s budget. But for long 10 years this was not done.

(At 11. 5 a.m. Mr. Speaker vacated the chair and the chairman, Shri Giasuddin Ahmed occupied the same).

Sir, this Excess Grants were not ratified or brought to the notice of the House ; so it is a grant lapse on the part of the Govt. and that is why I oppoce this Grant.

* শ্ৰীনগেন বৰুৱা :— মাননীয় সভাপতি মহোদয়ে, মই আমাৰ চৰকাৰে এতিয়া একচেচ ডিমাণ্ডৰ সম্পৰ্কত ১৯৬৬-৬৭ চনৰ কাৰণে যি দাবী উত্থাপন কৰিছে সেই সম্পৰ্কত চৰকাৰৰ যি কাৰ্য্যব্যৱস্থা তাৰ মোৰ প্ৰতিবাদ কৰিছোঁ। আজি যি লেহেম গতিৰে চৰকাৰে কাৰ্য্য পৰিচালনা কৰিছে সেইখিনি এই প্ৰান্তৰ পৰাই পোৱা যায়। আজি যোৱা ১০,১২

বছৰ আগতে বিভিন্ন শিতানত যি বিলাক টকা খৰচ কৰিছিল, তাত দেখুৱা হৈছে, ব্যাখ্যা কৰা হৈছে যে, বানপানীয়ে ঘৰ-বাৰী মঠাউৰী আদি ভাঙিলে আৰু টকাৰ অতিৰিক্ত প্ৰয়োজন হল, গতিকে এইটকা খৰচ কৰা হল। ঠিক সেই ধৰণেই পুলিচ আৰু অন্যান্য কাৰণত বাজেটত নধৰাকৈয়ে টকা খৰচ কৰা হল। ডি চিয়ে কৰবাত মাটিৰ মূল্য দিব লগা হোৱাত বাজেটত নধৰাকৈয়ে টকা খৰচ কৰা হল। প্ৰতি বছৰে বাজেটত নধৰা টকা খৰচ কৰা ক্ষেত্ৰত সংবিধানতো এটা বাধা আছে। সেই বাধাকো নেওঁচা দি চৰকাৰে টকা খিনি খৰচ কৰিলে। সেইটোৰ দ্বাৰা সংবিধান উলংঘা কৰা হৈছে। যি খিনি অতিৰিক্ত টকা খৰচ কৰা হৈছিল সেইখিনিৰ মঞ্জুৰী পিচৰ বছৰৰ বিধানসভাত লব-লাগিছিল। কিন্তু লবনোৱাৰিলে। চৰকাৰ এই ক্ষেত্ৰত 'লেপ্স' কৰিলে। চৰকাৰৰ বিভিন্ন বিভাগ আছে। এই অপৰাধটো হৈছে সেই বিভাগ বিলাকৰ। তাৰোপৰি তেওঁলোকে এই খিনি নিজে দেখা নাপালে, পাব্লিক একাউণ্টচ কমিতিয়েহে এই কথাখিনি ধৰা পেলালে। তেতিয়াহে এইবিলাক চৰকাৰৰ বিভাগবিলাকৰ দৃষ্টিলৈ আহিছে। চৰকাৰৰ এইখিনি ধৰা পেলালে পাব্লিক একাউণ্টচ কমিটিয়ে বহুত বছৰৰ পিচত। কিন্তু আজি ৮।৯ বছৰ ধৰি চৰকাৰৰ বিভিন্ন বিভাগত যিবিলাক ব্যৱস্থা বিত্ত বিভাগত আছে বা যিটো বিভাগে বাজেট তৈয়াৰ কৰে সেই বিভাগ-বিলাকৰ পৰা বিভিন্ন সময়ৰ ৰিপৰ্ট যেতিয়া আহে সেইবিলাকৰ ওপৰত ভিত্তি কৰি চৰকাৰে মূল বাজেট বা পৰিপুৰক বাজেট ইমান দিনে স্থিৰ কৰিব নোৱাৰিলে এইটো নিশ্চয় চৰকাৰৰ এটা অক্ষমতাৰ কাৰণ। এইটোৰ কৈফিয়ৎ চৰকাৰে বিধান সভাৰ মজিয়াত ইমানদিনে দিব পৰা নাই। আজি পাব্লিক একাউণ্টচ কমিটিৰ ৰিকমেণ্ডেচনৰ কাৰণেহে বিধান সভালৈ এই একচেচ ডিমাণ্ড অনুমোদনৰ বাবে আহিছে। অৰ্থাৎ পি,

এ, চিয়ে এই একচেচ ডিমাণ্ডটোৰ ক্ষেত্ৰত কিছুমান বেমেজালি পৰিলক্ষিত হোৱাৰ বাহে ৰিকামণ্ডেচন দিব পৰা নাই আৰু তাৰ বাবে আজি বিধান সভালৈ অনুমোদনৰ কাৰণে আহিছে। দ্বিতীয় কথা হল আমাৰ পাব্লিক একাউণ্টচ কমিটিয়ে ১৯৭৬ চনতে যেতিয়া প্ৰতিবেদন দাখিল কৰিছিল তেতিয়া এই কথা আলোচনা হৈছিল। সেইখিনি সময়ত পি,এ, চিয়ে গোটেইবিলাক ৰিপৰ্ট বিধান সভাত দাখিল কৰাৰ পিচতো ১৯৭৬ চনত চেপ্তেম্বৰ মাহত এখন বিধান সভা বহিছিল সেই বিধান সভাৰ সময়তো এইখিনি কথা আহিছিল কিন্তু এই চৰকাৰে সেইখিনি সময়তো এই খৰচৰ কথা আমাক দিব নোৱাৰিলে। তাৰ পাছতো ১৯৭৬-৭৭ চনৰ মাৰ্চ মাহত যেতিয়া দীঘলীয়া বাজেট অধিবেশন বহিছিল সেই সময়তো দিব পাৰিলেহেতেন এতিয়া দেখা গল যে যি খিনি সময়ত বিধান সভাৰ অনুমোদনৰ কাৰণে বাজেটৰ বিষয়ে বিতংভাবে আলোচনা কৰা হয় সেই সময়ছোৱাত এই খিনি কথা দিব নোৱাৰিলে। তাৰ ফলত আজি এইটো কথা প্ৰতীয়মান হৈছে যে চৰকাৰৰ কাম কৰাৰ যিটো অমনযোগিতা আৰু কামৰ যিটো অক্ষমতা বা দক্ষতাহীনতা সেই অদক্ষতা প্ৰমাণিত হৈছে। তাৰোপৰি চৰকাৰে যিখিনি কাম নিৰ্দ্দিষ্ট ভাবে কৰিব লাগিছিল সেইখিনিও নকৰিলে তাৰ ফলত আজি পাব্লিক একাউণ্টচ কমিটিৰ ৰিপৰ্টত একচেচ ডিমাণ্ডৰ ক্ষেত্ৰত এইখিনি কথা আহিছে। এইটো সচাকৈ সংবিধান বিৰোধী কাম হৈছে। সংবিধান সংশোধনৰ আলোচনাত সময়তো চৰকাৰে এই কামৰ মঞ্জুৰী লব লাগিছিল কিন্তু তেতিয়াও অনুমোদন লোৱা নহল। জৰুৰী অৱস্থাৰ সময়তো চৰকাৰে কৈছিল। কামৰ দক্ষতা বঢ়াবৰ কাৰণে আৰু প্ৰশাসনযন্ত্ৰৰ দক্ষতা আনিবৰ কাৰণে জৰুৰী অৱস্থা অনা হৈছে এইবিলাক নানা কথাৰ অৱতাৰণা কৰাৰ পাছতো আৰু চৰকাৰৰ দুটা দীঘলীয়া অধিবেশন বহি যোৱাৰ

পাছত্তো এই একচেচ ডিমাণ্ডৰ কথা কিয় আনিব নোৱাৰিলে ? আজি ইয়াৰ কৈফিয়ৎ দিব লাগিব। চৰকাৰে যিবিলাকে লেপচ. কৰিলে আৰু য'ত সংবিধান উলংঘা কৰিছে তাৰ কৈফিয়ৎ দিব লাগিব। তাৰোপৰি সময়ে সময়ে যিবিলাক অতিৰিক্ত বাজেট হয় সেইবিলাক সংবিধান অনু-যায়ী বিধান সভাৰ অনুমোদন লব লাগে কিন্তু আজি ১ বছৰ নহয় ২ বছৰ নহয় সম্পূৰ্ণ ১০ বছৰ পাৰ হৈ গল, তাৰ পাছত্তো মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে বিত্ত বিভাগত থাকি তেখেতে কিয় কৰিব নোৱাৰিলে ? আমাৰ প্ৰশাসনযন্ত্ৰত ১৯৬৬-৬৭ চনত হয়তো তেখেত শাসনত নাছিল ? নাথাকিলেও কিন্তু দল একেতাই আছিল সেইহিচাবে তেখেত দায়িত্বশীল সেই কাৰণে কোনো কৈফিয়ৎ নোহোৱাকৈ আমি এৰি দিব নোৱাৰো। ১৯৬৭ চনৰ পৰা মুখ্যমন্ত্ৰী ডাঙৰীয়া নিজেই বিত্ত বিভাগৰ দায়িত্বত, আছে গতিকে এই বিভাগে যিখিনি টকা এনে ধৰণে ললে বা ৰাখিলে খৰছ কৰিলে সেইবিলাকৰ অনুমোদন বিধান সভাৰ অৱিয়তে কিয় সময়-মতে নটিচত আনিব নোৱাৰিলে আৰু এই একচেচ ডিমাণ্ডৰ কাৰণে কিয় বিধান সভাৰ মঞ্জিয়ালৈ আনিব লগা হল ? আমি দাবী কৰিছো লগতে আপত্তিও কৰিছো যে তেখেত সকলে সংবিধান উলংঘা কৰাৰ কাৰণে ৰাজ্যৰ বাবে বিৰাট অপৰাধ কৰিছে আজি তাৰ উত্তৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই দিব বুলি আশা ৰাখিলোঁ।

শ্ৰীপিটচিং কোৰঁৰ :— মাননীয় সভাপতি মহোদয়, আমাৰ বিত্ত মন্ত্ৰীয়ে ৬৮,৮৪২ টকা আগতেই খৰছ কৰি এতিয়া তাৰ গভ্যন্তৰ বিছাৰিছে। টকা আগতেই খৰছ কৰি আজি দেখুৱাইছে ডি, এ, একচাইজ ডিউটি আদিত অধিক দিব লগীয়া হৈছে বুলি। গতিকে কেনে ধৰণে টকা হজম কৰিছে আপোনালোকে ভাবি চাওক : টকা আগতেই খৰচ

কৰি এতিয়া বিচাৰিছে তাৰ অনুমোদন। পুলিচ বিভাগে পহৰা দিবৰ কাৰণে এতিয়া ৬৮ হেজাৰ ৮৪২ টকা বিধান সভাত গৃহীত কৰাই লব বিচাৰিছে। এই টকা কাহানিবাই খৰছ কৰিলে। আচলতে ১৯৬৭ চনৰ ৩১ মাৰ্চৰ টকা আজি ১৯৭৭ চনৰ ১৪ নবেম্বৰত গৃহীত কৰাই লব বিচাৰিছে। এইটো টকা মিচ-এপ্ৰপ্ৰিয়েচন কৰিছে। এইদৰে যিথিনি টকা খৰচ কৰিলে সেইথিনি বাজেটৰ অনুমোদন নোহোৱাকৈ খৰছ কৰিছে। পুলিচৰ পহৰা আদিত খৰছ কৰা বুলি কৈছে কিন্তু মন্ত্ৰী ডাঙৰীয়াই ১৯৬৭ চনৰ টকা এতিয়ালৈকে গৃহীত কৰাই লব নোৱাৰিলে। এইটো আচলতে অপচয় নহয় আত্মসাৎ কৰিছে। সেই টকা আজি ১০ বছৰৰ পাছত পাছ কৰিবলৈ আহিছে। ইয়াৰ বাবে দায়ী কোন? যিজনে আগতে কৰিব নোৱাৰিলে তাৰ পাছত যি জনে আহি সেই দায়িত্ব ললে, বিশেষকৈ আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া নিজেই তেতিয়া বিত্ত বিভাগৰ দায়িত্ব লৈছিল, গতিকে ইয়াৰ বাবে তেখেত আৰু তেখেতৰ চৰকাৰ সম্পূৰ্ণ দায়ী তেখেতে কিয় তেতিয়া এইথিনি টকা গৃহীত কৰাই লব নোৱাৰিলে। পুলিচে ৰেইড কৰিবলৈ গৈছে প্ৰকৃততে যিজনক ৰেইড কৰিব লাগে তাক কৰা নাই তাৰো পৰ যিমান ৰেইড কৰিব লাগে সিমানখিনি কৰা নাই বা যি সকল লোকক ৰেইড কৰিব লাগিছিল সেই সকলক ধৰা হোৱা নাই। বৰঞ্চ আলি বাটত ঘুৰি ফুৰি অনাহকত টকা খৰচ কৰিছে। দুখৰ কথা হল টকা খিনি আগতেই খৰচ কৰিলে সেই কাৰণে কাৰ্য্যতেই খৰচ কৰিলে নে অকাৰ্য্যত খৰচ কৰিলে আমাক জনাব লাগে। গতিকে চৰকাৰে আজি ১০ বছৰেও যিটো কামৰ বাবে টকা গৃহীত কৰাই লব নোৱাৰিলে সেইটো চৰকাৰ নথকাই ভাল আৰু সেইটো চৰকাৰৰ কোনো আৱশ্যক নাই। যিহেতু কামৰ যদি মানুহ নহয় তেতিয়াহলে তেনে চৰকাৰ আমাক নালাগে।

যিখিনি লেপচ হৈছে হবলৈ দিয়ক পিচৰ জনে আহি সেইবিলাক কৰিব। সকলো ফালৰ পৰা দেখিবলৈ পাইছো ৰাইজৰ মন বদলি গৈছে গতিকে চৰকাৰো বদলি হব লাগে। কিন্তু আমাৰ দাবী হৈছে ৰেইড কৰাৰ নামত আগতে আপোনালোকে টকা খৰচ কৰিলে - আৰু সেই সময়তো এই কথা উত্থাপন হৈছিল তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়া বিত্তবিভাগৰ দায়িত্বত আছিল কিন্তু কিয় তেতিয়া গৃহীত কৰি লব নোৱাৰিলে ? এইটো ১৯৬৭ চনৰ কথা আৰু আজি ১৯৭৭ চন। এই সম্পূৰ্ণ ১০ টা বছৰ পাহৰি থকাটো একেবাৰে অন্যায় হৈছে। বেমাৰী মানুহে যেনেকৈ কাম কৰিব নোৱাৰে বা ভাবিব নোৱাৰে তেনেকৈ এই চৰকাৰৰ আজি বেমাৰ হৈছে পেৰেলাচিচ্ বেমাৰ। গতিকে আজি ১০ বছৰে কিয় গৃহীত কৰিব নোৱাৰিলে তাৰ সকলো কথা বিত্তমন্ত্ৰীয়ে দিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিলোঁ।

* Shri Md. Idris, :— Mr. Chairman, Sir. a very pertinent point was raised by the Hon'ble Member in the discussion that this measure has no constitutional coverage. Sir, at the outset I would like to submit that this matter was agitated in the floor of the house on an earlier occation also. On that day also I had pointed out that this measure is absolutely within the purview of the constitutional provision i. e. Article 251. Sir, accordining to that provision for voting and taking sanction of the Legislature we can

* Speech not corrected

come to the house and regarding the lapses it is all-eged that we have concealed this and then other charges are there. These things are not at all tenable because of the fact that there is a procedure of account and that procedure has been maintained. Sir, you know that the account shall have to come from the Accountant General and that account has to be plaeced before the house and the house then sends it to the Public Accounts Committee for the accounts of these years i. e. the pertinent years 1966-67. But placing of audited report, Appropriation Account on the Legislative Assembly was on the date of 8.3. 1969. So this was placed as far back as in the year 1969 and for the year 1967-68, this account was placed on the floor of the housc on 23.1.71 and that of the year 1968-69 it was placed on the house on 11.7.70. So the public Acconnts Committee gave recommendations of this account after scrutiny only in September, 1976. Therefore, it is not a fact that the Govt. concealed this expenditure. But as soon as this was detected by the Accountant General, the matter was placed before the house. We did not take much time to place this matter before the house after receipt of the report from the Accountent General and therefore, the report

which we received in the year 1976 and after that as per recommendation of the Public Accounts Committee we should have come to the house in the last budget session, So there was a lapse of one session only and that is I have very frankly expressed in the last occasion also as to why these were not possible to place in the last session. This demand concern almost many departmets and this expenditure was incurred when our capital was in Shillong after 1963. In the year 1973 we have come down to Gauhati and it is known to very one Sir, during this transition period and for bringing down all the records and eveaything from Shillong to Gauhati there were some misplacement of many files in many of the departments. So as soon as we had the recommendation of the Public Accounts Committee in the month of September, 1976 we started collecting details from respective departments regarding expenditure. So, naturally it took some time. Therefore, it was not possible to place it in the last session but as soon as we got the first chance, I come to the house on the very first day for scrutiny of this matter. Therefore, there is no concealment, there is no malafide intention in the whole business and we are absolutly within the purview of the provision of the constitution

and other rules regarding the expenditure which was questioned by me learned friend Mr. Konwar who has expressed his doubt whether this expenditure was actually incurred and this was mentioned here. Sir, while climinating his doubt I would like to remind him that the hon'ble member was also a Member it that time. If there had been any such serious lapses by the Govt. he would have surely got the opportunity to catch the Govt. at that time. But it is not that; Sir, the Department gave some D. A to their incumbents and the sanctioning orders came in such a time that there was no oppoetunity to take Supplementary demands and therefore, had to pay and therefore, this excess expenditure had to be incurred. Moreover there were provision of additional Rs. 37,040/- which was obtained for payment of D.A and this amount was also inadequated. It is not correct to say that we have not foressen it, But the provision which we made pove in he inadequate and therefore, the Department had to come for this excess (At this stage Mr. Chairman vacated and Mr. Cheaker occupied the chair) expenditure and that we have come to the house now after going through all the formalites i. e. we have

obtained Public Accounts Committee's recommendation and we have not come to the house and I hope, the house will concur this demand and give sanction; Sir, regarding other points raised by hon'ble friend, I see no ground in it that the expenditure was incurred for a very vital work that is for conducting raids. As you know we promised prohibition and there are some districts which have already been declared as dry and these raids are necessary and most of the expenditure were due to the repairs of vehicles etc. Therefore, I submit that this may be approved.

*শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো প্ৰত্যুত্তৰ দিলে - তাৰ পৰা মই এটা স্পষ্টিকৰণ বিচাৰিছো - তেখেতে কৈছে যে কোনো মেলাফাইড্ নোহোৱাকৈয়ে আৱশ্যক মতে সকলো কাম চলি আছে। কিন্তু মই জানিব বিচাৰিছো যে ৩১ আগষ্টৰ দিনা চৰকাৰে এই গ্ৰাণ্টটো উত্থাপন কৰিবলৈ কিয় বিমুখ হল। সেই সময়ত এই লেপচৰ কাৰণে ৰিগ্ৰেট কৰিছে, কিন্তু আন এটা সময়ত মুখ্যমন্ত্ৰীয়ে যিটো কথাৰ সাৰমৰ্ম্ম আছিল - তাৰ পৰা আতৰি পৰিছে আৰু চৰকাৰৰ যিটো পজিচন সেইটো জাষ্টিফাই কৰিবলৈ গৈছে। তেতিয়া স্পষ্টিকৰণ কৰিছিল যে - ১৯৬৯ চনত ৰাজধানী স্থানান্তৰ কৰিব লগীয়া হোৱাৰ কাৰণে গ্ৰাণ্টটো আনিব পৰা নাছিল। কিন্তু তাৰ বাবে সেই সময়ত

*Speech not corrected

আনিব নোৱাৰিলেও পিচৰ বাজেট অধিবেশণত আনিব লাগিছিল। বোধকৰো সেই সময়ত এ, আই, চি, চি'ৰ অধিবেশন হোৱাৰ কাৰণে আন বিলাক কামত হাত দিব পৰা নাছিল নে আন কিবা কাৰণত এই কামটো পেলাই থব লগীয়া হৈছিল = এই কথা স্বীকাৰ নকৰে কিয় ?

*শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— অধ্যক্ষ মহোদয়, - তেখেতে কৈছে যে সিদিনা এই সম্পৰ্কে আলোচনা হোৱাত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে কৈছিল - ইয়াৰ কাৰণে যে লেপচ হৈছে সেই কথা কৈছিল। কিন্তু আমাৰ মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিব খোজা নাই আৰু আজিও কৈছে। ১৯৭৬ চনৰ চেপ্তেম্বৰ মাহত পাব্লিক একাউণ্টচ্ কমিটিয়ে ৰিপৰ্ট চাবমিট কৰিছে আৰু এই অধিবেশনত এই একচেচ্ ডিমাণ্ড আনিব লগীয়া হোৱাৰ কাৰণে - এইটো চৰকাৰৰ দোষণীয় কাম হৈছে আৰু আমাৰ সংবিধানৰ যিটো ব্যৱস্থা আছে -সেইটো ভঙ্গ কৰিছে এই কথা তেখেতে স্বীকাৰ কৰিব খোজা নাই।

সিদিনা এই সম্পৰ্কে আলোচনা হোৱাত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে কৈছে যে চৰকাৰৰ লেপচ্ হৈছে কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে এই কথাটো স্বীকাৰ কৰিব খোজা নাই। ১৯৭৬ চনৰ চেপ্তেম্বৰ মাহত পি, এ, চিয়ে ৰিপৰ্ট জমা দিছে আৰু এই চেচনত এই অতিৰিক্ত গ্ৰাণ্টটো আনিব লগা হৈছে। ইয়াৰ বাবে সংবিধানৰ যিটো ব্যৱস্থা আছে সেইটো ভঙ্গ কৰা হৈছে সেইটো তেখেতে স্বীকাৰ কৰিব খোজা নাই।

*Speech not corrected

শ্ৰীমহম্মদ ইদ্ৰিছ :— চাৰ, মাননীয় সদস্য গৰাকীয়ে দুটা কথা উৎথাপন কৰিছে। এটা হৈছে সংবিধান সন্মত ভাবে এইটো কৰিব নোৱাৰি। মই আজি বাৰম্বাৰ কৈছো আৰু সিদিনাও কৈছো আগৰ চেচনত এইটো আনিব লাগিছিল কিন্তু আনিব পৰা নহল এই কাৰণে যে বিভিন্ন বিভাগৰ পৰা খবৰটো সংগ্ৰহ কৰোতে সময় ললে। এই সম্পৰ্কে অলোচনা কৰোতে তেখেতে কৈছে The House is empo wered to vote Such exess grant. এই কথাটো মই স্পষ্টকৈ কৈ আছো। মুখ্যমন্ত্ৰী মহোদয়ে বিগেট কৰিছে। ইয়াত ইলেগিলে টি আছে বুলি তেখেত কৈছে। সেয়ে হোৱা হলে মই ইয়ালৈ আহিবই নোৱাৰিলোহেতেন। There is provision, therefore, I have come. It is a fact that we should have placed this in the last Session of the Assembly, but I have explained the difficulties for which we could not do it. Therefore, I have come to the House in this Session.

Mr. Speaker :— The motion is that an additional amount of Rs, 68,842 be granted to the Minister - in - charge for meeting certain exfess, expenditure during the year ending on the 31st March, 1967 for the administration of the head "10 - State Excise".

( After a pause )

The motion is passed and the demand is passed.

Now demand No. 2.

Shri Sarat Chandra Sinha, :— Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 2597 be granted to the Minister - in - charge for meeting certain excess expenditure during on the year ending on the 3.st March, 1967 for the administration of the head "18 - Parliament and State Legislature, etc"

Mr. Speaker :— Motion moved I put the motion. The motion is that an additional amount of Rs. 2597 be granted to the Minister-in-charge for meeting certain excess expenditure during the year ending on the 31-st March, 1967 for the administration of the head "18 - Parliament and State Legislatnre etc" -

( after a pause )

The motion is passep and the demand is passed. Now demand No.3

Shri Sarat Chandra Sinha, :— On the recommendation of the Governor of Assam, I beg, Sir to move that an additional amount of Rs.8, 97, 026, be granted to the Minister-in-charge for meeting certain excess expenditure during the year ending on the 31st March, 1967 for the administration of the head

"19 - General Administration etc."

Mr. Speaker :— The motion moved.

শ্ৰীনগেন চন্দ্ৰ বৰুৱা ঃ— অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সাধাৰণ প্ৰশাসনৰ হেডত যিটো খৰছ বিচাৰিছে অৰ্থাৎ তেওঁলোকে যিখিনি টকা খৰচ কৰিলে সেই টকা খিনিৰ যিটো অনিয়ম হল সেইটো নিয়মৰ ভিতৰলৈ আনিবলৈ যি অনুমোদন বিচাৰিছে আৰু যিখিনি সময়ত এই টকাটো খৰচ কৰা হৈছিল সেইখি সময়ত এই কথা নিশ্চয় আছিল যে সাধাৰণ প্ৰশাসনৰ বাজেটত যিটো মঞ্জুৰী ধৰা হৈছিল সেই অনুসৰি এই টকাখিনিও নিশ্চয় ধৰা হৈছিল। "The excess expenditure was incurred towards the close of the year which was anticipated to be met from overall savings under the head. But ultrmately at the end of the year, no savings was found under the head of account and also there was no scope to cover the excess expenditure as it was too late in the year to make the provision for the same through supplementary demand." এই কথাটো এনেকুৱা হৈছে যে এই প্ৰশাসনটো বছৰ পিচত বছৰ ওপৰ গধুৰ হৈছে আৰু সময়ে সময়ে এই কথা হৈছে যে শাসক পাৰ্টিয়ে নিজৰ কিছুমান ৰাজনৈতিক কাম কৰিবলৈ যাওঁতে কিছুমান খৰচ কৰিব লগা হৈছে আচলতে বাজেট কৰোঁতে যিখিনি টকাৰ খৰচ কৰা হব তাৰ বাবে যিখিনি তথ্য পাতি দৰকাৰ সেইখিনি নোহোৱাৰ কাৰণে আজি এই অৱস্থা হৈছে। সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত প্ৰায় ৯ লাখ টকা খৰচ কৰা হল। এই ৯ লাখ টকা খৰচ

কৰিবলৈ যাওঁতে বিভিন্ন শিতানত সৰ্ব্বমুঠ মঞ্জুৰীৰ যিটো শিতান ধৰা হৈছিল তাত নিশ্চয় বিচৰা হৈছিল আৰু তাৰ ফলত যিটো টেক্স সেইটো টেক্স বিষয়াৰ সকলৰ ওপৰত হেচা দিছিল। কিন্তু আজি যি অনুমাদন বিচৰা হৈছে তাৰ পৰা এই প্ৰমাণ হয় যে বাজেট তৈয়াৰ কৰাৰ ক্ষেত্ৰত আৰু হিচাব পত্ৰ ৰখাৰ ক্ষেত্ৰত চৰকাৰৰ দক্ষ্যতা নাই।

*শ্ৰীসোনেশ্বৰ বৰা :— মানানীয় অধ্যক্ষ মহোদয়, এই মঞ্জুৰী বাবদ অৱশ্যে কি কি কামত এই টকা অতিৰিক্ত খৰচ হ'ল সেই সম্পৰ্কে চৰকাৰৰ ফালৰ পৰা বিতং ভাবে উল্লেখ নাই। এইটো অৱশ্যে হয় ১৯৬৭ চনৰ যি সাধাৰণ নিৰ্ব্বাচন হৈছিল সেই নিৰ্ব্বাচনত বহুত টকা খৰচ হৈছিল। আমাৰ মন্ত্ৰী সকলে ঘূৰি ফুৰিলে তাৰ পিচত কেন্দ্ৰৰ পৰা মন্ত্ৰী সকল আহিল তেওঁলোকৰ কাৰণে ৰাজনৈতিক স্বাৰ্থ বজাই ৰাখিবলৈ অসম চৰকাৰে খৰচ কৰিলে। আচলতে এই টকা খৰচ হৈছে বুলি কোৱা হৈছে যদিও সেই সময়ত মতব্যয়িতা আৰু বিলাসিতা বৰ্জ্জন কৰা হলে ৰাইজৰ কৰকাটলৰ উপাৰ্জিত টকা অযথা ভৰণ নহ'ল হেতেন। এই খৰচ হ'ল ১০ বছৰৰ আগে কিন্তু আজিও তাৰ পৰিবৰ্ত্তনৰ কোনো লক্ষণ দেখা নাই। মুঠতে এই টকা কংগ্ৰেছ পাৰ্টিৰ জয়লাভৰ কাৰণে এনেকৈ অন্যায়ভাবে অতিৰিক্ত খৰচ কৰা হৈছে। এই অতিৰিক্ত ধন জনসাধাৰণৰ ভোগৰ পৰা কাতি আনি ৰাজনৈতিক উদেশ্য পূৰণৰ কাৰণে কৰা খৰচৰ প্ৰতিবাদ জনাইছো।

*শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— অধ্যক্ষ মহোময়, এই দাবী সম্পৰ্কে এক্সপ্লানেটৰী নোটত কোৱা হৈছে Tae excess expenditure was

*Speech not Corrected

incurred towards the close of the year which was anticipated to be met from overall sarings under the **head.** গতিকে এই শিতানৰ উত্তবৃত্ত টকাৰে যিখিনি খৰচ সেইখিনি মিট কৰিব। আগতে ৮ লাখ ৯৭ হাজাৰ ২৬ টকা খৰচ কৰিছে আৰু এই খৰচ সম্পৰ্কে ইয়াত কৈছে But Savainy was found latre the Lead গতিকে উত্তবৃত্ত নহ'ল আৰু অতিৰিক্ত প্ৰায় ৯ লাখ টকা খৰচ কৰিব লগা হ'ল। কিন্তু কি কাৰণত কোন শিতানৰ পৰা টিএ দিএ নে অন্য কোনোবা সেই সম্পৰ্কে কোনো হিচাপ দিয়া নাই। এক্সপ্লেনেটৰী নোটৰ 'বি'ত কৈছে in the explanatory note (b) — The intimation regarding offecting the adjustment of Rs: 2,38,313 by Accountant General, Assam was received by Govt. at a time when it was too late to incorporate the same within the financial year দুই লাখ টকাৰ কথা কৈছে বাকী কি কাৰণত কোন শিতানৰ পৰা এইবিলাক খৰচ কৰা হ'ল তাৰ কোনো উল্লেখ নাই। এই টকা খৰচ কৰা হ'ল ১১ বছৰ আগতে কিন্তু এতিয়া অনুমোদনৰ কাৰণে অহাত অৰ্থনৈতিক দিশত ইয়াৰ ক্ষতি কৰা হৈছে আৰু জনসাধাৰনক আন্ধাৰত ৰাখি বিধান সভাই অনুমোদন কৰা হব। কিন্তু এই বিলাক যদি বছৰে বছৰে কৰি থকা হয় এইটো বেয়া কথা। এইটো চৰকাৰৰ হেমাহি বুলি সন্দেহ হৈছে আৰু তাৰ বিতং হিচাব আজিৰ চৰকাৰেও দিব নোৱাৰিব।

*শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— মাননীয় অধ্যক্ষ মহোদয়, এই শিতানত দুটা খৰচ হৈছে এটা হৈছে বাজেটত যিমান টকা ধৰা হৈছিল তাৰ

*Speech not correctrd

অতিৰিক্ত, আনটো হৈছে এন্সিয়ে পাচত চাৰ্জ কৰাত এই দুয়োটা লগ লাগি অতিৰিক্ত খৰচ হৈছে। অধ্যক্ষ মহোদয়, প্ৰথমটো সম্পৰ্কে বাজেটত আমাৰ যিমান টকা ধৰা হৈছিল, এই খিতানত ১ কোটি ৮৫ লাখ টকা সেইটো যথেষ্টই আছিল তাৰ পিচত দেখা গ'ল কাম কাজ কৰাৰ পাচত কিছুমান কামত কিমান টকা খৰচ হব সেই সম্পৰ্কে নিৰ্ণয় কৰিব পৰা নহ'ল। কাৰণ সেই সময়ত বোৰ্ডাৰ ৰিলিফ ৱৰ্কচ চলি আছিল তাৰ পিচত এন্সিয়ে কিছু টকা জমা দিলে সেইমতে বাজেটৰ টকা কিছু বাহি হব পাৰে বুলি ভৰা হৈছিল আৰু সেই কাৰণে টকা খৰচ কৰা হ'ল কিন্তু পাচত দেখা গ'ল যিখিনি চেভিং হব বুলি ভবা হৈছিল সেইখিনি অতিৰিক্ত খৰচ হৈ গ'ল। এন্সিৰ ফাণ্ডৰ পৰাও ২ লাখ ৩০ হাজাৰ টকাৰ এডজাষ্ট কৰি ডেবিট কৰিলে। এন্সিয়ে কেতিয়াবা হেড বিলাক এডজাষ্ট কৰিবৰ কাৰণে ইফাল সিফাল কৰিব লগা হয়। গতিকে এই যিখিনি টকা এডজাষ্ট কৰাৰ পাছত ১ কোটি ৮ লাখৰ পৰা বাকী যিটো ৯০ লাখ টকা অতিৰিক্ত হৈছে অৰ্থাৎ শতকৰা ৫ ভাগ সেইটো খুব বেছি হৈছে বুলি কব নোৱাৰি। কিন্তু এই কথা ঠিক যে বাজেটত যিখিনি টকা ধৰা হয় তাতকৈ অতিৰিক্ত খৰচ কৰোঁতা সমীচিন নহয় কিন্তু সেই সময়ত যি পৰিস্থিতিয়ে দাবালে এইটো নকৰি নোৱাৰি। আচলতে টকা বাহি হব বুলি ভবা হৈছিল কিন্তু প্ৰকৃতাৰ্থত বাহি নাথাকিল বৰং বেছি খৰচহে হ'ল গতিকে এইখিনি সদনে মঞ্জুৰী দিব লাগে।

*শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— অধ্যক্ষ মহোদয় আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে যিখিনি কথা কলে আমাৰ বিভাগত তেনেকুৱা হিচাব

*Speech not corrected

কৰিব পৰা মানুহৰ অভাব আছে নেকি ? বাজেটিং কৰোতে এনেকৈ বিষয়াৰ ভূল কাৰণে যদি ভূল বাজেট কৰা হয় তেনেহলে এইটো বেলেগ কথা কিন্তু তেওঁলোকৰ ভূল হিচাবৰ কাৰণে আজি ১১ বছৰ পাছত এই বিধান সভাত হয়তো তেনে সদস্য নায়েই বা মন্ত্ৰী সভাও নাই কিন্তু ভূল হোৱা বাহে আজি আকৌ ভূলকৈ অনুমোদন জনাব লগীয়া হ'ল। গতিকে ভূলৰ যিটো মাচুল আছে সেই মাচুল দিয়া হ'ল আৰু সেই কাৰণে চৰকাৰে বিধান সভাত কোৱাৰ উপৰিও এখন হেণ্ড বিল চপাই ৰাইজৰ ওচৰত ক্ষমা বিছাৰিব লাগে যে আমাৰ ভূলৰ কাৰণে এই মাচুল দিবলগীয়া হৈছে তাৰ কাৰণে আমাক ক্ষমা কৰক। চৰকাৰৰ বিষয়াৰ ভূলৰ কাৰণে এই চৰকাৰে ৰাইজৰ ওপৰত ক্ষমা বিচাৰিব লাগে আৰু কব লাগে যে আপোনালোকৰ ক্ষমা বিচাৰি আমি এই অনুমোদন বিধান সভাত পাচ কৰাই ললো।

*শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই টকাৰ সম্পৰ্কত যিটো ব্যাখ্যা দিলে সেইটো সিমান স্পষ্ট নহল। কোন চাব হেডত কিমান টকা খৰচ হৈছে বিতং ভাৱে জনাবলৈ অনুৰোধ কৰিছো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— এইটো জেনেৰেল হেড হিচাবে আছে। আটাইখিনি টকা তাতেই খৰচ হৈছে।

(ভইচ :— দৰমহাত নে কিহত ?)

ডিটেইলচ নাই। কিন্তু এই হেডতে গোটেইখিনি টকা খৰচ হৈছে।

*Speech not corrected

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ডাঙৰীয়াই কৈছে যে এইটো ভূল কৰা হৈছে। আচলতে ব্যয় কৰাৰ ক্ষেত্ৰত ভূল কৰা হোৱা নাই। ব্যয় ঠিকেই কৰা হৈছে। কিন্তু হিচাব আদি কি কাৰণত সদনৰ আগত দাখিল কৰোঁতে পলম হৈছে সেইটো বিত্ত-মন্ত্ৰী ডাঙৰীয়াই সদনত জনাইছে আৰু পলম হোৱা কথাটো স্বীকাৰো কৰা হৈছে। কিন্তু খৰচ ঠিকেই হৈছে। কিন্তু খৰচৰ হিচাব কিয় ঠিক মতে ৰাখিব পৰা নাই বা আছেনে নাই সেইটোহে হৈছে প্ৰশ্ন। অধ্যক্ষ মহোদয়, বিত্ত বিভাগৰ বিষয়া আছে ঠিকেই কিন্তু এই নিয়মটো এনে ধৰণৰ যে ট্ৰেজাৰিৰ পৰা সংগ্ৰহ কৰা আদি বহু সময় সাপেক্ষ কথা নিহিত আছে। কেতিয়াবা কেতিয়াবা পলম হোৱাটো স্বাভাৱিক কথা। নিখুট ভাৱে কৰিব পৰা হবই যে সেইটো কথা সঠিকৈ কোৱা টান। মাজে মাজে পলম হোৱা কাৰণেই হিচাব দাখিল কৰা সময়তো পলম হোৱাটো স্বাভাৱিক।

শ্ৰীপিট সিংহ কোঁৱৰ :— দুহ বছৰ লাগে নেকি ?

* শ্ৰীশৰত চন্দ্ৰ সিংহ :— বিত্ত বিভাগৰ যি পৰিস্থিতি আছিল সেই মতে অভাৰ ড্ৰাফ্টৰ ব্যৱস্থা আছিল। প্ৰতি দিনেই আমি অভাৰ ড্ৰাফ্টৰ ওপৰত চলিব লগীয়া হৈছিল। যিমান দূৰ মনত পৰে আশী কোটি টকা পৰ্য্যন্ত অভাৰ ড্ৰাফ্ট হোৱাটোয়ে ওৱেজ এণ্ড মিনচ, পজিচন ভাল বুলি কব নোৱাৰি। বিত্ত বিভাগৰো নিয়ম শৃংখলাৰ কথা প্ৰমাণ নকৰে। ফলত নতুন নিয়ম প্ৰবৰ্ত্তন কৰা হ'ল। সেই কাৰণে এতিয়া আৰু প্ৰতিদিনে অভাৰ ড্ৰাফ্ট লবলগীয়া হোৱা নাই। আজি কিছু

*Speech not corrected

টকা তবিল ৰাখিব পৰা অৱস্থা হৈছে। সেই কাৰণেই বিত্ত বিভাগৰ অনুশাসন কঠোৰ কৰা হৈছিল এই নতুন নিয়মৰ দ্বাৰা। অভাৰ ড্ৰাফ্টৰ ওপৰত চলা কথটো সমীচিন নহয় কাৰণেই এই নতুন কঠোৰ নিয়ম প্ৰৱৰ্ত্তন কৰা হল। এই কথা ৰিলাক শিকি পোৱাই এই ব্যৱস্থা কৰা হল। আন এটা কথা হৈছে বিভিন্ন বিভাগত যি পৰিমাণে টকা দিয়া সেই টকাখিনিকৈ কেতিয়াবা কেতিয়াবা বেছি টকা খৰচ কৰা কাৰণে এই নিয়ম পৰিবৰ্ত্তন কৰা হৈছে ১৯৭২ চনৰ পৰা। ইতিমধ্যে এইটো নতুন নিয়মৰ ভিত্তিত সোমাই পৰিছে। বিভিন্ন বিভাগৰ পৰা এল-অ'-চি দিয়া হয় কিমান টকাৰ প্ৰয়োজন হয় সেইটো বিভাগৰ ওচৰত জনাব লাগে আৰু তেতিয়াহে দিয়া হয়। সেই কাৰণেই এনেকুৱা ধৰণৰ ঘটনা যাতে নঘটে তাৰ কাৰণে যাৱতীয় ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব।

শ্ৰীনগেন বৰুৱা :— এই এল-ও-চি ব্যৱস্থা অসম চৰকাৰে কেতিয়াৰ পৰা চলাই আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— ১৯৭১ চনৰ পৰা।

Mr. Speaker :— Now, the question is that an additional amount of Rs. 8,97,026 be granted to the Minsiter-in-charge for meeting certain excess expenditure during the year ending on the 31st March 1967 for the administration of head "19-General Administration etc." The motion is passed ; the grant is passed.

Item No 48

Item No. 4.

Md. Idris :— Sir, I big to move that an additional amount of Rs. 5, 98, 459, be granated to the Minister-in-charge for meeting certain excess expenditure during the year ending on the 31st March, 1967 for the administration of the head "21-Administration of Justice"

Mr. Speaker :— The motion is that and additional amount of Rs. 5,98,459, be granted to the Minister-in-charge for meeting certain excess expenditure during the year ending on the 31st March, 1967 for the administration of the head "21-Administration of Justice".

The motion is passed.

Item No. 5.

Shri Sarat Chandra Sinha :— Sir, I beg to move that an additional amount of Rs. 5,91,029 be granted to the Minister-in-charge for meeting certain excess expenditure during the year ending on the 31st March, 1967 for the administration of the head "23-Police".

শ্রীনগেন চন্দ্র বঁকরা :— ইয়াত পুলিচ প্ৰশাসনীয় ক্ষেত্ৰত বাজেটত দেখুৱা হৈছে আৰু ব্যখ্যা দিয়া হৈছে যে debit amounting to

Rs. 5,91,020 was raised due to deployment of 1st Reserve police Force in Assam. The debit was adjustdb after elosure of the financial year 1966-67 and hence the excess over the budget granted.

এই ক্ষেত্রত দেখুৱা হৈছে যে ৰিজাৰ্ভ পুলিচ ফোৰ্চ নিশ্চয় এইটো কেন্দ্ৰীয় চৰকাৰৰ পৰা ডিপ্লইমণ্ট কৰা হৈছিল। কিন্তু ইয়াৰ কাৰণ ছয় কোটি টকা অতিৰিক্ত ব্যয় কৰিবলগীয়া হ'ল। কিন্তু বিত্তভাগে আলোচিত হোৱা নাই। ইয়াত দিয়াও নাই। আমাৰ পুলিচ শিতানত বহুত টকা ইতিমধ্যে দিয়া হৈছিল। কি কাৰণত আৰু পাচ ছয় কোটি টকাৰ প্ৰয়োজন হল সেই কথাটো এন্টিচিপেট কৰিব নোৱাৰে সেইটো ভাওৰ কথা নহল। প্ৰাকৃতিক দুৰ্যোগ আদিৰ কাৰণেও বা শান্তি শৃংখলা ৰক্ষাৰ কাৰণেও দৰকাৰ হব পাৰে কিন্তু এঘাৰ কোটিৰো বেছি টকা বাজেটত দিয়াৰ পিচত সেই টকাৰে কিয় এইখৰছ বহন কৰিব নোৱাৰিলে তাৰ কোনো সঠিক ব্যাখ্যা ইয়াত নাই। ইয়াত সেইটো থকা উচিত আছিল। সাধাৰণতে ব্যাখ্যা দি হলেও এই অতিৰিক্ত ব্যয়ৰ টকা বিচাৰিব লাগিছিল। তাকে নকৰি অনুমোদন বিচৰাতো নিশ্চয় অনুচিত হৈছে। সেই কাৰণে চৰকাৰৰ পৰা ইয়াৰ উচিত ব্যাখ্যা এটা বিচাৰিছো।

*শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— অধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে যিটো স্পষ্টিকৰণ দিছে মই সেইটোত সন্তুষ্ট হব পৰা নাই। পুলিচৰ বিভাগ এটাত নিৰ্দ্দিষ্ট সংখ্যা থাকে। তাৰোপৰি কেন্দ্ৰীয় পুলিচো আছে। তাৰ

*Speech not Corrected

কাৰণেও এটা বাজেট ঠিক কৰা থাকে। আজি চৰকাৰে যি টকা খৰচ কৰিলে তাৰ হিচাব ৰাখিব নোৱাৰা হব বুলি কৈছে। চৰকাৰে ইয়াত অক্ষমতা প্ৰকাশ কৰিছে। ৰাজ্যিক পুলিচৰ নিজস্ব সংখ্যা থকা স্বত্বেও কেন্দ্ৰীয় পুলিচ আনি টকা খৰচ কৰিব লগা হৈছে। আৰু চৰকাৰে এইটো এষ্টিচিপেধ কৰিব পৰা নাই। আজি যেতিয়া কোনো কোনো ঠাইত বিদ্ৰোহ হয়, ছাত্ৰ আন্দোলন হয় তেতিয়া পুলিচ পঠিয়াব লগা হয় বা কেন্দ্ৰীয় পুলিচ পঠাব লগা হয়। আৰু ইয়াৰ কাৰণে যি অৰিজিনেল এষ্টিচিপেচন কৰা হৈছিল সেইবিলাক ভুল বুলি স্বীকাৰ কৰা হৈছে। মই এতিয়া জানিব বিচাৰিছোঁ যে, অৰিজিনেল এষ্টিচিপেচন কি আছিল? ইয়াৰ বিতং ব্যাখ্যা দিলেহে আমিও সন্তুষ্ট হম আৰু ৰাইজো সন্তুষ্ট হব। কাৰণ আমি ৰাইজৰ প্ৰতিনিধি। আজি পি এ চিৰ ৰিপৰ্ট ১৯৬৭ চনতেই ওলাল। চৰকাৰৰ নিজস্ব মেচিনাৰী থকা স্বত্বেও কিয় আজি পি এ চি বা এজিয়ে ভুল দেখুৱাব লাগে। আজি এ জিন ওচৰত কিয় উদং হব লগা হল? আজি অভ্যন্তৰীৰ প্ৰশাসনিক যন্ত্ৰত যোগ্যতা সম্পন্ন মানুহ নথকাৰ ক্ষেত্ৰতে এই বিলাক ভুল হৈছে। গতিকে চৰকাৰে আজি এই ক্ষেত্ৰত এটা ভাল কৈফিয়ৎ বা এটা মজবুত ব্যাখ্যা দিলেহে আমি এইটো সমৰ্থণ কৰিব পাৰিম।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— অধ্যক্ষ ডাঙৰীয়া, এইটো হৈছে ৰেল লাইন ৰক্ষা কৰাৰ দায়িত্ব। এইটো ৰাজ্যিক চৰকাৰে কৰিব লাগে। কিন্তু এই বাহিনীটো কেন্দ্ৰীয় চৰকাৰৰ দায়িত্বত। সেইবিলাকত খৰচ ৰাজ্যিক চৰকাৰে কৰিব লাগে আৰু পাচত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক চৰকাৰলৈ ডেবিড কৰে। এই ৰেল লাইন ৰক্ষা কৰাৰ সম্পৰ্কত সময়ে

*Speech not corrected

সময়ে কেন্দ্রীয় চৰকাৰে ৰাজ্যিক চৰকাৰলৈ ডেবিত একাউন্ট পঠায় থাকে। কেতিয়াবা এই বিলাক সময় মতে নাহে। এইটো আমি এণ্টিচিপেত কৰি লব নোৱাৰোঁ আৰু সেই কাৰণে এইটো বাজেটত ধৰা হোৱা নাছিল। চাবচিকুৱেণ্টলি যি ৫লাখ ৯১ হাজাৰ ২০ টকা ৰেইলওৱে প্ৰতেকচন ফৰ্চ'ৰ কাৰণে ডেবিতেদ কৰা হল এইটো ধৰা পৰা নাছিল আৰু এইখো অতিৰিক্ত খৰচ কৰা হল।

* শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী :— অধ্যক্ষ মহোদয়, ৰেল লাইন পহৰা দিয়াৰ কাৰণে টকা খৰচ কৰাৰ কথা কৈছে। ১৯৬২ চনত চীনা আক্ৰমনৰ সময়ত আৰু বাংলাদেশৰ যুদ্ধৰ সময়ত অকল পুলিচেই পহৰা দিয়া নাছিল। ইয়াত গাৱৰ ৰাইজে ভলণ্টিয়াৰ চাৰ্ভিছো দিছিল। আজি পুলিচৰ ওপৰত টকা খৰচ কৰা হৈছে। কিন্তু আজি এই গাৱৰ স্বেচ্ছা-সেৱক, বা গাৱৰক্ষী বাহানীৰ লোকক একোখন এপ্ৰিচিয়েচন চাৰ্টিফিকেট দিব পাৰিছেনে? আজি পুলিচ বাহিনীৰ ওপৰত খৰছ কৰা দেখুৱাই আজি ১১ বছৰৰ পাচত অনুমোদন বিচাৰিছে। ইয়াৰ এটা ৰহল ব্যাখ্যা দিব লাগে।

* শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য হুগৰাকীৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি উত্তৰ দিছে সেই উত্তৰে পতিয়ন নিয়াব নোৱাৰাৰ কাৰণেহে এই স্পষ্টিকৰণ বিচাৰিছোঁ। মেঘালয় অসমৰ পৰা বিছিন্ন হৈ যাব খোজা সময়ত আমাৰ কংগ্ৰেছৰ এম এল এ সকলে, যুৱ ছাত্ৰ সকলে যি আন্দোলন কৰিছিল সেই আন্দোলনৰ পৰিপ্ৰেক্ষিতত যি পুলিচ ৰাহিনী পঠিওৱা হৈছিল সেই সময়ত এই টকা খৰচ কৰা হৈছিল নেকি?

*Speech not corrected

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— অধ্যক্ষ মহোদয়, সেইটো নহয়। সেইটো একেবাৰে সত্য নহয়। কথাটো হৈছে ৰেল লাইন ৰক্ষা কৰা। মাননীয় সদস্যই যি কথা কৈছে যে, কৰবাত আন্দোলন হলে পুলিচ পঠোৱা হ'ল আৰু তাত খৰচ কৰা সেইটো নহয়।

Mr· Speaker :— The motion is that an additional amount of Rs, 5,91,020 be granted to the Minister-in charge for meeting cextain crcess expenditure during the year ending on 31st March, 1967 for the administration of the head "23-Police. The motion is passsed the grant is passed.

Item No. 6 :

Mr. Speaker :— Mr. Saikia to move.

Mr. Hiteswar Saikia :— Sir, I beg to move that an additional amount of Rs,99.28, 170 be granted to the Minister-in-charge for meeting certain excess expenditure during the year ending on the 31st March, 1967 for the administration of the head "28-Education."

Mr. Speaker :— The motion is moved.

* শ্ৰীসেনেশ্বৰ বৰা :- অধ্যক্ষ মহোদয়, এই কথা বুজি পালোঁ

*Speech not corrected

যে. চৰকাৰৰ ফালৰ পৰা উত্তৰটো বেডিমেদ হব । সকলো মন্ত্ৰীয়ে একেটা উত্তৰকে দিব। কথা কোৱাই নোনোৱাই একেই। গতিকে আজি আমাৰ এই চৰকাৰৰ চৰিত্ৰ উদঘাটন কৰাটো নিতান্তই আৱশ্যক হৈ পৰিছে। আচলতে ১৯৬৬-৬৭ চনত নিৰ্ব্বাচন হোৱাৰ কাৰণেই এই খৰচ বিলাক কৰিব লগা হৈছিল।

১৯৬৪ চনতে দৰমহা বঢ়াই দিব লাগিছিল, কিন্তু চৰকাৰে নিৰ্ব্বাচনৰ সময়তহে দৰমহা বঢ়াই দিয়া, স্কুল গ্ৰাণ্ট দিয়া আদি কাৰ্য্য বিলাক সমাধা কৰে। নিৰ্ব্বাচনৰ সময়ত চৰকাৰে, ঠিক মানুহে মাছৰ মুখত বৰশীত টোপ বান্ধি দিয়াৰ দৰে, ৰাইজৰ কামবোৰ কৰি দিবলৈ বৈ থাকে। নিৰ্ব্বাচনত জয়যুক্ত হবৰ কাৰণেহে এইবোৰ কাম সময়মতে কৰি দিয়াটো কংগ্ৰেছ চৰকাৰৰ চৰিত্ৰ । নিৰ্ব্বাচনৰ আগে আগে দৰমহা বঢ়াই দিয়া, ছাত্ৰ-ছাত্ৰীক বৃত্তি দিয়া, স্কুল-কলেজ গ্ৰাণ্ট দিয়া ইত্যাদি কামবোৰ সাধাৰণতে অ ন সময়ত নহয়, নিৰ্ব্বাচনৰ আগে আগে এই দুৰ্নীতিটো কংগ্ৰেছ চৰকাৰৰ হয় । ৰাইজে যেতিয়া আন্দোলন কৰিব তেতিয়া বাজেটত টকা নোহোৱা বুলি কৈ নিৰ্ব্বাচনৰ সময়লৈ থৈ দিয়ে।

* শ্ৰীপিটসিং কোঁৱৰ :— অধ্যক্ষ মহোদয়, শিক্ষা বিভাগত প্ৰায় একোটিকাল গ্ৰহণ কৰাটো বিচাৰিছে। কিন্তু এই টকাটো প্ৰকৃততে শিক্ষা বিষয়ত খৰছ হবনে নহয়, তাৰ ইয়ত্বা নাই। আজি এই শিক্ষা বিভাগটোৰ কথা ভাবিলে বৰ দুখ লাগে। কাৰণ শিক্ষা বিভাগে গোটেই বছৰটো কাম নকৰি বহি থাকে, বছৰৰ শেষত কাম কৰিবলৈ আৰম্ভ

*Speech not corrected

কৰে। কিন্তু অৱশেষত কাম হৈ নুঠেগৈ। তেতিয়া ৰাইজ য়ক কমা, চলি আছে, কাম অগ্ৰগতিৰ পথত ইত্যাদি। আজি দুবছৰৰ আগতে প্ৰায় ৫০ লাখ টকা চিডোল ট্ৰাইব আৰু চিডোল কাষ্টৰ বাবে গ্ৰাণ্ট দিয়া হৈছিল। কিন্তু সেই টকাটো এতিয়াও খৰছ কৰা হোৱা নাই। সেই টকাটো কাৰ বাঙ্কচৰ তলত পৰি শুই থকা হৈছে তাৰ খবৰ আমি নেপাওঁ। ৪২ হেজাৰ টকা, ৪২ খন স্কুলৰ বাবে, বিশেষকৈ হাইস্কুলৰ শিক্ষকৰ নিযুক্তিৰ বাবে দিয়া হৈছিল। কিন্তু সেইবোৰ হাই-স্কুলত ল'ৰা-ছোৱালী পঢ়াবলৈ শিক্ষকক নিযুক্তি দিয়া হোৱা নাই। তাৰোপৰি স্কুল ঘৰ বিলাকৰ অৱস্থা একেবাৰে শোচনীয়। যেনে ধৰণে সুবিধা পাব লাগিছিল তেনেধৰণে পোৱা নাই। সেইবোৰ ইলেকচনৰ আগলৈ থৈ দিছে। উদাহৰণ স্বৰূপে, যিসকল শিক্ষকে দৰমহা পোৱা নাছিল, ১৯৬৭ চনত নিৰ্ব্বাচনৰ ঠিক আগে আগে সেই সকল শিক্ষকক দৰমহা দিয়া হৈছিল। এনে ব্যৱস্থা বহুতো আগৰে পৰাই চলি আহিছে যেতিয়া এই বিধান সভাত বৰ্ত্তমান সদস্যসকলৰ বহুতো লোক সদস্য হিচাবে নিযুক্ত নাছিল। শিক্ষা ব্যৱস্থাটো পৰিবৰ্ত্তনৰ চিন্তা কৰি শিক্ষা মন্ত্ৰীয়ে যিখিনি দায়িত্ব লৈছে সেইখিনি ভাল ভাবে পালন কৰিলে আৰু শিক্ষা বিভাগত থকা মূৰব্বীসকল যেনে ডি,পি, আই আদি লোক সকল লাৰনেড মানুহ, তেওঁলোকে ঠিকমতে কাম চলাব লাগে। তেতিয়াই শিক্ষা বিভাগত আৰু শিক্ষা পদ্ধতিত বেমেজালি নঘটে। চৰকাৰে শিক্ষকক দৰমহা দিবৰ কাৰণে উক্ত অফিচাৰ সকলক যি চৰকাৰী অনু-দান দিয়া হৈছিল ১৯৭৭ চনৰ ভিতৰত, সেই অনুদানৰ টকাটো শিক্ষকক দিয়া নাছিল। শেষত কলে শিক্ষা বিভাগৰ কাৰণে একচেচ ডিমাণ্ড পাচ কৰিব লগা হল। কিন্তু আগতে যে যিটো টকা অনুদান শিক্ষকৰ কাৰণে দিয়া হৈছিল, সেই টকাটো অফিচাৰৰ পকেটলৈ গ'ল নে মন্ত্ৰীৰ

পকেটলৈ গ'ল ভাৰহে বিতং খবৰ নেপালোঁ।

* শ্ৰীনগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, এই শিক্ষাৰ শিতানত খৰছ হোৱা প্ৰায় এককোটি টকা অতিৰিক্ত ভাবে খৰছ কৰা হল। In the Explanatory Notes........... "The excess over the grant was mainly accounted for under "B". 2(a) direct grants to non-Govt. Secondary School-Recurring Genl" which was attributed to payment of large grants to Schools consequent upon the decision to allow the benefit of revised scale of pay to the teachers of aided schools consequent upon the decision to allow the benefit of revised scale of pay to this teachers of aided schools with retrospective effect from Ist April, 1964". ১৯৬৪ চনত যিটো পে কমিটি আছিল, আৰু সেই কমিটিত কাম কৰা অফিচাৰ বিলাক আৰু অন্যান্য মেনেজমেণ্টত যিসকল কৰ্ম্মচাৰীয়ে কাম কৰিছিল সেইসকল কৰ্ম্মচাৰীৰ দৰমহা বঞ্চিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল আৰু সেই মতে কাম হব লাগিছিল। কিন্তু প্ৰকৃততে কাম নহল। পে কমিটিয়ে তেওঁলোকৰ কাৰণে দৰমহাৰ নিৰিখ ঠিক কৰি আৰু ননগেজুৱেটেদ স্কেল দিয়াৰ সিদ্ধান্ত কৰিছিল, মাটি-মঞ্জুৰী শিতানত ধৰা টকাবে; এই শিতানত কোন শিক্ষকক কিমান টকা দিয়া হৈছে তাৰ হিচাব দিব লাগিছিল। ১৯৬৪ চনৰ পে কমিটিৰ ৰিপৰ্টত এই বোৰ সম্পূৰ্ণ বৰ্ণনাকৰা আছে। কিন্তু সেই টকাটো দিয়া হৈছিল সেই

*Speech not Corrected

বছৰৰ কাৰণেহে আচলতে সেই বছৰৰ খৰছ নকৰি দেফিচিট বাজেটত শিতানত ধৰি থোৱা হল। এই দৰে প্ৰতি বছৰেই প্ৰত্যেক বাজেটত এই স্কুলৰ দেফিচিত গ্ৰাণ্টৰ কথাটো থাকেই। ১৯৬৭ চনৰ পৰা ১৯৬৭ চনলৈকে এই তিনি বছৰে দেফিচিত গ্ৰাণ্টৰ শিতানত চৰকাৰৰ ফালৰ পৰা শিক্ষকৰ দৰমহাৰ বাবে প্ৰায় ১কোটি টকা বেছিকৈ খৰছ কৰা হল। গতিকে অপচয়ৰ বাবে আমি এটা সংশোধনী চৰকাৰৰ পৰা বিচাৰিলোঁ। তাৰ পিচত এটা পৰিবৰ্ত্তনৰ বাবে আমি দাবী জনাইছিলো। "The excess also occurred under "A, 3(3) -Direct Geant to non-Govt. Arts Colleges Cenl" which was attributed to implementation of certain schemes which were in daily dropped as a measure of economy out.. The cxcess under Centrally Sonspored Scheme was due to award of more merit Scholarships and National Scholarships than anticipated." এই শিতানত যিটো ইকনমিক কাট বুলি কোৱা হৈছিল আৰু তাৰ পিচত যি কাট হল, সেইটো মূল বাজেটৰ পৰা কটা হল আৰু চেকেণ্ডাৰী বাজেটতত ধৰা নহল। তাৰ পিচত কি যুক্তিত আৰু এনে কি অৰ্থনৈতিক সুযোগ আছিল যে এবছৰৰ ভিতৰতে ইমান বেচি পৰিবৰ্ত্তন হল যে আমি বেছিকৈ টকা দিব পৰা হলোঁ। সেইটো আমি জানিব পৰা হলে ভাল আছিল। চৰকাৰী পক্ষৰ সদস্য সকলে যদিও আমাক একেটা কথাকে দোহালি থকা বুলি দোষাৰোপ কৰিলেও ইয়াৰ সত্যতা নিশ্চয় আছে। ১৯৬৭ চনত নিৰ্ব্বাচনৰ বছৰত ৰাজহুৱা অনুস্থান আদিক টকা দিলে পাৰ্টিৰ কামত সহায় হব আৰু ভোটত জিকিব, এই ভাবিয়েই কংগ্ৰেছ চৰকাৰে নিৰ্ব্বাচনৰ আগে আগে যি কোনো গ্ৰাণ্ট দিবলৈ আগ বাঢ়ে।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰা ডাঙৰীয়াই একেটা কথাকে কলেও ঠিকেই কৈছে যে কালচাৰেল শিতানত টকা দিয়া হৈছে যদিও সেইটোও নেশ্যনেল স্কলাৰচীপ বা মেৰিট স্কলাৰচীপ আদিৰ দৰে পাৰ্টি ভিত্তিতেই দিয়া হয়। ৰুলিং পাৰ্টিৰ কাৰণে এইটো এট পলিটিকেল পেন্সনৰ নিচিনা পলিটিকেল মটিভলৈ কৰা কামৰ নিচিনা হয়। কিন্তু ইক'নমিক কাট থকা সত্ত্বেও সেই শিতানত সেই অতিৰিক্ত টকা ব্যয় কৰাত নিশ্চয় কোনো ৰাজনৈতিক উদ্দেশ্য থকাটো অসম্ভৱ নহয়। ৰুলিং পাৰ্টি ক্ষমতাত থকা কাৰণে তাৰ ফলত কৰা কামৰ কাৰণে বিত্তীয় অনুশাসনৰ কাৰণে টেক্স পেয়াৰ সকলে গধুৰ বোজা বহন কৰিবলগীয়া হয়। ইয়াৰ দ্বাৰা কেৱল ৰুলিং পাৰ্টিৰ পৃষ্ঠপোষকতাহে কৰা হয় কাৰণে মই এইটো বিৰোধিতা কৰিছো। আন এটা কথা হৈছে ; Additional grant obtained by supplementary grant was not suff:cent.

পৰিপূৰক দাবী বুলি লৈছিল যদিও এই কথাটো প্ৰমাণিত হৈছে। এইডেড হাইস্কুল আৰু নন্ গভৰ্ণমেণ্ট আৰ্ট কলেজৰ কাৰণে এই পৰিপূৰক দাবী ধৰা হৈছিল তৎসত্ত্বেও খৰচ মিটাব নোৱাৰি ভাবিলগীয়া হৈছে। তাতকৈ দুখৰ কথা কি হব পাৰে ? মুল বাজেটত ধৰিব নোৱাৰিলে কিন্তু পৰিপূৰক বাজেটত ধৰিব লাগিছিল। তাতে হিচাব নোলাল। আমাৰ প্ৰশাসনৰ ইমানেই দক্ষতা। ইয়াৰ দ্বাৰা গাফিলতি প্ৰমাণিত হৈছে। ইয়াত দিয়া ব্যাখ্যাৰ দ্বাৰা আমি পতিয়ণ যাব নোৱাৰো গতিকে চৰকাৰৰ পৰা তিনিটা কথাৰ কৈফিয়ৎ বিচাৰিছো। এই অতিৰিক্ত ব্যয়ৰ অনুমোদন বিচৰাৰ লগে লগে ইয়াৰ কাৰণে প্ৰকৃত ব্যাখ্যাও দিব লাগে।

* শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰাধানী :— অধ্যক্ষ মহোদয়, এইটো অত্যন্ত

*Speech not corrected

পৰিতাপৰ কথা যে ভূল কৰিয়েই এই এক কোটি টকা খৰচ কৰিলে। ইয়াৰ দ্বাৰা অযোগ্যতাৰ চৰম সীমা পোৱা কথাটো নিশ্চয় প্ৰমাণিত হৈছে। চৈধ্য কোটি কিমান লাখ টকা বাজেটত লোৱাৰ পিচতো পৰিপূৰক দাবী বিচৰা হ'ল' তাৰ পিচতো আকৌ পৰিপূৰক দাবীৰ আশাত খৰচ কৰিবলগীয়া হ'ল। ই জানো চৰম অযোগ্যতাৰ পৰিচয় নহয় ? ৰেকাৰিং আৰু নন্ ৰেকাৰিং গ্ৰাণ্টৰ ক্ষেত্ৰত চৰকাৰে ক'ত কিমান স্কুল আছে সেইটো নিশ্চয় জনা উচিত। আৰু তাৰ সীমা সংখ্যা চাইহে গ্ৰাণ্টৰ টকা বিচৰা উচিত। টকা খৰছ কৰিলে অথচ ১৯৬১-৬২ চনতে খোলা স্কুলত ১৯৬৬ চনলৈকে এক পইচাও পোৱা নাই। মেৰিট স্কলাৰচীপ, নেশ্যনেল স্কলাৰচীপ আদিৰ কাৰণে টকা লোৱা হ'ল সেইটো কেন্দ্ৰীয় চৰকাৰৰ পৰা কি কি আচনি আহিব পাৰে সেইটো জানো ৰাজ্য চৰকাৰে অনুমান কৰিব নোৱাৰে। অলপ অচৰা বেচি টকাৰ প্ৰয়োজন হব পাৰে কিন্তু পৰিপুৰক দাবী মঞ্জুৰ হোৱাৰ পিচতো আকৌ এক কোটি টকা অতিৰিক্ত খৰচ কৰাটো নিশ্চয় দোষনীয় কথা। এতিয়া দহ বছৰৰ আগৰ টকাৰ অনুমোদন বিচৰাটো কেনে ধৰণৰ কথা হৈছে বাৰু? যদি অন্য কোনো পাৰ্টিৰ চৰকাৰ হলহেতেন তেন্তে জনসাধাৰণক বুজাব পাৰিলেহেতেন আগৰ চৰকাৰকৰ ভুল বুলি কিন্তু তেতিয়াও এই পাৰ্টিৰ চৰকাৰেই আছিল গতিকে ভুল দোষ সকলো এই চৰকাৰৰ হব। ইয়াৰ পিচত যদি জনতা চৰকাৰ আহে তেন্তে বৰ্ত্তমান চৰকাৰে জধে-মধে কৰা খৰচ বা কিয় মানি লব ?

(ভইচ : আপুনি কোন পাৰ্টিত আছিল ?)

মই আজিলৈকে ইণ্ডিপেণ্ডেণ্ট আছিলো। গতিকে অধ্যক্ষ মহোদয়, ইমান দিনৰ মূৰত এতিয়া এ-জি বা পি-এ-ছিয়েহে টকাৰ হিচাব দাখিল

কৰিবলৈ উনুকিয়াই দিবলগীয়া অৱস্থা হৈছে। ব্যখ্যা বিচাৰিছে কাৰণে হে সদনলৈ. মঞ্জুৰী বিচাৰি আহিছে। অৱশ্যে ক্রুটি হোৱা বুলি স্বীকাৰ কৰিছে। কিন্তু কাইলৈ কাগজত সকলো কথা পৰিস্কাৰ কৈ প্রকাশ হৈ যায়। অসমৰ চৰকাৰৰ ভুলৰ কাৰণে আজিৰ পৰা দহ এঘৰা বছৰ আগৰ টকা আজি আমি দিবলগীয়া হৈছে বুলি জনসাধৰণে যেতিয়া জানিবলৈ পাব তেতিয় জনসাধাৰণে কংগ্রেছ চৰকাৰৰ প্রতি কি মনোভাৱ লব সেইটো সহজে অনুমেয়। গতিকে মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যাতে পেপাৰৰ মাধ্যমেৰে এই কথা বিলাকৰ উত্তৰ জনসাধাৰণৰ দৃষ্টি গোচৰ কৰায় আৰু আমাক সদনত জানিবলৈ দিয়ে।

*শ্রীহিতেশ্বৰ শইকীয়া :— অধ্যক্ষ মহোদয়, মই কবলগীয়া কেইবাটাও কথা ইতিমধ্যেই মাননীয় সদস্য শ্রীনগেন বৰুৱা ডাঙৰীয়াই কৈছে। কিন্তু কথা হ'ল যে ১৯৫৭ চনৰ পে কমিচনে এইডেড হাইস্কুলৰ শিক্ষকসকলে পে বেনিফিট দিয়া নাছিল কিন্তু ১৯৬৪ চনৰ পে কমিচনে এইডেড কলেজ শিক্ষকক দিয়ে যদিও এইডেড হাইস্কুলৰ ক্ষেত্রত দিয়া নাছিল। পিচত সেই কাৰণে কথাটো এইডেড হাইস্কুল শিক্ষক সন্থাৰ লগত আলোচনা কৰাৰ পিচত ১-৪-৬৪ তাৰিখৰ পৰা দিবলৈ পে কমিচনৰ সিদ্ধান্তৰ পৰিপ্রেক্ষিতত ঠিক কৰা হয়। দ্বিতীয় কথা হ'ল যে ইক'নমিক কাট ব্যৱস্থাৰ কাৰণে কেতবোৰ বৃত্তি বন্ধ কৰাৰ কথা আছিল যদিও বিভিন্ন ফালৰ পৰা বহুত ৰিপ্রেজেনটেশ্যন আহিল আৰু তাৰ পৰিপ্রেক্ষিতত চৰকাৰে বিবেচনা কৰিলে পুণৰ দিয়াৰ কাৰণে আৰু ফলত নতুনকৈ টকাৰ দৰকাৰ হ'ল। তৃতীয়তে মাননীয় সদস্য পিটসিং কোঁৱৰ ডাঙৰীয়াই দু-বছৰৰ আগৰ টকাৰ কথা কৈছে। সেইটো এতিয়া আমাৰ হাতত পৰা

*Speech not corrected

নাই। যদি তেনেকৈয়ে কোনো চেংশ্যন দিয়া হৈ থাকে, চৰকাৰৰ দৃষ্টিগোচৰ হলে নিশ্চয় বিবেচনা কৰিম। শিক্ষক নিয়োগৰ দায়িত্ব ইন্সপেক্টৰ অৱ স্কুলচ বা ডি-আইৰ পৰা আঁতৰোৱা নাই। চৰকাৰী স্কুল কৰাৰ পিচত নবেম্বৰ মাহৰ আগতে কোনো স্কুলত কিমান প্ৰয়োজন আছে সেইটো জানিব পৰা হোৱা নাই কাৰণে ডি-পি-আই বা ইন্সপেক্টৰে নিয়োগ কৰিব পৰা নাই। ডিচেম্বৰ মাহৰ পৰা য'ত যেনেকৈ প্ৰয়োজন কৰা হব। মই আশাকৰো মাননীয় সদস্য সকলৰ উথাপিত প্ৰশ্ন কেইটাৰ যথাযথ উত্তৰ দিয়াৰ পিচত তেখেতসকলৰ আপত্তি উঠাই লয় আৰু সমৰ্থন আগ বঢ়াব।

*শ্ৰীনগেন বৰুৱা:— মোৰ প্ৰশ্নৰ পৰিস্কাৰ উত্তৰ পোৱা নাই। এডিচনেল টকা পৰিপুৰক দাবীৰ পাচতো লোৱা কিন্তু হ'ল তাৰ ব্যাখ্যা দিয়া হোৱা নাই। কিমান টকা এই কাৰণে লৈছিল আৰু কিমান টকা পৰিপুৰক দাবীৰ যোগেদি লৈছিল কিন্তু অতিৰিক্ত কিমান টকা খৰছ কৰা হ'ল সেই হিচাবটো দিব লাগে।

মাননীয় অধ্যক্ষ:— কোঁৱৰে কিবা সুধিব ?

শ্ৰীপিটসিং কোঁৱৰ:— পঞ্চাশ লাখ টকা দিছিল এচ-চি, এচ-টি আৰু চৰ এলেকাৰ কাৰণে ছুবছৰ আগতে কিন্তু কি হ'ল ?

মাননীয় অধ্যক্ষ:— পুৰণা কথা।

শ্ৰীপিটসিং কোঁৱৰ:— টকাটো চাবেগাৰ কৰিবলগীয়া হ'ল অথচ শিক্ষক নোহোৱাকৈয়ে স্কুল চলি আছে এই কথাটো কব লাগে চাৰ।

*Speech not corrected

শ্ৰীহিতেশ্বৰ শইকীয়া :— শিক্ষক দিয়া হৈছে। এই টকাটো পিচত দিয়াৰ কাৰণে সিদ্ধান্ত কৰা কাৰণে ১-৪-৬৪ তাৰিখৰ পৰা দিব-লগীয়া হোৱাৰ কাৰণে দিয়া হৈছে।

শ্ৰীনগেন বৰুৱা :— সেইটো নহয় চাৰ। মোৰ কথা হ'ল পৰি-পুৰক দাবীৰে খৰচ মিতাবৰ কাৰণে সেই সময়ত বিচাৰা হৈছিল। আৰু দিয়াও হৈছিল। তাৰ বেইত সেই টকাৰে নোজৰা কাৰণে অতিৰিক্ত খৰছ কৰা হ'ল। কিন্তু কিমান থিনি নোজুৰিহল ?

শ্ৰীহিতেশ্বৰ শইকীয়া :— সেই সময়ৰ ভোট অৰ একাউণ্টত আছেই দেখোন।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— তেতিয়া ডেফিচিট চিচটেম নাছিল কিন্তু কাক দিয়া হৈছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া :— ডেফিচিট চিচ্‌টেমত থকা বিলাকত দিয়া হৈছে।

Mr. Speaker :— The motion is that an additional amount of Rs. 99,28,170 be granted to the Minister-in -charge for meeting certain excess expenditure during the year ending on the 31st March, 1967 for the administration of the head '28 Education'.

(The motion is passed).

The house stands adjourned till 2.30 p.m. to-day

( After Lunch )

Mr. Chairmam :— Now the demand No : 7.

Dr. Lutfur Rahman, :— On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 17,98,624 be granted to the Minister-in-charge for meeting certain excess expenditure during the year ending on the 31st March, 1967 for the administration of the head "30-Public Health-1— etc. "

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— সভাপতি মহোদয়, এই যে পাব্লিক হেল্থ ডিপাৰ্টমেণ্টে বিচাৰিছে ১৭,৯৮,৬২৪ টকা এই ডিমাণ্ডটোত যে বহুতো ত্ৰুটি বিচ্যুতি আছে এই কথাটো মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিব লাগিব। কিয়নো ইমান দিনে এই টকাটো বিধান সভাত মঞ্জুৰ নকৰাকৈয়ে খৰচ কৰা হৈ গল। এই খৰচ ১৯৬৬-৬৭ চনৰ পৰা আজিলৈকে সংশোধন কৰা নহল। ই বৰ পৰিতাপৰ কথা। মহোদয়, স্বাস্থ্য বিভাগৰ এচ ডি এম ও, আদিয়ে মানুহৰ স্বাস্থ্য ৰক্ষাৰ বিষয়ে একো কামেই কৰা নাই।

ডাঃ লুটফুৰ ৰহমান :— এইটো ইৰিগেশ্যন ইঞ্জিনিয়াৰৰ বিষয়ে স্বাস্থ্যৰ ফালৰ পৰা ইয়াৰ কোনো সম্বন্ধ নাই। আৰু এচ ডি এম ও ইয়াত নাহে।

*শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— পানীৰ লগতে হেল্থৰ কথাও জৰিত

*Speech not corrected

হৈ আছে। যি হওক হিচাবত ভুল কৰা কাৰণে ইমান দিনে এই টকা এডজাষ্ট কৰিব পৰা নাই। মই যিমান জানো একোটা কাম কেইবা বছৰ ধৰি চলি থাকে। এই ক্ষেত্ৰত মই গোলোকগঞ্জৰ এটা পানী যোগানৰ আচনিৰ কথাই কওঁ। তেওঁলোকে সেই আচনিৰ নামত আজিলৈকে মূল পানী যোগানৰ কামলৈকে আহিবলৈয়ে পৰা নাই। প্ৰস্তুতিৰ কামতেই লাগি আছে। এনেকৈ একোটা আচনি ৩ বছৰ ৪ বছৰ ৫ বছৰলৈ সম্পূৰ্ণ নহয়। কিন্তু এবছৰত সেই আচনিৰ কাৰণে খৰচ নোহোৱা টকা খিনি বছৰৰ পিচত ৰাখিব নোৱাৰে। গতিকে এই বিলাকত বহুতো বেয়া মটিভ আছে। আৰু পিচৰ বছৰত হয়তো নানা বস্তুৰ দামেই বাঢ়ি যায় আৰু সেই কাৰণে আকৌ টকা ধৰিবলগীয়া হয়। ইয়াৰ কাৰণে যিসকল অফিচাৰ দায়ি তেওঁলোকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিশেষকৈ মন্ত্ৰী বা কেবিনেটৰ ক্ষেত্ৰত এনে ত্ৰুটি বিচ্যুতি থকাটো নিতান্ত অনুচিত। মই এই বিধান সভাত আজি ১১ বছৰ থাকিলো আজি ১১ বছৰে ইমানৰ ত্ৰুটি বিচ্যুতিৰ কথা শুনা নাই। আনকি স্বাধীনতাৰ পিচতো আমি যি পাইছো এনেধৰণৰ ঘটনা আগতে হোৱা নাছিল নেকি? ইমান দিনৰ পুৰণা বিল পাচ কৰা মই দেখা নাই। যিয়েই হওক এনে ভুল যাতে ভৱিষ্যতে নাথাকে তাৰ কাৰণে মই মন্ত্ৰী সকলৰ চোকা দৃষ্টি আকৰ্ষণ কৰিলো। মন্ত্ৰীয়ে চাব যাতে ভৱিষ্যতে এনেকুৱা বিধৰ ভুল বিলাক নাথাকে।

শ্ৰীসোনেশ্বৰ বৰা :— সভাপতি ডাঙৰীয়া, এই বিষয়টো ১৯৬৭ চনৰ ৩১ মাৰ্চৰ অৰ্থাৎ ১৯৬৬ চনৰ বাজেট বছৰৰ টকা। ঠিক একে ধৰণৰ বিষয়ে মই আগ বেলাও আলোচনা কৰিছো। এই টকা খৰচ কৰা সম্পৰ্কত আচলতে চৰকাৰৰ শুদ্ধ আচনি নাছিল। আৰু শুদ্ধ আচনি নথকাৰ কাৰণেই বছৰৰ

শেষ সময়ত অত ডত কাম কৰিবলৈ দিয়া হৈছিল। মই আগতেও কৈছো যে এনে ধৰণৰ খৰচ অকল সেই বছৰতেই নহয় নিৰ্ব্বাচনৰ বছৰতো তেনে ধৰণৰ খৰচ এই চৰকাৰে কৰা আমি দেখি আহিছো। এই চৰকাৰে সাধাৰণ নিৰ্ব্বাচনত আগৰ প্ৰতি বছৰে এই চৰকাৰৰ পক্ষতো নিৰ্ব্বাচনত জয়লাভ কৰিবলৈ এনে ধৰণৰ খেলি মেলি কাম কৰিয়েই আহিছে। এইটো এটা বৰ বেয়া দৃষ্টান্ত ৰাইজৰ সমুখত কৰি থাকে। গতিকে প্ৰকৃততে এই খৰচটো কি কামত কৰা হ'ল আৰু কিয়নো ইমান কেই-বছৰ বিধান সভাত পাচ নকৰাকৈ পেলাই থলে এই কথা বিলাক পৰি-পাতিকৈ বিধান সভাত সকলো কথা স্বীকাৰ কৰা ভাল। নহলে এনে ধৰণৰ বাতবৰণ দেশৰ জনসাধাৰণৰ সমুখত এটা সমালোচনাৰ বিষয় হৈ থাকে। প্ৰতিটো ক্ষেত্ৰতে দেখা গৈছে যে এই চৰকাৰৰ ভূলটো মানি লব নোখোজে। আপোনালোকে চাওঁক যোৱা বছৰ নবেম্বৰ, ডিচেম্বৰ মাহত এ আই চি চি মিটিং যেতিয়া জহৰ নগৰত পতা হৈছিল তেতিয়া প্ৰধান মন্ত্ৰী আৰু কংগ্ৰেছ সভাপতিৰ দুটা ঘৰৰ কাৰণে পানী যোগান দিবলৈ ৭৮ লাখ টকালৈকে খৰচ কৰিছিল। সেই টকা খিনিৰ— মঞ্জুৰীৰ কাৰণে বিধান সভাত কেতিয়া আহিব নে এনেকেয়ে এৰি থৰ্ক। এনেধৰণৰ কথা চাৰিও পিনে ঘটিয়ে আছে। উদাহৰণস্ব মই শিৱসাগৰৰ চাৰ্কিচত পানী যোগানৰ কথাকেই কওঁ। আজি ইমানদিনে সেই আচনিৰ কাম হৈ উঠা নাই। মোৰ সমষ্টি গোলাঘাটতো পানী যোগানৰ অৱস্থাটো তদ্ৰুপ এতিয়া কোন ভলন্টিয়াৰে কোন পিনে টানে সেইমতে কোনো সময়ত কিবা এটা হব। অৱশ্যে সকলো বিলাক বিল আপোনালোকৰ বহু ভোটৰ বলতেই নিশ্চয় পাচ কৰিব কাৰণ 'সৰহীয়া নাও বামেৰেও যায়' গতিকে

*Speech not corrected

অধিক ভোটেৰে এই বিল পাচ কৰি নিয়াটো একো ডাঙৰ কথা নহয় কিন্তু কথা হ'ল আজি ১০ বছৰ আগতে যি মন্ত্ৰী সভা আছিল সেই মন্ত্ৰী প্ৰভা নাই। তেতিয়াৰ মুখ্যমন্ত্ৰীও নাই, স্বাস্থ্য মন্ত্ৰীও নাই, বিত্ত মন্ত্ৰীও নাই আৰু তেতিয়াৰ বিধান সভাও নাই।

এতিয়া আমি এই বিল খন খাতিৰতে পাচ কৰি দিবলগীয়া হৈছে। আমি এইবিলাক কথা তুলি আগৰ কোনো মন্ত্ৰী বা অফিচাৰক সম্পত্তি ক্ৰোক কৰি এই পইচা আদায় কৰিব নোখোজো। কিন্তু এই-খিনি জানিব বিচাৰো যে কাৰ দোষত এই পইচা বিলাক খৰচ কৰাৰ পিচতো বিধান সভাৰ অনুমোদন নোলোৱাকৈ পেলাই থৈছে আৰু এতিয় পাচ কৰিব লগীয়া হৈছে। এই কথাটো এই বিধান সভাই জনাটো আৱশ্যক। যোৱা বছৰ জহৰ নগৰতো ঠিক তেনেকৈ মূল কথাটো উল্লেখ নকৰাকৈ টকাৰ মঞ্জুৰী নি কিছুমান টকা খৰচ কৰা হল। আৰু তেনে-কৈয়ে নিৰ্ব্বাচনতো টকা খৰছ কৰা হৈছে। কিন্তু মূল কথা আমি পাহৰি নাজাও। এনেকৈয়ে এখন বুৰঞ্জীৰ সৃষ্টি হৈছে। কিন্তু আজি 'জুইৰ আঙঠা যেনেকৈ কাপোৰেৰে ধাকি ৰাখিব নোৱাৰি, সচা কথাও তেনেকৈ ৰাখিব নোৱাৰি' কিন্তু চৰকাৰৰ পক্ষৰ পৰা এইটো পৰিস্কাৰ কৰি দেখুউৱা উচিত। যাতে ভৱিষ্যতে তেনেধৰণৰ ত্ৰুটি বিচ্যুতি ৰাখি দেশ চলাব নোৱাৰে ইয়াকে জানিবলৈ বিচাৰি মই এই কথা খিনি বিধান সভাত দাঙি ধৰিলো।

Dr. Lutfur Rahman :— Sir, it if a fact that a mistake was committed by the officers in the year 1966-67. Stock materials were used but this was not reflected in the budgeted expenditure. This was later

on detected and therefore this shortfall is now being sought to be regularised by this grant.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— অসমীয়াত আছে স্থগিত জমা বিষয়ক হিচাব সঠিক ৰূপে জমা নিৰূপণ নকৰাৰ ফলত জনস্বাস্থ্য বাজেটৰ শিভানত টকাৰ নাটনি পৰে। জমা ঠিক মতে নিৰূপণ নকৰাৰ ফলত যি ক্ৰুটি হৈছে তাৰ কাৰণে যি সকল অফিচাৰ দায়ী তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱা হৈছে নে ?

ডাঃ লুটফুৰ ৰহমান :— অফিচাৰ সকেট কৰাৰ ব্যৱস্থা লব লাগিলে আমি লম।

Mr. Chairman (Shri Lila Kanta Bora) :— The motion is that an additional amount of Rs 17,58,642 be granted to the Minister in charge for meeting certain excess expenditure during the year ending on the 31st March, 1967 for the administration of the head "30 Public Health 1 etc."

(The Motion was carried Grant No 20 was passed)

Shri Gajen Tanti :— On the recomendation of the Governer of Assam. I beg, Sir, to move that an additionel amount of Rs. 90,508 be granted to the Minister in charge for meeting certain excess expenditure during the year ending on the 31st March 1967

for the administration of 'the head "37- Community Development Projects."

Mr. Chairman Shri Lila Kanta Bora :— The Demand is that an additional amount of Rs. 90,558 be granted to the Minister in-charge for meeting certaing excess expenditure during the year ending on the 31st March, 1967 for the administation of the head "37-I-Community Development projects":

( The Motion was carried-Grant No. 30 was passed. )

Shri Hiteswar Saikia :— On the reco mmendation of the Governor or Assam, I beg, Sir, to move that an additional amount of Rs. 3,459 be granted to the Minister in-charge for meeting certain excess expeneiture during the year ending on the 31st March 1967 for the administration of the head "39-Misc. Sociel and Developmental orgatisation-X-Preservation and Trenslation of Ancient Manuscripts."

Mr. Chairman Shri Lila Kanta Bora :— The demand is that an additional amount of Rs. 3459 be granted to the Minister in-charge for meeting certain excess expenditure during the year ending on the 31st March 1967 for the administration of the head "39-Misc. Social

and Developmental Organisation-X-Preservation and Trns-lation of Ancient Manuscripts".

The Motion was carried-the Grant No. 42 was passed.

Shri Lakshya Nath Doley :— On the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 15,48,791 be granted to the Minister in charge for the meeting certain excess expenditure during the year ending on the 31st March, 1967 for the administration of the head "44-Irrigation, Navigation Embank- ment and Drainage works ( Non- Commercial and "100-C.O" Capital outlay on I. N. E. D.works ( Non-Commercial )

Shri Dulal Chandra Barua :— Sir, on a point of clarification or rather on a point of order. I want to know who is the Minister in-charge of Embank-ment and Drainage ?

শ্ৰীলক্ষ্যনাথ দলে :— ১৯৭৬-৭৭ চনত জলসিঞ্চন আৰু বাননিয়ন্ত্ৰণ একেটা বিভাগতে আছিল। সেই কাৰণে তেতিয়া যি বিলাক খৰচ কৰা হৈছিল সেই বিলাক একেলগেই কৰা হৈছিল। এতিয়া খৰচৰ শিতানত ইৰিগেচনত কিমান খৰচ হৈছিল আৰু ফ্লাড

কনট্ৰলত কিমান খৰচ হৈছিল সেইটো বেলেগ বেলেগকৈ আইডেনটিফাই কৰিব পৰ নাযায়।

Mr. Chairman :— The Demand relates to Irrigation Department.

Shri Dulal Chandra Barua :— Yes, Sir, Proviously it was under the same Department. I mean to say that Flood Control and Irrigation Departments were taggad together. Now, it has been separated.

শ্ৰীসোনেশ্বৰ বৰা :— তেতিয়া দপ্তৰ ভাগ হোৱা নাছিল। এতিয়া দপ্তৰ ভাগ হৈছে। আৰু মন্ত্ৰীও ভাগ হৈছে। গতিকে ভাগ ভাগকৈ আনিব লাগে।

শ্ৰীলক্ষ্মীনাথ দলে :— এই খৰচ ইৰিগেচনত কৰা হৈছিল। ইৰিগেচনৰ মন্ত্ৰী হিচাবে দাবীটো উথাপন কৰা হৈছে।

Shri Dulal Chandra Barua :— তেখেতে গোটেই বিলাক খহতীয়াই যোৱাৰ কথা কৈছে। That sould be maintained under the tow different heads. That is the financial procudure. Because the Govt. has now taken a decision that there should be two different Department, therefore the are to be processed through two different departments. That is the financial rules.

Mr. Chairman :— At that time, there was only

one Department.

Shri Dulal Chandra Barua :— Whole thing is irrigular because of the fact that at that time expenditure was incurred under one Head. Now, they have changed their Heads and P.A.C. has asked for regularisation of the amount. therefore, if it is to be regularised at all, it has to be regularssed under the present Head. This is the financial rules. The particular Head is not in existence now.

Shri Sarat Chandra Sinha :— The expenditure incurred in the past and now it will be regularised under that Head. Therefore, it is perfactly alright.

Shri Dulal Chandra Barua :— But that particular Head is no longer in existence now.

Mr. Chairman :— As it was done under that Head it will be regularised under that Head alone. There is no irregularity in that.

Shri Dulal Chandra Barua :— That mean when a man is dead, if he is burried how can he appear again ?

Mr. Chairman :— That thing will have to be replied to in that name, not in other name.

Shri Dulal Chandra Barua :— Financial Rules do not permit such kind of regularisation.

Mr. Chairman :— I hold the Grant is in order.

Shri Dulal Chandra Barna :— Sir, under what Rules ?

Shri Md. Idris :— The expenditure was incurred under certain Head in the year 1966-67 and that expenditure was incurred without taking sanction of the Legislature. Now, to regularise that account Public Acconts Committee has asked that expenditure should be regularised. Therefore, it must be under the same Head.

Shri Dulal Chandra Barua :— But that Head is no more there. The public Account Committee also in their explanatory note has not indicated under with Head it should be regularised ; they have simply asked that the excess should be regularised.

Shri Md. Idris :— Therefore, how can we change the Head now ?

Shri Dulal Chandra Barua :— Your Heads are not there. Your heads have been cut of and even if, therefore, you continue, the I shall have nothing to say.

Mr. Chairman :—Grant No. 43 it is in order.

Shri Dulal Chandra Barua :— That Head are not there. If anything is to be regularised it should be regularised under the present Head.

Shri Md. Umaruddin :— The point is that the expenditure relates to the Budget estimate for the year 1966-67. Now whatever expenditure was made under certain Head, it will now have to be adjusted under that Head alone. Therefore, the Minister in-Charge of Irrigation has rightly moved the Motion for regularisation.

Mr. Chairman :— I hold there is nothing irregular in it.

Shri Dulal Chandra Barua :— I submit to your ruling, Sir. But, I want to know under what financial rules this change of Heads has been made.

Shri Md. Umaruddin :— My submission is that the Budge tary Rules has a provision for

postfac to regularisation. We are not going to spent any more money on that. It is a question of rugularisation. The expenditure involved has now come to Irrigation Department. Therefore, it is in quite order that the Minister in-charge of Irrigation has moved for regularisation.

Mr. Chairman :—Since the expenditure was incurred it should be regularised under the particular Head where form it spent. Therefore, it is in order.

*শ্ৰীনগেন বৰুৱা :— মাননীয় চেয়াৰমেন মহোদয়, এক্সপ্লানেটৰি নোটত ইয়াত যি কেইটা কথা কোৱা হৈছে তাত এক নম্বৰতেই কোৱা হৈছে যে, Execution of urgent repair works আৰু দুই নম্বৰটো কোৱা হৈছে যে, Filling up of vacant posts and purchage and mainte name of vchicles যি বিলাক 'ভেকেণ্ট পোষ্ট' ওলাল সেই বিলাকৰ ক্ষেত্ৰত আগৰ পৰাই যি বিলাক ৰেগুলাৰ পোষ্ট আছে। সেই বিলাকত কোনো কৰ্ম্মচাৰীয়ে জইন কৰিলে সেই বিলাক ভেকেণ্ট পোষ্ট বুলি ধৰা হয়। মূল বাজেট শেষ কৰোতেও এই বিলাক ভেকেণ্ট আছিল। তাত মানুহ নিয়োগক ৰলে যিটো খৰচ হয় সেইটো মূল বাজেট বা চাপ্লিমেণ্টৰী বাজেটতো আহিবপাৰিলে হেতেন। কি কাৰণত পিচত চাপ্লিমেণ্টৰী বাজেটত এইটো খৰছ কৰা হল আৰু সেইটো চাপ্লিমেণ্টৰী বাজেট পেছকৰাৰ সময়ত 'অবিজিনেলি' এই পোষ্টাৰ বিলাকৰ খৰছ

*Speech not corrected

দেখুউৰা হৈছিল নে নাই ? এই বিলাক কথা ভালকৈ ইয়াত পৰিস্কাৰ কৰি দিয়া হোৱা নাই । ভেকেণ্ট হৈ থকা পোষ্ট বিলাক কি কি আছিল, কেতিয়াৰ পৰাই এইবোৰ ভেকেণ্ট হৈ আছে।, কি কাৰণে পূৰণ কৰা হোৱা নাই, পূৰণ কৰিলে কিমান টকাৰ খৰছৰ প্ৰশ্ন জড়িত আছে এই গোটেই কথাবিলাক পৰিস্কাৰ ভাৱে জানিবৰ কাৰণে আমি দাবী জনাইছো। কিমান খিনি যান বাহানৰ প্ৰয়োজন আছিল সেইবিলাক মূল বাজেটত দেখুউৰা হয় ।, নাইবা অতি জৰুৰী হলে সেই বিলাক খৰছ কৰি পিছত চাপ্লিমেণ্টৰী বাজেটত আছে। কিন্তু এইবিলাক মূল বাজেটতো নাই আৰু চাপ্লিমেণ্টৰী বাজেটতো নাই। গতিকে সবিশেষ আমি এই বিলাকো পৰিস্কাৰকৈ জানিব বিচাৰিছো লিয়াবিলিটিজৰ ক্ষেত্ৰটো কি ধৰণৰ লিয়াবিলিটিজ হথাৎ এই ধৰণেৰেই আহি পৰিল, এই ক্ষেত্ৰত আমাৰ ৰিপেয়াৰ কৰি খৰছ কৰিলে, এণ্টিচিপেটেড পাৰ্চেজৰ ক্ষেত্ৰত খৰছ কৰিলে এইবিলাক ইয়াত পৰিস্কাৰহৈ আছে যে, There was possibility of the additional allocation. The Expenditure had to be madet for taking up there importent works in the internet of public service and in the expectation of additional allecation. এক্সট্ৰাৱ্‌লিচমেণ্টৰ কাৰণে 'ইনিচিয়েল বুক' কৰোতেও মূল আৰু চাপ্লিমেণ্টৰী বাজেটত কিয় দেখুৱাব নোৱাৰিলে সেইটোও আমি জানিবলৈ বিচাৰিছো। ধাৰাবাহিক ভাৱে দেখা গৈছে যে, 'পাব্‌লিক ইণ্টাৰেষ্টৰ' কাৰণেই খৰছ কৰা হৈছে । 'পাব্‌লিকৰ' নামত থৈ সকলো বিলাক কাম কৰি থকা হৈছে । পাব্‌লিক ইণ্টাৰেষ্ট'ৰ কাৰণেই এইদৰে চাৰি পাছটা শিতানত চাৰে সোতৰ লাখ মান টকাৰেওপৰলি খৰছ হৈছে । কেনেকৈ এইটো হবলৈ পাইছে তাকে বিভংভাৱে জানিব বিচাৰিছোঁ। । ইয়াৰ বিতৰ্কত

ইৰিগেশ্বন, এম্বেংক্মেণ্ট, নেভিগেশ্বন, ইত্যাদিত এইদৰে খৰছ হোৱা সকলো বিলাক টকাৰ ইতিবৃত্ত সথিকৈ আৰু খাটাংকৈ জানিব বিছাৰিছোঁ।

* শ্ৰীলক্ষ্যনাথ দলে :— মাননীয় মহোদয়, আপোনি জানে যে, ১৯৬৬ চনত হোৱা বানপানীত অসম ৰাজ্যৰ গোটেই ৰাজ্যখনৰে মঠাউৰি বোৰ চিন্ন-বিচিন্ন হৈ গৈছিল। ১৯৬৬ চনত হোৱা এই প্ৰলয়ংকৰী বানপানীত ৰাজ্যখনৰ জলসিঞ্চন আচনি সমূহৰ এক বিৰাট ক্ষতিসাধন হল। আজি যিটো অতিৰিক্ত টকাৰ হিচাব ইয়াত দাঙি ধৰা হৈছে সেইটো এই বিলাক কামতেই খৰছ কৰা হৈছিল। ৰিপেয়াৰৰ কাম মঠাউৰী চিঙাৰ পৰা কৰাটো নহয়, গড়াখহনীয়াৰ ফলত যিবিলাক মঠাউৰি চিগিল সেই বিলাকত অৰ্থ্যাত ৰিটায়াৰ বান্ধত খৰছ কৰা হৈছিল। বানপানী কিমান ডাঙৰ হব পাৰে, কিমান টকাৰ খৰছ পৰিব সেইবিলাক কথা অনুমান কৰিব নোৱাৰি। গোটেই মঠাউৰী পুনৰ নিৰ্ম্মণ নকৰিলেও পিচৰ বানপানীত ৰাইজৰ বিস্তৰ ক্ষতি হব পাৰে বুলি অনুমান কৰিয়েই কিছুমান কাম লৰালৰিকৈ কৰিব লগিয়া হয়।

তাৰ পাচত আপোনাৰ নিশ্চয় জ্ঞাত আছে যে, ১৯৬৬-৬৭ চনৰ সময়ত জলসিঞ্চন আৰু বাননিয়ন্ত্ৰণ ক্ৰমে দুটা বিভাগ আছিল। অফি-চাৰ নোহোৱা হেতুকে লগে লগে এচিচষ্টেণ্ট ইঞ্জিনিয়াৰ বা চাবৰডিনেট ইঞ্জিয়াৰ হিচাবে নিযুক্তি দিয়া হয়। তাৰ পিচত পাৰচেজ আৰু মেইনটেন্সৰ ক্ষেত্ৰত কওঁ যে, এই দুয়োটা বিভাগেই গাড়ী গুৰা আদি কিনিছিল। আপুনি জানে গাড়ী গুৰা কিনিলে তাৰ মেৰামতিৰ কাৰণে এটা খৰচৰ প্ৰয়োজন। পেমেণ্ট আৰু আন এণ্টিচিপেটেদ লাইএবিলিটিৰ-

*Speech not Corrected

ক্ষেত্রত আগৰ বছৰৰ বিল বিলাক আহিলে পেমেণ্ট কৰিব লগা হয়। তাৰোপৰি বানপানী আদি ক্ষতি হোৱা মঠাউৰী মেৰামতি বা একটেঞ্চনৰ ক্ষেত্রত অতিৰিক্ত টকা খৰছ কৰিবলগা হয়। আন হাতেদি আমি এই বিলাক কাম কৰিবলৈ যাওতে যি বিলাক মঞ্জুৰী পাম বুলি আশা কৰিছিলো সেই মঞ্জুৰী নোপোৱাত ইয়াৰ টকাই খৰচ হল। তাৰ পিচত জলসিঞ্চন আৰু বাননিয়ন্ত্রণ বিভাগ দুটাটো নানা ৰকমৰ আহিলা পাতি যেনে বুলডজাৰ, বাম্পাৰ আদি মেচিন কিনিব লগা হোৱাত বহুত টকা খৰচ কৰা হৈছিল।

( ভইচ— কিনা হৈছিলনে ? )

হয়, কিনা হৈছিল। ৰাজহুৱা স্বাৰ্থৰ কাৰণেই এই বিলাক খৰচ কৰা হৈছে। সেইকাৰণে আশাকৰো মাননীয় সদস্য সকলে এই দাবীটো গ্রহণ কৰাত আপত্তি নাথাকে।

* শ্রীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, মন্ত্রীমহোদয়ে যেনে ধৰণে প্রত্যুত্তৰ দিছে সেইখিনিৰ বিষয়ে তেখেতে নিজেই পৰিস্কাৰ হোৱা নাই। তেখেতে প্রথমতে উত্থাপন কৰতো জলসিঞ্চন বিভাগ বুলি কৈছিল তাৰ পাচত বাননিয়ন্ত্রণ বিভাগ বুলি কলে। এতিয়া মঠাউৰী মেৰামতি কৰা হৈছে বুলি কৈছে। আমাৰ অসমত প্রত্যেক বছৰেই বানপানী আহে এইটো সকলোৱে জানে আৰু তাৰ কাৰণে এই বিধান সভাতে অনুমোদন লোৱা হৈছিল। সেই বছৰত মাঘ, ফাগুন মাহতে বানপানী আহিছিল নেকি ? ভেকেণ্ট পষ্টৰ কাৰণে বোধকৰো নিশ্চয় আগতেই বাজেটত টকা ধৰা হৈছিল।

মাননীয় অধ্যক্ষ :— আপুনি বক্তৃতা নিদিব। স্পষ্টীকৰণ বিচাৰক।

*শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— অধ্যক্ষ মহোদয় মই এটা স্পষ্টিকৰণ বিচাৰিছোঁ। তেখেতে দুয়োটা কথাকে কৈছে। যদি বানয়িয়ন্ত্ৰণৰ কাৰণে টকা খৰচ কৰা হৈছিল তেতিয়াহলে বাননিয়ন্ত্ৰণ মন্ত্ৰীয়ে উত্তৰ দিয়াটো উচিত আছিল। তেখেতে ব্যাখ্যাত কৈছে যে, টকা খিনি মেৰামতিত খৰচ কৰা হল। প্ৰকৃততে টকা খিনি কি কাৰণত খৰচ কৰা হৈছে। যদি দুয়োটাতে খৰচ কৰা হৈছে কিমান কিমান খৰচ কৰা হৈছে ?

শ্ৰীলক্ষ্যনাথ দলে :— অধ্যক্ষ মহোদয়, কিমানত কিমান খৰচ কৰা হৈছে সেইটো কব পৰা নহব। সেই সময়ত দুটা বেলেগ বেলেগ বিভাগ আছিল। ফলত একেটা হেডতে টকা পইচা খৰচ কৰা হৈছিল। আজি সেই গোটেই বস্তুটো এটা অংক কৰি চালেহে গম পোৱা যাব।

মাননীয় অধ্যক্ষ :— মাননীয় সদস্য সকলে পি এ চিৰ ৰিপৰ্ট খন মতে আলোচনা কৰিলে ভাল হয়। ( Discussion would be limited only on this point that the money has been spent unnecssarily and so ought not to be spent )

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— অধ্যক্ষ মহোদয়, তেখেতে বাননিয়ন্ত্ৰণৰ কাৰণে খৰচ কৰা হৈছে বুলি কৈছে।

মাননীয় অধ্যক্ষ :— সেইসময়ত তেনেকুৱা আছিল।

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, এক্সপ্লেনেটেৰী টোকাত যি দিছে আমি তাৰ বাহিৰত যোৱা নাই।

মাননীয় অধ্যক্ষ :— আপোনালোকে ৰিপৰ্টখন পঢ়িলেই গম পাব।

*Speech not corrected

শ্রীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী সকলে যেতিয়া গ্ৰাণ্ট পাচ কৰাৰ কাৰণে আহিছে আমি ভাবিছো। তেখেত সকলৰ হাতত সেই ইনফৰমেচন আছে।

শ্রীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, চৰকাৰৰ পৰা মই এটা স্পষ্টিকৰণ বিচাৰিছোঁ। বাজেট আৰম্ভ হয় এক এপ্ৰিলৰ পৰা। মে', জুন, জুলাই মাহতে বানপানী হয়। আমাৰ নগেন বৰুৱা ডাঙৰীয়াই কৈছে যে, মাঘ, ফাগুন মাহতে বাপপানী আহিল নে কি? কাৰণ বাজেটৰ শেষ মুহূৰ্ত্তত হে অজানিতকাৰণত খৰচ হয়। এতিয়া দুৰ্যোগ বিলাক মাৰ্চ মাহৰ আগতেই হল নেকি?

শ্রীলক্ষ্য নাথ দলে :— অধ্যক্ষ মহোদয় চাপ্লিমেণ্টৰি ডিমাণ্ড বিলাক এনেকুৱা শৰত কালীন অধিবেশনতে পাচ হৈ যায়। এইটো পাচ নোহোৱাৰ কাৰণেই এতিয়া এইটো ৰেগুলাৰাইজ কৰা হৈছে।

শ্রীদুলাল বৰুৱা :— অধ্যক্ষ মহোদয়, আপুনি কৈছে যে, পি এ চিয়ে যি ৰিপৰ্ট দিছে সেইমতে আলোচনা কৰিলে ভাল হয়। কিন্তু মন্ত্ৰীমহোদয়ে যিটো ব্যাখ্যা দিছে একচেচ ডিমাণ্ড ফৰ গ্ৰাণ্ট সেইটো ঠিক হোৱা নাই। পি এ চিৰ অনুমোদন মতে সেইটো পৰীক্ষা নিৰীক্ষা কৰি চোৱা হৈছে নে? আৰু সেই পৰীক্ষা নিৰীক্ষা থিনি বিধান সভাত দাঙি ধৰিবনে? নহলে কি ভিত্তি এই গ্ৰাণ্ড লবলৈ আহিছে?

মাননীয় অধ্যক্ষ :— এইটো উত্থাপন কৰিবলৈ বাধ্য আৰু এইটো একচেচ হোৱা বুলি কৈছিল।

শ্রীদুলাল চন্দ্ৰ বৰুৱা :— যেতিয়া ৰিকমেণ্ড কৰে ৰেগুলাৰাইজড

কৰিবৰ সময়ত তেতিয়া সকলো খুটি-নাতি ব্যাখ্যা কৰিব লাগে আৰু কোৱা হৈছে যে এইটো কৰিব পাৰিছে বুলি প্ৰমাণিত কৰিব পাৰিব লাগিব। সেই কাৰণে ক'ত কেনেকৈ খৰচ হৈছে এটা ব্যাখ্যা দিলেহে পাব্লিক একাউণ্টচ কমিটিয়ে কি কমেণ্ড দিছে ৰিপৰ্টত সেইটো ধৰিব পাৰিম।

শ্ৰীলক্ষ্য নাথ দলে :— পাব্লিক একাউণ্টচ কমিটিয়ে কি কমেণ্ড কৰিছে - সেইটো তেখেত সকলৰ ৰিপৰ্টত আছে। গতিকে সেইটো মই কওঁ কেনেকৈ। The Public Accounts Committee must have gone into all these and made its recommendation on those points. I will request the hon'ble member to go through the report of the Public Accounts Committee.

শ্ৰীদুলাল বৰুৱা :— পি, এ, চি, য়ে কি পইণ্টৰ ওপৰত ভিত্তি কৰি কথাটো কৈছে - সেইটো ইয়াত কব লাগে। মন্ত্ৰীয়ে এটা চৰকাৰ ৰিপ্ৰেজেণ্ট কৰে - গতিকে পাব্লিক একাউণ্টচ কমিটিৰ অবজাৰ্ভেচন খিলাক কব লাগে।

শ্ৰীউপেন দাস :— ৰেজিষ্টেশ্বন অফিচত আগৰে পৰাই যি বিলাক বিধি ব্যৱস্থা চলি আছে আছেই ! বাকী বিলাক কিছুমান কমিস্বন ব্যছিছত লোৱা হয় । তাত খৰছ কম । বিশেষকৈ মাঘ, ফাগুন মাহত দলিল ৰেজিষ্ট্ৰেশ্বনৰ মাত্ৰা বেছি হয় । ফলত একষ্ট্ৰা খৰছ কৰিব লগীয়া হয় । সেইকাৰণেই কিছুমান ক্ষেত্ৰত 'ফৰ্ছিঙ' কৰা নহয় । সেই বিলাক মিটকৰিবলৈ যাওঁতেই অতিৰিক্ত ভৰিবলগীয় হয় । সেইটোকে এতিয়া বিছৰা হৈছে । এই সংক্ৰান্তত যিবিলাক ডিমাণ্ড আহিছে সেই বিলাক বিবেচনা কৰি থকা হৈছে । পিছত কিবা এটা কৰা হব !

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— ৰেজিষ্ট্ৰাচন দুই প্ৰাকাৰৰ ৷ কমিস্বন আৰু চৰকাৰী বেছিছত কৰা হয় । একে ধৰণৰ লিখাত আপত্তি হব পাৰে । কমিস্বন ব্যছিছত থকাৰ কাৰণে এই যন্ত্ৰটো শোষণ যন্ত্ৰত পৰিণত হৈছে সেইটো মন্ত্ৰী মহোদয়ে জানেনে ? যেতিয়া এডোখৰ মাটি কিনিবলৈ বা বন্ধকত দিবলৈ ব্যৱস্থা কৰা হয় তেতিয়া যিমান পইছা লয় সেইটো অসম্ভৱ কথা । এইদৰে যাতে শোষণ কৰিব নোৱাৰে তাৰ কাৰণে পৰিদৰ্শনৰ ব্যৱস্থা কৰিব পাৰিবনে ?

শ্রীউপেন দাস :— সেইবিলাক বিবেচনা কৰি থকা হৈছে আৰু ডিমাণ্ড অনুসৰি ঠায়ে ঠায়ে কৰা হয়।

Mr. Speaker :— Order, order. It is 5 P. M. Now I put the demands for excess grants relating to year 1967-68 Nos. 4,5,6, 7,8,9,10,11,12,13,14,15,16,17,18, 19,20 and 21.

( after a pause )

The demands are passed.

Now I put the demands for excess grants relating to year 1968-69 Nos. 1,2,3,4,5,6,7,8,9,10,11,12,13,14, 15,16,17,18,and 19.

( after a pause )

The demandsare passed.

Next itme is Appropriation Bill. Let us break for to a for 20 minutes ?

Shri Dulal Chandra Barua :— Sir, befor that with your permission I want to have certain information from the Chief Minister. It is known to all that a few students from Dhing area have been resprting

to hunger strike since last 5/6 days and condition of one of the boys is very serious and he had to be shifted to hospital. I want to know what was the actual demand and whether Government has taken up the matter so that the fast can be broken.

Another near about 200/-00 normal-passed and basic tarining passed tearchers are also esorting to hunger strike all over Assam and whether this information was received by Government, I want to know from the Chief Minister and the Education Minister. If so, if something can be done to bring a settlement in the matter that may be indicated. Sir, we do not want to make political use this atsmosphera. So I would request the Chief Minister and the Aducation Minister to look into the matter and settle up the matter. This is the last Assembly Session for us and we also do not like all these hunger strikes and other things.

Another funny thing is that a few poor peassants who are members of some agricultural corporation from Goalpara have come all the way to resort to hunger strike. When I asked them they told me that Government assured to give them something i. e. they are to be given pay of Rs. 150/- but they have not been

given anything up till now. These people came here almost half naked and I have handed over the paper to the Agriculture Minister. So I would request the Govt. that they should be given what was committed to them.

Shri Giasuddin Ahmed - Sir, with your permission may I draw the attention of the Government to the fact that the G. P. Presidents of Dhubri Sub-Division have started hunged strike. The other day I raised this matter under Rule 301, I drew the attontion of the Government to the famine condition of the Sub-division of Dhubri. I would like to know what steps Government has taken by the time in this regard to solve the extreme hardship of the sub-division.

শ্ৰীকবীৰ ৰায় প্ৰধানী ঃ— অধ্যক্ষ মহোদয়, মই দুখেৰে সৈতে জনাব বিছাৰিছোঁ যে, ধুবুৰী মহকুমাৰ এটা ঘটনা সম্পৰ্কত- মই মুখ্য মন্ত্ৰী মহোদয়ক লিখিত ভাৱে আৰু মুখেৰেও জনাইছিলোঁ। কিন্তু আজিলৈকে তাৰ কোনো উত্তৰ পোৱা নাই। এইটো বৰ দুখজনক।

শ্ৰীৰামচন্দ্ৰ শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, যোৱা ৮ তাৰিখৰ পৰা দৰং জিলাৰ দিওবাৰী বাগিছাৰ শ্ৰমিক সকলে শতকৰা ২০ টকা বোনাচ লাগে বুলি ধৰ্ম্মঘট কৰি আছে। এই দুখীয়া শ্ৰমিক বিলাকৰ খাবলৈ নোহোৱা অৱস্থা হৈছে। আজি লিখিত ভাবে ডেপুটি কমিচনাৰ আৰু লেবাৰ কমিচনাৰক জনোৱা হৈছিল। কিন্তু আজিলৈকে তালৈ কোনো

যোৱা নাই । অৱশ্যে এতিয়ালৈকে বাগানৰ শ্ৰমিক বিলাকৰ ওপৰত কোনো ধৰণৰ অত্যাচাৰ হোৱা নাই । আজি এই বিষয়ে একো ব্যৱস্থা লোৱা নাই । চৰকাৰে সোনকালে ইয়াৰ কিবা এটা ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ— অধ্যক্ষ মহোদয়, কেইবাজনো সদস্যই কেইবাটাও বিষয় উত্থাপন কৰিছে । আমি ইয়াৰে কিছুমান কথা জানো আৰু যোগাযোগ কৰি আছোঁ । মাননীয় সদস্য ৰকৰা ডাঙৰীয়াই কোৱাৰ দৰে অশান্তিকৰ কোনো পৰিস্থিতিৰ যাতে উদ্ভৱ নহয় তাৰ কাৰণে চেষ্টা কৰি থকা হৈছে ।

Mr. Speaker - Let us shift now to Room No. 1 for tea. Official: Reporters, Press Reporters and officers on duty will please move to Room No. 1 for tea.

The House stands adjourned till 5-30 P. M.

( Break for Tea )

The House reassembled at 5-30 p. m. after tea-break with Hon'ble Speaker in the Chair.

Item No. 5:

Mr. Speaker :— First I may fix the time. (time fixed up to 7 p. m. )

Shri Md. Idris :— Sir, I beg leave to introduce the Assam Appropriation ( No III ) Bill, 1977.

( leave granted )

Mr. Speaker :— I have a message from the Governor :

" Rej Bhavan

Shillong, the 26th October, 1977

Under the provision of Article 207 ( 1 ) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend the introduction in the Assam Legisletive Assambly of the Assam appropriation ( No 111 ) Bill, 1977.

Sd/ Lallan Prased Singh,
Governor of Assam.

Shri Md. Idris, :— Sir, I beg to introduce the Bill.

( The Secretary, A.L.A., reads out the title of the Bill )

Mr. Speaker :— Here is a messege :—

"Raj Bhavan

Shillong, the 26th Oct'77

Under the Provison of Article 207 (8) of the Constitution of India, I, Lallan Prassd Singh, Governor

of Assam, recommend that the Assam Appropriation ( No. 111 ) Bill. 1977 be taken into consideration by the Assam Legislative Assembly.

Sd/ Lallan Prasad Singh,
Govornor of Assam.

Shri Md. Idris, :— Sir, I beg to move that the Assam Appropriation ( No. III ) Bill, 1977 be taken into consideration.

Mr. Speaker :— There is no amendment. and to the Minister may move the not motion.

Shri Md. Idris, :— Sir, I beg to move that the Assam Appropriation ( No. III ) Bill, 1977 be passed.

Mr. Speaker :— The motion is that the Assam Appropriation ( No. III ) Bill, 1977 be passed.

( The Bill passed )

Md. Idris, :— Sir, I beg leave to interoduce the Assam Appropristion ( No. IV ) Bill, 1977.

( Leave granted )

Mr. Speaker :— Here is a message :

"Raj Bhavan

Shillong, the 26th October 1977

Under the provision of Article 207 (1) of the Constitution of India I, Lallan Prasad Singh, Governor of Assam; recommond the introduction in the Assam Legisiative Assembly of the Assam Appropriation ( No. IV ) Bill, 1977.

Sd/Lallan Prasad Singh,
Governor of Assam

Shri Md. Idris, :— Sir, I beg to introduce the Bill.

( Secretary reads out the title or the Bill )

Mr, Speaker :— Here is a message :

'Raj Bhavan

Shillong, the 26th October 1977

Under the provision of Articale 207 (3) of the Constitution of India, I, Lallan presad Singh, Governor of Assam, recommend that the Assam Approprietion ( No. IV ) Bill, 1977 be then into consideration by

the Assam Legislstive Assembly.

Sd/ Lallan Presad Singh,
Governor of Assam

Shri Md. Idris, : - Sir, I beg to move that the Assam Appropriation (No. IV) Bill, 1977 be taken into consideration.

* Shri Dulal Chandra Barua :— Mr. Speaker Sir, while opposing the consideration of the Bill I want to make only one observation. As I have already stated earlier that this Government is not taking into consideration the recommendations made by various Committees including the Public Accounts Committee or in respect of expenditure incurred under various heads. The Public Accounts Committee, from time to time gives directions. recommendations the manner in which the Government should function in respect of financial rules and regulations and also in incurring expenditures under different heads. It is, of course, difficult on the part of the Committee to go through everithing or examine everything; but whatever possible way the Committee could examine, they mede

* Speech not Corrected

examinations and made recommendations to the Govt. But these recommendations have not been taken into consideration by the Government and I do not find Govt. in any single recommendation is fully implomented. Here I have found a head where the question of Mizo Hills disturbance was mentioned and the amount involved is about Rs, 3,90,500. In connection with this Mizo disturbance a huge amount has been spent and the observation made by the Committee is that nearly 21 crores of rupees was not properly accounted for and it was observed in terms of misappropriation and atfter proper enauiry into the matter the Committee recommended to the Government to setup a high power judicial enquiry within 6 months from the date of submission of the report. But till now no action to this effect has taken place. The Chief Secretary to the Govt. of Assam was called for and he came in the year 1974 and 1975 also with the words that the Govt. had made a process and decision will be intimated soon. But to my in formation no action as so far been taken by the Govt in that direction. It was a very specific recommendation made by the Public Accounts Committee. The reasson why no action on such recommendation is taken is that the Govt wanted

to flost the recommendation of the Committee as well as of the House. What makes them to keep silence on such a vital issue where crorss of rupees is invoived In addition to that Sir, this Government now promises that and we have also suggested that the recommendation made by the various committees are to be dealt in a separate cell. There should be cell. Parliamentary Cell has also been created to take action on various recommendations made by various committees of the House so that there can be some offective control over the finance, there can be some sort of streamlining in the administration and there by make the Government more officiant and also if necessary old rules be amended to cope with the present circumstences. But no action has been taken in that particular direction. No, it is of curse a process of democracy. But we should not take democracy in the way the present Government is taking. They are having majority and we are here having minority and we are here not to bring some sort of unnecessary criticism, we are here to put forward constructive criticism with a view to increase the efficiency of the administration and go give clean administration to the

people. During the last 6 years the performance that we have seen it is clear that the Govt. is completely callous and they are taking lightiy the serious and valuable recommendations made by the Committees from time to time. I went that the excessa is to be regularised by the House and we have also no objection for this but we want assurance from the Govt. that in futnre there are avided. I do not know who will come into power, but whoever comes into power there should be agrecord and the Govt. must give due importance to the reemmendations made by the Committees for the benefit to the Govt. it self and also to the people. Now, secondly I want to know that whenever the excess is committed. there should be some explanation for which excesses are to be committed and it does not meant that the House Should give free hands to the Govt. to commit excesses every-where. Therefore, instead of committing excesses on various expenditures, some sincere effort is to be made by the Govt. to take recourese to prepare the budget in such a way so that even at the time of such emergency we can coup with the situation and for which we used to give some constructive criticism only to improve the efficiency of the Govt. machinery :

Therefore, if Govt. actualiy are keen to have a performance budget then I think there would be no difficulty to change certain Heads of accounts. Therefore, if necessary the budgetary system is to be changed and also the budget are to be prepared in such a way which will meet the neet of the Govt: and the needs of ours. Now, I have seen various demands where excesses have been committed and at least here it has been stated that due to acute financial position the State Govt. had to take advance from the Reserve Bank of India. Now by committing such excess every time or every year there is a heavy pressure on the advance generally given by the Bank and for which there is large over draft. Time came when Reserve Bank of India refused to give advance to this Govt. We have got system of and if but I do not know why there cannot be a performance budget, but to some extent such kind of budget can be prepared so that we can avoid various excesses under various Heads. Therefore, Sir, I submit that although there is a provision under the financial rules or Budget Marual as well and there is provision in the Constitution that such kind of excess expenditure can be regularised with

the recommoendation of the Public Accounts Committee, Govt. should not take such financial action and if Govt. take such action we will consider it a back-door policy because this sort of thing will not improve the efficiency of the Govt. and if such kind of excess is there then there is scope for misuse of public fund. Now, as I have already said if you go through the recommendations that is made by the public Accounts Committee, in other stages P.A.C. has obsesrved that there is no clear indication that special recommendation can be put forward by the Govt. in respect of committing such excasses. They cannot give proper explanation because some of the Ministers have taken plea that due to flood, due to storm, dne to erosion, due to certain natural calamitise this sort of excesses have been committed; and said that this excesses were committed under various Heads which did not benefit the people. This excesses can be considered as a misappropriation of public fund. There is no-body to see about the excesses committed by various departments in the name of emergency, in the name of rehabilitation, in the name of relief control during the flood secison. They could not give proper performance of the grant. Rather a worst picture has been

depicted. Therefore' as far as possible when we are, preparing such plan and estimate on the basis of annual budget we should keep provision in the budget for such kind of emergency. Sir, some sort of extra-ordinry circumstances might be there and for which such budget provision was not adequate. Then definitely we could give this, but it should not be a regular feature.

Now, we have got 3 books and in the next year we will have another 3 books of excess which will be committed and this will go on. Therefore, I submit that this practice should be avoided and if necessary financial rules should be revised and should be amended so that we can have effective and proper performance budget, and we can bring up development of our back-ward State. Sir, with these words I oppoes the finance Bill.

* Mr. Md. Idris :— Mr speaker Sir, I am really grateful to the Hon'ble Member that he has advanced some good suggestiaons also. But at the sometime that I am not agreeting with him about hismid charge of misapp-

*Speech not corrected

ropriation: He himself once was the Chairman of the public Accounts Committee.

He knows that these accounts were audited by the Auditor General and had there been any occasion of misappropriation definetely that would have been brought to the notice of the Chairman. And there was an occasion for him to become Chairman of the P.A.C, Sir, about the recommendations of the various Committees regading smoth functioning of the administative departments, it is a very welcome suggestion and in this connection he has mentioned that there is a Cell in the Parliament to scrutinise such recommendation ; whether they have been materialsed, implomemented by the Govt. or not. If there is any Cell like that, I shall surely look into that. I will see whether these matters were placed before them or not. Sir, about the matter of Mizo Hills, the Hon'ble Member has said that about 21 crores of rupees were spent and P.A.C. wanted to have a thorough inquiry into this matter and that suggestion was advanced to the Govt. I shall have to inquire about that if really there is such kind of suggestion, and if so, I will see that it is implementad.

Mr. Dulal Chandra Barua :— Are we to understand that the Minister Finance is not very much keen about the recommendation that had Been made by the Special P.A.C. It was a very much specific recommendation by the P.A.C. and that was a time-bound recommendation which ought to have been implemented within six months from the date of recommendation. That was in the year 1972-73. Now it is 1977 but till tobay the Financc Minister can say that he is to examine and see if such report is there. Then I am really sorry to express my disappointment. It is very disappointing to know that Finance Minister is yet to take any action on such a serious matter. It is a very serious matter but yet the Govt. has not taken action uptil now. It is also very disappointing the Finance Minister is now coming forward with a plea that he will go through it.

Shri Md. Idris :— What friend has said is the correct pestion which I am going to state.

Mr. Dulal Chandra Barua :— Six months time was there and already five to six years have gone. ( interuption ) 21 crores of rupees were miappropriated.

Shri Md. Idris :— The Bill is under considera-

tion. But there is no matter like Mizo Hills mis-apropriation. I do not think there is such a thing. But officers T.A. or some thing like are there. I welcome his suggestion. Their recommendations should be pursued ; I have said about this suggestion, About performance Budget, this also a welcome measure. The Budget reflerts the income and expenditure. Therefore anybody can say that the budget estimates are perfect in that way. But by adopting the pirformance budget, we can improve. In that cource Govt. will definetely try to improve. This financial procafure is of all india Pattern. This is every where, so any matter in this direction will be most welcome thing that Govt. will accept that as early as possible. Sir, I have not much to say. my Hon'ble friend has already said about the expenditure and some times he has expressed about misappropriation. I have said that there is no room for misappropriation. Therefore all those grants are for excess expenditure which is not a ragular feature that usually happen ? As a matter of fact during these two / three years under very compelling clroumstances due to flood, due to storm the excesses vecurred. Receipt said could not improve with the expenditure and therefore, thier was a short-fall and Govt. had to take

recouree to over-draft and all other means. By and large that situation is not there now. Financial position of the State has improved. We have now got no over-draft. Our financial receipt said has also improved. Therefore, the suggestion of the Committees for improving the financial position is very much welcome. Since from our own endeavour we have little bit improved by adopting other recommeration and following other procedure the position could be further impaoved. That is always there and I just inform the hon'ble House that the financial position in the State for the years 1968-69 was such that there was no way out but to go for over-draft. Auy-way the si turation is now not there. This is not in existance now. Therefore, Sir, I think my friend will support the Bill to get it passed.

Mr. Speaker :— The question is that the Assam Appropriation ( No. IV ) Bill, 1977 be taken into consideration ( The motion is passeted )

Shri Md. Idris :— Sir, I beg 10 were that the Assam Appropriation ( No. IV ). Bill, 1977 be passed.

Mr. Speaker :— The ( question is that the ) Assam Appropriation ( No. IV ) Bill, 1977 be passed.

( The Bill and Passed )

Shri Md. Idris :— Sir, I beg leave of the House to introduce the Assan Appropriation ( No V ) Bill, 1977.

Mr. Speaker :— There is a message from the Governor of Assam.

" RAJ BHAVAN

SHILLONG, the 26th October 1977

Under the provision of Article 207 ( 1 ) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam recommend the introduction ( No V ) Bill, 1977.

Sd/— Lallan Prased Singh,
Governor of Assam"

Has the Minister leave of the House to introduce the Bill ?

( Voices :— Yes. Yes. )

The leave is granted.

Shri Md Idria :— Sir, I beg to introduce the Assam appropriation ( No V ) Bili, 1977.

( The Secretary, Legislative Assembly read out

the title of the Bill introduoed.)

Mr. Speaker :— Here is a message from the Governor of Assam which runs as follows :—

"RAJ BHAVAN
Shillong, the 26th October, 1977

Under the provision of Article 207 (3) of the Constitution of India, I, Lellad Singh, Governor of Assam, recommend that the Assam appropriation (No V) Bill, 1977 be taken into consideration by the Assam Legisative Assembly.

Sd/- Iallan Prasad Singh
Governor Of Assam"

Shri Md. Ldris :— Sir I bag to were that the Assam Appropriation (No. V) Bill, 1977 be taken into Constitution.

Mr. Speaker :— Motion moved.

Shri Badan Chandra Talukdar :— Speaker, Sir it appears that the expenditure under this bill will be something which has no instance in the past. Sir, there are some points which should be considered

seriously and, therefore. I would like to make certain observations. As you know, sir, the Public Accounts Committee of this House has made certain obsrvations saying that because of the lack of initiative on the part of the Govt. and the administration such kind of overdrawal and expenditure had to be incurred. Sir, it is a serious lapse on the part of the Govt: the excess expenditure was 12 to 20% Sir, it is not good on the part of the Govt. to spend money in this way. This is the first time that we have come across such kind of thing for meeting this excess expenditure. Sir, it is the responsibility of the Govt. to see that the expenditure of the Various deptts: should not exceed the voted amount. Sir, it is also bad on the part of the Govt. if the voted amount is not spent properly. Both are qually bad on the part of the Covt. Sir, though the Hon'ble Minister has stated that it is for the regularisation of the excess expenditure they have come up with this bill for which they have no control over the expenditure, but still Govt. has a duty to see that such kind of excess expenditure does not aecur in futre. Therefore, Sir, my submission is that recommendation of the Public Accounts Committee should be elearly properly followed as the

Public Accounts Committee bas given a stricture on the deptt. for not exercising proper control over the expenditure. It is my subission, Sir, recommendation of the Public Accounts Committee be adhered to strictlg so that sueh kind of things does not occur in future.

Shri Md. Idris :— Mr. Speaker, Sir, I have nothing to add here except only one point that Govt. will surely see that such things do not recur in future. Sir, as you know, the Public Accounts Committee is the Committee of this House and any remark of this nature is surely a setback on the part of the Govt. Therefore, Sir, the observation made by the Public Accounts Committee will surely be adhared and to Govt. will see that in future such kind on things will not recur in any deptt. This is what I submit, Sir.

Mr. Speaker :— The motion is that Assam Appropriation ( No. V ) Bill, 1977 be taken into consider ation.

( The motion was adopted )

Mr. Speaker :— As tnere is no amendment in (c), we may now come to (d).

Shri Md. Idris :— Sir, I beg to move that the Assam appropriation ( No. V ) Bill, 1977, be passed.

Mr. Speaker :— The motion moved.

*শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, এই বিনিয়োজন বিধেয়ক খন পাচ কৰিব চৰকাৰী পক্ষই। মাজ সূৰত নাই চুলি পোৱেকে বোলে ৰূপহী, অসমীয়াত এনে এষাৰ কথা আছে। খৰচ কৰিছ পাচ কৰিব লাগিব। এটা কথাত কব বিক্ষোদ্ধ হৈছো সুদীৰ্ঘ ১০-১১ বছৰ পৰি থাকিব। আমাৰ বিধান সভাত যত আমি আছো আমাৰ এনে কোনো এজেন্সী নাই যি এজেন্সীয়ে তৎকালে এই খিনি আমাৰ নজৰত আনিব পাৰিব লাগিছিল। এনেকুৱা কোনো হিচাব পৰীক্ষক নিৰীক্ষক নাছিলনে এটা নহয়, দুটা নহয় ইমাৰবোৰ বিভাগৰ বছৰ বছৰ ধৰি পৰি থাকিল। এই ধৰণৰ অনিয়মত আমাৰ দেশৰ কাৰণে যে ভয়ংকৰ বিপদ-জনক এই কথাৰ পৰা বুজি আমি উদ্বেগীত হৈ পৰিছো। এনেকুৱা সন্দেহ এই কথা বিলাকৰ পৰা হয় যে ডাঙৰ ঘটনা ঘটিছিল। আচলতে সেই ঘটনাৰ টকা পইচা বিলাকৰ বহু কাটি কুটি থাপি-থুপি মাৰিমেলি থওঁতে থওঁতে আচলতে বস্তুবোৰ পিচ পৰি গৈছে। চৰকাৰ এনেকৈ চলিব নোৱাৰে। মই যোৱা ১১ বছৰ কাল এই বিধান সভাৰ মজিয়াত আছো। কোনো দিনে বিধান সভাত এই কথা বিলাক উত্থাপিত নহয়। বিধান সভাৰ হিচাব পৰীক্ষক কমিটিয়ে দিয়াৰ পচিত চাৰি বছৰ কাল হল। তাৰ আগতে প্ৰত্যেক বিভাগৰ যি বিলাক বিভাগৰ এই ধৰণৰ অনিয়মিত খিনি হল এনে কোনো চৰকাৰী যন্ত্ৰ নাছিল নে যে কাৰো

*Speech not corrected

চকুত ধৰা পৰা নাছিল। নিশ্চয় এইটো আচনি কৰি কৰা কাম। সেই কাৰণে এনেকুৱা ধৰণে আচলতে লুকাই, থাপি-থুপি থোৱা হল। সেই কাৰণটোত মই অতিকৈ উদ্বেগীত হৈছো। এই কথাষাৰ লক্ষ্য কৰিছো যে আজিৰ তাৰিখত ওলাৰ যে এই খিনি পাচ হৈ যাব, কালিলৈ পাচ হোৱাৰ পাচত অসমৰ জনসাধাৰণে ভাৰতৰ জনসাধৰণৰ চকুত আমাক কি বুলি চাব ?

আজি এনে এখন দেশত এনে সংসদীয় ব্যৱস্থাত, গণতান্ত্রিক ব্যৱস্থাত এনেকৈ অনিয়মিত ভাবে চলা উচিতনে ? তাৰ প্রতি মানুহে কি কব। আজি পঞ্চায়ত এখনত বা কৰবাত ঘৰুৱা হিচাবত এমাহ মান পাৰ হৈ গলেই সমালোচনাৰ সন্মুখীন হয়। এইখিনিতে এটা কথা মনত পৰে- "সাধুক চিনিবা লেন দেন কৰি" টকা পয়চাৰ লেন দেন কৰিয়েই আচল মানুহটো বা শুদ্ধ মানুহটো চিনিব পাৰি। আজি যে চৰকাৰে দেশখত শুদ্ধ ভাবে চলাব পৰা নাই এইটো এটা জ্বলন্ত নিদর্শন। আজি আমি হাহিয়তাৰ পাত্র হৈছোঁ। আজি আমি এই বিধান সভাত অনিয়মখিনি নিয়কৰণ কৰিব খুজিছোঁ। নিয়মীকৰণ হৈ যাব। কিন্তু এই কথা যুগ যুগান্তৰ থাকি যাব আৰু বিধান সভাৰ এই কালিমা মচিবলৈ উপায় নহব। জনসাধাৰণে ইয়াৰ বিচাৰ কৰিব। আমাৰ চৰকাৰৰ কথা গৰচি আছে। চৰকাৰৰ শক্তি আছে। শক্তিৰ বলত আমি পাচ কৰি লৈ যাম। কিন্তু জগতবাসীৰ আগত এই চৰকাৰ কাম কৰাৰ অযোগ্য বুলি প্রমানিত হৈছে। চৰকাৰৰ যিমান বিলাক পৰীক্ষা নিৰীক্ষা কৰা এজেন্সি আছে সেইবিলাক সকলোৱে মিলা মিছা আছে। মই মোৰ ইয়াত উদবিগ্নতাটো প্রকাশ কৰিছো। মই জনসাধাৰণৰ অৱগতৰ অর্থে বিধান সভাৰ সদস্য হিচাবে যিখিনি দায়িত্ব পালন কৰিছোঁ, সেখিনিত যি দোষ

ত্ৰুটি হৈ গল তাৰ এটা আত্ম সমালোচনা হিচাবেহে এইখিনি কথা দাঙি ধৰিছোঁ ।

* শ্ৰীৰবিৰ ৰায় প্ৰধানী :— অধ্যক্ষ মহোদয়, সেই সংবিধান ব্যৱহাৰ নকৰিলেও বেয়া আৰু কৰিলেও অতি বেছি ভাবে কৰিব নালাগে । আমাৰ ৰাইট অব চিটিজেনচিপ কথাটো আছে । আৰু অতিৰিক্ত ব্যয় কৰিবৰ কথাৰটোও সংবিধানাত আছে । কিন্তু সেই বুলি এইটো আমি কৰা উচিত নহয় । যদি এইটো ১৯৭৮ চনৰ ৩১ মাৰ্চলৈকে হ'ল হেতেন তেতিয়াহলে আমাৰ কবলৈ নাছিল । আমি সদনত আলোচনা কৰি পাচ কৰি দিলোহেঁতেন । কিন্তু এইটো ১৯৬৯ চনৰ ৩১ মাৰ্চৰ কথা, বৰ পুৰণি কথা । এইটো ৰেগুলাৰইজেচন নহয় ইৰেগুলাৰলি ৰেগুলাৰ হোৱা । পি এ চিয়ে যিটো ৰিপৰ্ট দিয়ে সেই ৰিপৰ্ট চৰকাৰে ভালকৈ পঢ়ি নাচায় । গতিকে এইটো চিন্তা কৰিব লগা কথা । আজি যে আইনী ভাবে যদি কিছুমান কথা থাকি যায় তেতিয়াহলে আমাৰ সদন কলংকিত হব । আজি সদন ভগি হৈ যায় তেতিয়াহলে নতুন চৰকাৰে আগৰ সদনে আইন কানুন নমনা বুলি কব । এই অৱস্থাত আজি এটা চুড়ান্ত কেলেংকাৰী অৱস্থা হলহেতেন । গতিকে এইটো বিতং ভাবে আলোচনা কৰিব লাগে । আজি বাজেটত ১০০ কৌটি টকা পাচ হৈ গল । ৰাইজে ভাবিব আমি কিবা এটা পাম । আজি কৰ্ম্মক্ষেত্ৰত যি কৰা হৈছে সি যথেষ্ট নহয় । সেই টকা লৈ কেতিয়াও বাধা হব নোৱাৰে । টকা নিদিলে দেশৰ উন্নতি কোনকৈ হব । আমি টকা দিম । কিন্তু কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যি দায়িত্ব পালন কৰিব লাগে সেই দায়িত্ব পালন কৰা নহয় । আজি সকলো ক্ষেত্ৰতে এনমেলিচ আছে আৰু তাৰ বাবে সাধাৰণ ৰাইজে ভুগিব লগা হৈছে । আৰু লগে

*Speech not corrected

লগে সাধাৰণ ৰাইজ সকলো সুবিধাৰ প'ৰা বঞ্চিত হৈছে। দিনে দিনে দুখীয়া হৈ গৈছে। গতিকে এই এপ্ৰ'পিয়েচনৰ বিলৰ জৰিয়তে যি বিলাক কথা আহিছে সেইবিলাক কাৰ্য্যকৰী কৰিব পাৰিলে ভাল। আজি বছৰে বছৰে এইবিলাক কথা আছে কিন্তু কাৰ্য্যক্ষেত্ৰত কি কি হৈছে ? আজি কৃষি ক্ষেত্ৰত একো উন্নতি হোৱা নাই। খেতিয়ক দিনক দিনে দুখীয়া হৈ গৈছে। মাটি বিতৰণ দেখুৱা হৈছে। কিন্তু আচল মাটিহীনে মাটি পোৱা নাই। আজি চৰকাৰে যি বিলাক কাম কৰিব বুলি ভবা হৈছে সেইবিলাকৰ চৰকাৰ আঁতৰি গৈছে। আজি শতকৰা মানুহে নানান দুখ দুৰ্দ্দশাৰ মাজেৰে কটাব লগা হৈছে। এই ক্ষেত্ৰত মই বিতং আলোচনাৰ প্ৰয়োজন বুলি নাভাবো। আৰু চৰকাৰৰ ফালো উৰ্কলিল। মাত্ৰ মই এই কথা কেইষাৰৰ জৰীয়তে এই চৰকাৰক শেষৰ ফালে সাৱধান কৰি দিব খুঁজিছোঁ।

* শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, গোটেই দিনটোৰ আলোচনাৰ পাচতো মই এটা কথা বুজি নাপালো। শেষত চৰকাৰৰ পৰা এই কথাটো জানিব বিচাৰিছোঁ। আজি এই তিনিটা বছৰে অলপ অলপ টকাই নহয়, ৭ কোটি ১৩ কোটি আৰু ২৩ কোটি মুঠ প্ৰায় ৪৩ কোটি টকা খৰচ কৰিলে। কিন্তু প্ৰতিটো বছৰতেকোটিৰ পিছত কোটি টকা কেনেকৈ খৰচ হল, কি যুক্তিত খৰচ হল, এই যুক্তিটোহে বিচাৰি নেপালোঁ। তেখেতসকলে যিবোৰ যুক্তিদিলে, উদাহৰণ স্বৰূপে, ১৯৬৬-৬৭ চনত ১০ নবেম্বৰলৈকে যি ব্যাখ্যা দিয়া হল, পিচৰ বছৰতো সেই একেটাই আছে। বানপানীত অতিৰিক্ত খৰছ, পুলিচ বিভাগত অতিৰিক্ত খৰছ filling up of vacant posts and purchex and mai-

*Speech not corrected

the are of vehicles: বানপানীত যি'টা খৰছ হল, বান নিয়ন্ত্ৰণতো সেইটো'ৰেই খৰছৰ হিচাব দেখুওৱা হল অকো একেটা কথাই এই যে প্ৰতি বছৰে ভেকুৱাম হৈ থাকিল, সেই অতিৰিক্ত টকাটো চাপলিমেন্টৰী বাজেটতত যোগ দিয়া হল। আৰু সেই হিচাবটো একচেচ্ অক্সপেনডিচাৰ কৰিলগা হল বুলি এটা স্থিৰ ব্যাখ্যা কৰি দেখুওৱা হৈছে। কিন্তু আমি প্ৰমাণ নেপালোঁ কি যুক্তিত এই অতিৰিক্ত খৰছ কৰিব লগা হল। কাৰণ প্ৰতিটো হেডতে একেটা কথাকেই আছে। গতিকে এই এটা সময়তে, ১।২ বছৰ নহয়, সম্পূৰ্ণ তিনিটা বছৰতে এনেকৈ কোটি কোটি টকা আমাৰ চৰকাৰৰ খৰছ হল, এনে কি গতিশীল অৰ্থনৈতিক কাৰণ ওলাল যাৰ প্ৰকৃত খৰছৰ মূল সূত্ৰটো আমি বিছাৰি নেপালোঁ। আৰু আচল উত্তৰটোও আমি নেপালোঁ। সেই ভাবিয়েই আমি আচৰিত হৈছো। এই খনি কোৱাৰ পিছতে আমাৰ বক্তব্যও আৰু বিলখনৰ বিষয়ে আলোচনা কৰাবো সময় শেষ হৈ যায়। গতিকে এটা কথা নকৈ নোৱাৰিলোঁ যে বিগত বছৰ কেইটাত যেনেকৈ চৰকাৰী ধনৰ অপচয় হল আৰু গোটেই দিনটো চৰকাৰক এই কথাকেই সকিয়াই দিয়া হৈছে, যেয়েহে ভবিষ্যত যেন এনেদৰে চৰকাৰী টকা ৰাইজৰ কামত খটাই বেলেগ কামত অপচয় কৰিবলৈ প্ৰয়াস নকৰে, তাৰবাবে চৰকাৰক অনুৰোধ জনালোঁ।

* শ্ৰীৰামচন্দ্ৰ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে এটা কথা নকৈ উপায় নাই। আলোচনাও শেষ হৈ আহিছে। গতিকে চৰকাৰক দোষ দিবলৈ গৈ মই এটা গল্পৰ উদাহৰণৰে কব খুজিছোঁ।। গল্পটো হৈছে, এদিন তিনিজন বন্ধু ফুৰিবলৈ গল। যাওঁতে বাটতে

*Speech not corrected

এঠাইত এটা ঘৰ পালেগৈ। ৰাতি তিনিওজনে পায়স বনাই-খালে আৰু অলপ বাকী থাকিল। বাকীখিনি ৰাতিপুৱা খাবৰ কাৰণে থৈ দিলে শুবলৈ যোৱাৰ আগতে তিনিওজনে আলোচনা কৰিলে যে কালিলৈ ৰাতিপুৱা যি জনেই শুই উঠি ভাল সপোন কব পাৰিব সেই জনেই পায়স খিনি খাব। কথা মতেই কাম হল। পুৱাই উঠি প্ৰথম বন্ধুৱে কলে যে তেওঁ যোৱা নিশা ৰামচন্দ্ৰ হৈ হাতত ধনু-ধনু লৈ লগত লক্ষ্মণ আৰু জানকীক লৈ অৰণ্যত বিচৰণ কৰি ফুৰিছে। দ্বিতীয়জনে কলে, যে তেওঁ নিজেই শ্ৰীকৃষ্ণ হৈ গোপীৰে সৈতে নৃত্য দি ফুৰিছে বৃন্দাবনৰ মাজে মাজে। তৃতীয়জনে কলে যে তেওঁ এটা বিৰাট দৈত্য সপোনত দেখিলে আৰু দৈত্যটোৱে আহি তেওঁক ডিঙিত টিপি ধৰিলৈ কবলৈ ধৰিছে যে "তই এই বাকী থকা পায়স খিনি এতিয়াই খাই শেষ কৰি পেলা। যদি নেখাৱ তোক মই গলত টিপি মাৰি পেলাম।" উপায় নেপায় মই পায়স খিনি নোপুৱাওতেই উঠি গৈ খাই পেলাবলৈ বাধ্য হলোঁ। কথা শুনি বাকী দুজন বন্ধুৱে কি উত্তৰ দিব বিচাৰি বিবুদ্ধিত পৰিল। ঠিক সেইদৰে আমাৰ চৰকাৰী ধনবোৰ অপচয় কোনোবা কাহানিয়েই হৈ গল। এতিয়া আৰু সেইবিষয়ে বাৰম্বাৰ চেষ্টা কৰিলেও ক'ত কেনেকৈ খৰছ হল কোনেও হিচাব দিব নোৱাৰিব। কোনে অপচয় কৰিলে, কিয় কৰিলে আৰু ক'ত কৰিলে বুলি যিমানেই চিঞৰি নেথাকোঁ, তাৰ উত্তৰ কেতিয়াও নোপাৰ যেনেকৈ অসমত এনে কিছুমান হস্পিতেল আছে, য'ত ৰোগীক চিকিৎসা কৰি থাকোতে ডিচপেনৃছেৰীৰ ওপৰত ছালৰ পৰা বাটাম খহি পৰি ডাক্টৰজনৰে জখম কৰিলে। আৰু ফলত ডাক্টৰৰ চিকিৎসা কৰোতেই ডিচপেনৃছেৰীৰ বাবে অনুদান দিয়া টকা খৰছ কৰিব লগা হল। সেইদৰে ই ক'ৰবাত খৰছ কৰিবলগীয়া টকা অন্য ক'ৰবাত কৰিব লগা হল। আজি হস্পিতেলৰ কথাই কওক বা ৰাষ্ট্ৰ-

ঘাটৰ কথাই কোৱা হওক, সকলো বিষয়ৰ বাবেই প্ৰতি বছৰে চৰকাৰী অনুদান আগবঢ়োৱা হয় যদিও আজি ৰাস্তা-ঘাটৰ অৱস্থা একেই থাকি গল, অথচ টকা ক'ত খৰছ হল আমি কোনেও গমকে নেপাওঁ। গতিকেই মই এই বিলখনৰ বিৰোধীতা কৰিলোঁ।

*শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আৰু আলোচনা নকৰোঁ বুলি ভাবিছিলোঁ যদিও কেইটামান কথা নকলে নহয় বুলিয়েই মই কবলৈ আগবাঢ়িছো। প্ৰথম কথা হ'ল এটা কথা, আমি লক্ষ্য কৰিছো যে ট্ৰেজাৰি বাঞ্চৰ মিনিষ্টাৰ সকলকে ধৰি আন সকলেও আমি যিমানখিনি গুৰুত্বসহকাৰে কথা বিলাক আলোচনা কৰো সিমান খিনি গুৰুত্বআৰোপ তেখেতসকলৰ ফালৰ পৰা কৰা নাই বুলি মই ভাবো। আমাৰ কথা হ'ল টকা পইচা খৰচ কৰিবলৈ দিয়েই আছো। বাজেট অধিবেশন পাতি ইমান টকা লাগে বুলি আমি নিদিলেও লৈ যায় চৰকাৰে খৰচ কৰিবৰ কাৰণে। এই ক্ষেত্ৰত এটা কথা লক্ষ্য কৰিব লাগিব যে কোনোবাই হয়তো ভাবিব পাৰে যে আমি মন্ত্ৰী সভাত থকা সময়ত নহয়, আগতে খাই বৈ গৈছে। কিন্তু বহুবাৰ পৰিবৰ্ত্তন হৈছে। দায়িত্ব কিন্তু কোনেও এৰাই যাব নোৱাৰে। তিনি বছৰত তিনিটা বাজেট অধিবেশনত দিয়া হৈছে যথেষ্ট পৰিমাণে টকা। হিচাব কৰি তাৰ পিচত আকৌ পৰিপূৰক দাবী মঞ্জুৰী দিয়া হ'ল। কিন্তু তাৰ পিচতো একে বিলাক হেডৰ ওপৰত এই চৰকাৰে অতিৰিক্ত টকা মনে মনে খৰচ কৰিছে পিচ তুৰাৰেদি। অমুকে কৰিছে, বিমলা প্ৰসাদ চলিহাই কৰিছিল, মহেন্দ্ৰ মোহন চৌধুৰীয়ে কৰিছিল এতিয়া নহয় এইবুলি

*Speech not corrected

নাভাবিব কিয়নো এতিয়া শবৎ চন্দ্ৰ সিংহ চৰকাৰৰ দিনত বেছি ওলাব। আৰু ওলায়েই আছে। বৰ্ত্তমান এই সম্পৰ্কত আপোনালোকৰ দিনতেই চুড়ান্ত ৰূপ ধাৰণ কৰিছে। বৃহত্তৰ আকাৰ ধাৰণ কৰিছে। ইয়াৰ কাৰণে ক্ষমা কৰিব নোৱাৰি। আমাকো জনসাধাৰণে সুদাই নেৰে। শাসনযন্ত্ৰই আমাক ঢুকি নাপায় যদিও জনসাধাৰণৰ ঠেলাৰ কাৰণে আমিও এই কথাবিলাক বিধান সভাত উত্থাপন কৰিবই লাগিব। আমাৰ ফালৰ পৰা যি ধৰণে গুৰুত্বআৰোপ কৰি কোৱা হয় আপোনালোকৰ ফালে বেছি অভিজ্ঞ ৰাজনীতিবিদ থকা কাৰণেই বা বেছি কেলিবাৰ লোক থকা কাৰণেই নেকি সিমান ধৰণে কথা বিলাকত গুৰুত্ব আৰোপ নকৰে আমি ঠিক ধৰিব নোৱাৰো। কিন্তু আমাৰ কথাত গুৰুত্বআৰোপ নকৰিলেও বাইজৰ কথাত নিশ্চয় গুৰুত্বআৰোপ কৰিব লাগিব। বিধান সভাত বন্ধুসকলে কৈছে যে এই অতিৰিক্ত খৰচ এইবাৰ পাইছে। আমি তিনিবাৰ আছো কিন্তু এই তিনিবাৰেই পাই আহিছো। ইয়াৰ পিচত আন চৰকাৰ আহিব তেওঁলোক কেও কৰিব। পিচৰ চৰকাৰে কৰ আগতে কৰি গৈছে খৰচ আমাৰ কৰিবলৈ কি আছে? এই গোটেই কথাটো চালিজাৰি চালে দেখা যায় যে ফাইনেন্‌চিয়েল ষ্টেটমেণ্টো টকা পইচা অপব্যৱহাৰ হোৱাৰ বাহিৰে আন একো হোৱা নাই। যিবোৰ হেডত অতিৰিক্ত টকা ব্যয় কৰা হৈছে তালৈ যদি বিধান সভাৰ পৰা কমিটি গৈ স্পষ্ট ভেৰিফিকেচন কৰা হয় তেনেহলে দেখা যায় যে এই খৰচৰ কোনো চিন চোকাবেই নাই। টকা পইচা খৰচ কৰি জৱাহৰনগৰ তৈয়াৰ কৰিলে কিন্তু এতিয়া মৰিশালী হল। ৰাস্তা বিলাক সজালে কিমান টকা পইচা খৰচ কৰি কিন্তু এতিয়া মুখ মেলি আছে। শৰৎ সিংহ চৰকাৰৰ মুখ মেল খাইছে আৰু আমাৰো মুখ মেল খাইছে। জৱাহৰনগৰত কোটি কোটি টকা খৰচ কৰা হল কিন্তু কি হ'ল? কলৈ গ'ল সেইবোৰ?

লাইট পোষ্ট পাতিছিল কলৈ গ'ল? পানী যোগানৰ ব্যৱস্থা কৰিছিল কলৈ গ'ল? উদ্যান পাতিছিল কলৈ গ'ল? অতিৰিক্ত টকা থাকিলে ফাণ্ড থাকিলে খৰচ কৰাত আমাৰ একো আপত্তি নাই। যদিহে সেই টকা খৰচ কৰাৰ পৰা ৰাইজৰ কিবা কামত আহে। কিন্তু ৰাইজৰ কামত নহা কোনো খৰচ কৰাৰ পৰা বিৰত থকাটোৱেই নিশ্চয় নিতান্ত উচিত কথা। যেজৰ হেড়ৰ নামত মন্ত্ৰী সকলৰ টেলিফোনৰ কাৰণে মন্ত্ৰী সকলৰ টি-এ, অফিচাৰ সকলৰ টি-এ আদি অন্যান্য পেৰাফালেনিয়াৰ কাৰণ খৰচ কৰা কৰা হয় বেছি। আচলতে যিখিনি মানুহৰ কাৰণে খৰচ কৰা দৰকাৰ সেই খিনি মানুহৰ কাৰণে খৰচ কৰা নহয়। যদি সেই মানুহখিনিৰ কাৰণে খৰচ কৰা হলহেতেন তেনেহলে আমি বিৰোধীতা নকৰি বৰং চাপেট কৰিলোহেতেন টকা পইচা যদি খৰচ কৰিলেহেতেন পানী যোগান ব্যৱস্থাৰ কাৰণে বা চিকিৎসালয় আদিৰ কাৰণে কিন্তু সেইটো হোৱা নাই। পানীটোপাও কাঢ়ি আনি ৰাইজৰ মুখৰ পৰা এই সকলো টকা অনাহকত খৰচ কৰা হৈছে ভাতটো ৰাইজক খাবলৈয়ে দিয়া হোৱা নাই। আমাৰ এজন প্ৰতাপী মন্ত্ৰী তেওঁৰ ওচৰতে থকা ডাক্তৰখানা খনত আজি তিনিমাহ ধৰি ডাক্তৰ নাই। কপাহো অকণমান নাই। মই সিদিনা গৈ আহিছো। চীফ মিনিষ্টাৰ আহিছে। তেখেত নিজেও যায় সেই নাজিৰা হেন ঠাই এখনৰ ডাক্তৰখানা খনত আজি দুই তিনিমাহ ধৰি ডাক্তৰ এজন নাই আনকি কপাহো অকণমান নাই টিগাৰ্ডেনৰ মজদুৰ সকলৰ প্ৰতিনিধি হিচাবে মাননীয় তাঁতী ডাঙৰীয়া আছে। কিন্তু কিমানখন ডাক্তৰখানা আছে টিগাৰ্ডেন এৰিয়াত তেখেতে নিজেই কব পাৰে। আমাৰ নিজৰ কাৰণে চিন্তা নাই। আজি ভাল ডাক্তৰ পাওঁ দৰকাৰ হলে অল-ইণ্ডিয়া মেডিকেল ইন্‌ষ্টীটিউটলৈ যাব পাৰো, প্ল্যানৰ টিকট পাওঁ, বেমাৰ চিকিৎসা কৰাব পাৰো। কিন্তু জনসাধাৰণৰ

মাজত ইয়াৰ নূন্যতম সুবিধাখিনি পাইছে নে নাই সেইটো চাব লাগিব। আমি জানো দিব পাৰিছো? সৰুৱে পৰা একেলগে কাম কৰা চিনিয়ৰ ষ্টুডেণ্ট কংগ্রেছ বিজয়দা বুলিয়েই মাতো। ইয়ালৈ আহোতে বৰ আবেগপূৰ্ণ ভাষণ দিছিল আৰু আমি ভাবিছিলো যে বিজয়দাই নিশ্চয় কিবা কিবি কৰিব পাৰিব। কিন্তু এতিয়া বিজয়দা মন্ত্ৰী হোৱাৰ পিচত কি হ'ল আমি নিজেই নাজানো। সেই ভাষাও নাই, কথাও নাই আৰু কামো একো কৰা দেখিবলৈ পোৱা নাই। আবেগ আমিও ভাল পাওঁ। আমাৰ সিংহ ডাঙৰীয়াও আবেগপূৰ্ণ কথা কয়। ৰক্তে ৰক্তে বুলি কবিতাৰ কথা কয়। আমি সকলো মানুহেই আবেগপূৰ্ণ। কিন্তু প্ৰকৃততে ৰাইজৰ সেৱাৰ মনোভাৱেৰে কাম কৰিবলৈ আহিছো নে নাই সেইটোহে চাব লাগিব। আমাক গাড়ী, লাগে, ঘোৰা লাগে আৰু গাড়ী বা ঘোৰা পোৱাৰ পিচত আমি পগলা ঘোৰা ঘূৰাদি ঘূৰি ফুৰিলেই আমাৰ জনসাধাৰণৰ কোনো কাম নহব। আজি একোজন মন্ত্ৰীৰ ডিঙিলৈকে পোটফলিও দিয়া হৈছে। জধে মধে পইচা পাতি দিব নোৱাৰি জংগলতো দিছে। ফাইনেন্‌চিয়েল ৰুল কাগজে পত্ৰই থকা ৰুল হলেও মানৱীয়তাৰ দিশ এটা আছে। এইটো কি, আমি কাৰ চাকৰ আমি আৰামত থাকিলেই সকলো থকা হবনে ইত্যাদি কথা আজি বিচাৰ কৰিবৰ সময় হৈছে। আজি এখন চাৰ্কুলাৰ দেখিলো মন্ত্ৰী সকল চাৰ্কিউট হাউচত থাকিলে হেনো একো ভৰিব নালাগে। এম-এল-এ বা এম-পি সকলে ভৰিব লাগিব। মন্ত্ৰী সকলে খোৱাৰ কাৰণেতো ভৰিব নালাগেই। এইটো অতি দুখৰ কথা। ইমাৰজেন্সিৰ সময়ত চাৰ্কুলাৰ। এণ্টি পিপ'ল। জনসমাজৰ স্বাৰ্থৰ সম্পূৰ্ণ বিৰোধী এখন চাৰ্কুলাৰ। যি চৰকাৰেই নহওক কিয় যিখিনি মানুহে আমাক ইয়ালৈ পঠিয়াইছে তেওঁলোকৰ কথা আমি চিন্তা কৰিবই লাগিব। নহলে ক্ৰিটিচিজ্‌ফেচ কৰিবই লাগিব। সমালোচনা

কৰিবই লাগিব। আত্মবিশ্লেষণ কৰিবৰ সময় হৈছে। ত্রিশ বছৰ শাসন কাল অতিবাহিত হৈ গল।

সচাকৈ কবলৈ হলে আমি একো কৰিব পৰা নাই; কৰাৰ ভিতৰত আমি এটা কামেই কৰিলো, সেইটো হ'ল আমি ৰাইজৰ অজস্র টকা-পইচা লেনদেন কৰি সৰ টেটুত লগাই লৈ ইয়ালৈ নামি আহিলো। অজস্র টকা-পইচা খৰচ কৰাই নহয় তাতোকৈ দোষণীয় কথা হৈছে আমি প্রত্যেক কার্য্যতে টকা-পইচাৰ ক্ষেত্রত আৰু অন্যান্য ক্ষেত্রত আমি বহু মিছা কথা কৈ আছো। মই এটা সৰু উদাহৰণ দিব বিচাৰিছোঁ। সেইটো বৰ দুখ লগা যে যেতিয়া আমাৰ ইয়ালৈ ভাৰতৰ প্রধান মন্ত্রী শ্রীমোৰাজী দেশাই সিদিনা আহিছিল তেতিয়া আমাৰ মুখ্যমন্ত্রীৰ জৰীয়তে জানিব পাৰিলে যে ইমান কম টকা ৩ কোটি ৫০ লাখ টকাৰ এই ৰাজধানীখন নির্ম্মাণ কৰালে এইটো বৰ শলাগিব লগীয়া কথা বুলি কলে, তাৰ পিছত আমি আলোচনা কৰি প্রশ্ন তুলিছিলো আৰু আলোচনাও দিয়া হ'ল তাৰ পাচত পি,এ,চি আৰু চৰকাৰৰ নিজৰ হিচাব দিয়া মতে ১০ কোটিতকৈও বেচি টকা খৰচ হৈ গ'ল। সেই সম্বন্ধীয় কাগজ-পত্র বিলাক পঠিয়াই দিয়া হ'ল। গোৰীশংকৰ ভট্টাচার্য্য, নগেন বৰুৱা আৰু মই নিজেও সেই কাগজ পঠিয়াইছো। তেতিয়া এই ক্ষেত্রত এটা কথা কৈছে যে যি সকল মানুহে নিজকে উচ্চ বুলি ভাবি লয় সেই সকল মানুহে যদি নিজকে উচ্চস্তৰত নাৰাখি নিজকে তললৈ নমাই আনে তাত আৰু আমাৰ কবলৈ কোনো আপত্তি নাই। কথা হ'ল মুখ্যমন্ত্রীয়ে যিবিলাক তথ্য-পাতি দিয়ে সেইবিলাক সচা আৰু শুদ্ধ হব লাগে। সিদিনা মই সদনত নাছিলো তেতিয়া ভাব প্রৱনতাৰ কথা উল্লেখ কৰিছিল। আমি আমাৰ ফালৰ পৰা তথ্য-পাতি সংগ্রহ কৰো

আৰু তাৰ ওপৰত আলোচনা কৰো কিন্তু ভাবপ্ৰবনতাই চৰকাৰক কিবা দিব নেকি, তেখেতে এটা শুদ্ধ তথ্য দিব লাগে। এনেধৰণেই শাসনযন্ত্ৰটো আমি সম্পূৰ্ণ ভাবে শেষ কৰি পেলাইছোঁ। গতিকে মই অনুৰোধ কৰো এই বিলখন পাচ হৈ যাওক, আমি কাৰো ওপৰত বিশেষ ভাব ৰাখি কৰবলৈ যোৱা নাই এই খন দেশক আপোনালোকে যেনেদৰে ভাল পাও বুলি ভাবে আমিও আপোনালোকতকৈ কোনো গুণে কম নাপাও। টকা পইচা খৰচ বেচিকৈ খৰচ কৰা বা কম কৰা সেইটোয়েই প্ৰধান কথা নহয় কিন্তু তাতোকৈ ডাঙৰ কথা হৈছে আমি এটা ডাঙৰ বস্তু হেৰুৱাই পেলাইছো সেইটো হ'ল আজি আমাৰ মানুহৰ প্ৰতি থকা ভাল পোৱা আৰু মানুহৰ প্ৰতি আমাৰ যি গভীৰ দায়িত্ব মানুহৰ প্ৰতি মানুহৰ শ্ৰদ্ধা আৰু মানুহৰ প্ৰতি মানুহৰ মানবীয়তা আৰু কৰ্ত্তব্য সেই-টোহে আচল কথা। উদাহৰণ আজি শৰত সিংহ ডাঙৰীয়াক যদি অসমৰ ৰাইজে আৰু আমি মুখ্য মন্ত্ৰী বুলি শ্ৰদ্ধা নকৰো তেতিয়াহলে তেখেতৰ নিজৰ দ্বাৰা সেইটো তেখেতে পৰিচয় দিব নোৱাৰিব, আজি তেখেত মুখ্য মন্ত্ৰী হিচাবে আছে সমাজ খনৰ কাৰণে কাম কৰিবলৈ আৰু ঠিক তেনেদৰে আমিও জনসাধাৰণৰ কাৰণে সমাজৰ কাৰণে কাম কৰিবলৈ আমাৰ সকলোৰে সেই দায়িত্ব আছে জন্ম হোৱাৰ লগে লগে হলেও মানুহৰ প্ৰতি থকা দায়িত্ব আহি পৰে, সেইটোৱেই মানবীয় ধৰ্ম। আজি আপোনালোকৰ হাতত শাসন যন্ত্ৰ আপোনালোকে এস্কেচ কৰিছে আপোনালোকে চাপলিমেণ্টৰী গ্ৰাণ্ট আনিছে কিহৰ কাৰণে ৰাইজৰ কল্যাণৰ কাৰণেহে আনিছে বুলি কয় কিন্তু সেই টকা-পইচা বিলাক জানো আপোনালোকে ৰাইজৰ কামত লগাইছে, শুবলৈ আৰু পিন্ধিবলৈ অলপ কাপোৰ পালেহেতেন, খাবলৈ এটুপী পানী পালেহেতেন তেতিয়া

হলে আমাৰ বিশেষ আপত্তি, কৰিবলৈ নাথাকিলেহেতেন। এই সকলো বিলাক দিয়া হলে আমি দাবোল চাপলিমেণ্টৰী ডিমাণ্ড পাচ কৰিবলৈ ৰাজী হলোহেতেন। কিন্তু আজি এইদৰে সকলো দিম বুলি ৰাইজক বঞ্চিত কৰাৰ কাৰো অধিকাৰ নাই। অইন হাতেদি এইদৰে যি অসাধু ব্যৱস্থা লৈছে তাৰ দ্বাৰা কেতিয়াও এই কাম সমাধা কৰিব নোৱাৰিব। গতিকে মই কব খুজিছোঁ। এই বিলখন পাচ হোৱাৰ পাচত আপোনালোকে ইয়াৰ এটা হিচাব খুটি নাটি মাৰি আলোচনা কৰি চাওক আৰু আমাৰ এই দেশখনক উদ্ধাৰ কৰাৰ ব্যৱস্থা কৰক। এই যে পোৱা নোপোৱাৰ হিচাব নিকাস্, খৰচ কৰা নকৰা, দিয়া নিদিয়া এই সকলো বিলাক বেদনা-আমি মানুহৰ অন্তৰৰ পৰা শেষ কৰিব লাগিব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— বিৰোধী দলে যিবিলাক তথ্য দাঙি ধৰিছে সেইটো সম্পূৰ্ণ ভুল তথ্য এই যে কেপিটেল কমপ্লেক্সৰ কাৰণে ৫ কোটি টকা কেন্দ্ৰীয় চৰকাৰে থিক কৰি দিছিল, কিন্তু তাৰে মাত্ৰ তেওঁলোকে ৩ কোটি ৫ লাখ টকাহে দিলে আৰু আমাৰ খৰচ হ'ল ৫ কোটিতকৈ অলপমান বেচি, গতিকে বিৰোধী দলে অইন কথাৰ লগত এই ক্ষেত্ৰত এটা ভুল তথ্য ডাঙি ধৰিছে।

শ্ৰীনগেন বৰুৱা :— কেপিটেল কেনেকৈ হ'ল কব নোৱাৰো, প্ৰধান মন্ত্ৰী ইয়ালৈ আহোতে কেবিনেটৰ লগত আলোচনা কৰিছিল, মুখ্য মন্ত্ৰী ডাঙৰীয়াই ইয়াত প্ৰধান মন্ত্ৰী ডাঙৰীয়াক কোৱা কথা আৰু সেই কথাকে শুনি প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ইমান কম ৩ কোটি ৫০ লক্ষ্য টকাৰে এই ৰাজধানী খন কৰিছে, এইটো ভাল কাম হৈছে, বুলি কলে এই তথ্য মুখ্যমন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীক দিছিল। কিন্তু এই কথাত

ভেতিয়া আমি প্ৰতিবাদ কৰিছিলো ' ইয়াৰ ভিতৰত মুখ্যমন্ত্ৰী সভাত আছে নে প্ৰধান মন্ত্ৰী আছে কব নোৱাৰো ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— ৫ কোটিয়েই বা ১০ কোটিয়েই হওক সেইটো কথা নহয় । যি বিলাক ৰিপৰ্ট কিমান টকা খৰচ কৰা হৈছে সেই বিলাক দিয়া হৈছে । ইয়াৰ লগে লগে প্ৰশ্নোত্তৰতো এই বিলাক কথা দিছে । এই সম্পৰ্কত যি বিলাক তথ্যপাতি দিয়া হৈছে সেই বিলাক শুদ্ধ নহয় বুলি দিয়া হৈছে ।

শ্ৰীম: ইদ্ৰিচ :— মাননীয় অধ্যক্ষ মহোদয়, অতিৰিক্ত দাবী উত্থাপন উপলক্ষ্যত ভাগেমান আলোচনা হৈছে যদিও সকলো বিলাক কথা একচেচ গ্ৰাণ্টৰ লগত প্ৰযজ্য নহয় । ইয়াত মোৰ বন্ধু সকলে আলোচনা প্ৰসংগত যি বিলাক ,পৰামৰ্শ ডাঙি ধৰিছে সেই বিলাক সচাকৈয়ে গ্ৰহণ যোগ্য । আৰু লগতে অসমৰ বিত্তীয় অৱস্থাৰ উন্নয়নৰ কাৰণেও যি বিলাক পৰামৰ্শ ডাঙি ধৰিছে সেই বিলাকো অত্যন্ত গ্ৰহণ যোগ্য । এইটো কথা আগতেও কোৱা হৈছিল আৰু এতিয়াও কৈছো যে বিত্তীয় অৱস্থা উন্নত কৰাৰ কাৰণে বিত্তীয় কমিটিয়ে যি বিলাক অনুদান দিছে আৰু যি বিলাক পৰামৰ্শ দিছে সেই বিলাক চোৱা হব আৰু সেই মতেই কৰা হব ।

একচেচ এক্সপেনদিচাৰ আগতেও হৈছে আৰু হব । এই কথা চালেই এইটো কথা বুজিব পাৰিব যে একচেচ এক্সপেনদিচাৰ কি কাৰণে কৰা হৈছে ? আমি বাহুল্য কৰাৰ কাৰণে একচেচ এক্সপেনদিচাৰ কৰা নাই । বাইজৰ কাৰণে যি থিনি নকৰিলে নহয় সেই থিনি কৰাৰ কাৰণেহে একচেচ এক্সপেনদিচাৰ কৰা হৈছে । মই এইটো কব বিচাৰিছো যে যিটো খৰচ কৰা হৈছে সেইটো বাইজৰ কাৰণে, দেশৰ ভালৰ

কাৰণে এই বিলাক খৰচ কৰা হৈছে। ইয়াৰ উপৰিও প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণেও কিছুমান খৰচ নকৰিলে নহয়, এই বিলাক খৰচ কৰিবলৈ আমি বাধ্য। এই বিলাক খৰচ নকৰিলে আমাক পাপে চুব। মই আপোনালোকক জনাব খুজিছো যে যি বিলাক খৰচ কৰা হৈছে সেই বিলাক ৰাইজৰ উপকাৰৰ কাৰণেই কৰা হৈছে।

মাননীয় শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই কৈছে যে সুদীৰ্ঘ ১০ বছৰ বছৰৰ ভিতৰত এনে কোনো মানুহ বা কমিটি বা সন্থা নাছিল নে বুলি তেখেতে পইণ্ট আউট কৰিব বিচাৰিছে। ১৯৬৬-৬৭ চনৰ যিটো হিচাব সেই হিচাব অডিটৰ জেনেৰেলে ৮।৩।৬৯ তাৰিখে প্লেচ কৰিছে। ১৯৭৫-৭৬ চনৰ হিচাব যেনেকৈ প্লেচ কৰিছো ১৯৬৬-৬৭ চনৰ একাউণ্ট কৰি প্ৰথম বিধান সভাত দিয়া হৈছে। কাজেই অসম চৰকাৰে কোনো খৰচ অডিত নোহোৱাকৈ যি ধৰণেৰেই নহওক থাকিব নোৱাৰে। অপব্যয় নোহোৱা নহয়। নিয়ম মতেই বাজেট অনা হৈছে আৰু সেই নিয়ম মতেই খৰচ কৰা হৈছে ইয়াৰ লগে লগে পি এ চিয়ে যি বিলাক পৰামৰ্শ দিয়ে সেই বিলাকো মানি চলা হৈছে। বাজেটত যি হিচাব কৰা আছে তাত যিমান থিনি টকা থাকে সেই খিনি খৰচ কৰিবই লাগিব। অতিৰিক্ত খৰচ নোহোৱাকৈ কেতিয়াও থাকিব নোৱাৰি। তাৰ কাৰণে পৰিপূৰক বাজেট আনিবই লাগিব। সেই সময়ত পৰিপূৰক বাজেট অনাৰ সময় নাছিল। বছৰৰ শেষ হোৱাৰ কাৰণে পৰিপূৰক বাজেট অনাৰ সময় নাছিল। চৰকাৰৰ এইটো চেষ্টা হব লাগে যাতে অতিৰিক্ত খৰচ নহয়। এই কথা মই আগতেও কৈছো আৰু এতিয়াও কওঁ যে পি এ চিৰ পৰামৰ্শ আমি মানিচলিবলৈ যত্ন কৰিম। এই খিনিকে কৈ মই বন্ধু সকলক এই মঞ্জুৰী পাচ কৰি দিবলৈ অনুৰোধ জনালো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— মই এটা কথা জানিব বিচাৰিছো যে পি এ চিয়ে যিটো ৰিপৰ্ট অসম চৰকাৰ দাখিল কৰিছে ১'৯।৬৭ চনত। এই কেই বছৰত অসম চৰকাৰৰ এনেকুৱা একচেচ এক্সপেনদিচাৰ এৰেগুলাৰ হৈছিলনেকি ?

শ্ৰী মঃ ইদ্ৰিচ :— আগতে পোৱা নাছিলো।

Mr. Speaker :— I put the main motion. The motion is that The Assam Appropriation (No. V) Bill, 1977 be passed... The motion is passed.

The house stands adjourned till 10 a.m. to morrow

## ADJOURNMENT

The House then rose at 6·56 P. M. and stood adjourned till 10 A. M. on Tuesday, the 15th November, 1977.

Dated Dispur. P. D. Barua,

The 14th November, 1977. Secretary

Assam Legislative Assembly.